মার্চ ২০০০ - ১০.০০ টাকা

চান্দমামা

I.T.KIDS centres in TAMIL NADU - Chennai : • Anna Nagar, Ph: 6285959/6285599 • Adyar, Ph: 4415866/5867 • Abhiramapuram, Ph: 4995942 • Alwarthirunagar : Ph: 4841636 • Chrompet, Ph: 2347922 • Kilpauk, Ph: 6415516 • Kodambakkam, Ph: 4804606 • Kotturpuram, Ph: 4422448 • Nanganallur, Ph: 2347922 • Nungambakkam, Ph: 8234900 • Shenoy Nagar, Ph: 6282590/6260834 • SIET College Road, Ph: 4364119 • Thiruvanmiyur, Ph: 4419110 • T.Nagar, Ph: 8217043/8216074 • Vepery, Ph: 6416007/ 6416038 • **Coimbatore:** FIT, Ph: 213080 • KRV, Ph: 433368, 445926 • Precitron, Ph: 315859, 312425 • **Dindigul :** Ph: 432351 • **Erode :** Ph: 262317, 262325 • **Kotagiri :** Ph: 73894 • **Kumbakonam :** Ph: 426090, 421246 • **Nagercoil** : Ph: 60499 • **Ooty :** Ph: 47121 • **Salem :** Ph: 446744 • **Tirupur :** Ph: 743989, 747112• **Trichy :** Ph: 721582 • **Vellore :** Ph: 247913 **KERALA - Ernakulam:** Vinmat, Ph:318008 • Champion Academy, Ph: 371219, 367404 • Triponathura: Cyberkids, Ph: 780839 • **Trivandrum :** Aditya, Ph: 491339, 473994 • KCP, Ph: 337634 • **Trissur:** Kalliath, Ph: 331993 • **Alleppey:** Ph: 262362, 241921 **ANDHRA PRADESH Hyderabad : Malkajgiri :** Ph: 7056678 • **Srinagar Colony :** Ph: 3740647 • **Secunderabad :** Ph: 7897715 • **Vizag :** Ph: 595620 **KARNATAKA - Bangalore :** Basaveswaranagar, Ph: 3223616 • Cooke Town, Ph: 5462738 • Indira Nagar, Ph: 5274930• RT Nagar, Ph: 3338145, 3338146.

FIFTH ESTATE: 3825

চান্দমামা

খণ্ড : ২৩ মাৰ্চ ২০০০ সংখ্যা : ৪

এই সংখ্যাত আছে

গল্প

ৰাক্ষস ধৰ্ম ...০৯
বুদ্ধি নে মূখামী ...১৬
চোৰৰ মুখত হাঁহি ...১৮
পণ্ডিত পাহৰা নাই ...২৭
পুত্ৰ-জামাতা ...৩৯
সুন্দৰৰ খোঁজত ...৫২
পিতাৰ বাবে ...৫৩
ঋনীৰ ভয় ...৫৯
সঁচা অলৌকিক ...৬২

ধাৰাবাহিক

স্বৰ্ন সিংহাচন - ২ ...১৯

পৌৰানিক ধাৰাবাহিক

মহাভাৰত ...৪৫

ইতিহাস বিষয়ক

ভাৰত কথা - ১ ...৩০
কাবেৰী নদীৰ পাৰত - ৪ ...৩৫
ভাৰত - তেতিয়া আৰু বৰ্তমান ...৫৭

বিশেষ আলোচনা

চাঁদমামাৰ সংবাদ ...০৬
এইটো মাহত জন্ম ...০৭
ভাৰতৰ আবিষ্কাৰ (প্ৰশ্নোত্তৰ) ...৬০
বিশ্বৰ বাতায়নত ...৬৪
চিত্ৰ - প্ৰতিযোগিতা ...৬৬

এইটো-মাহৰ বিশেষ আকৰ্ষন

ৰাক্ষসধৰ্ম
বেতাল কথা

ভাৰত
কথা

প্ৰকাশ কৰা !
পুৰস্কাৰ লোৱা
চান্দমামা

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, Chandamama Buildings, Vadapalani, Chennai - 600 026. Editor : Viswam

THE MOST
ENDEARING
GIFT
YOU CAN
THINK OF
FOR YOUR
NEAR AND DEAR ONES
FAR AWAY

CHANDAMAMA

GIVE THEM
A
MAGAZINE
IN THE LANGUAGE
OF THEIR CHOICE

ASSAMESE, BENGALI, ENGLISH, GUJARATI, HINDI, KANNADA, MALAYALAM, MARATHI, ORIYA, SANSKRIT, TAMIL AND TELUGU

AND LET THEM ENJOY THE WARMTH
OF THE HOME AWAY FROM HOME

SUBSCRIPTION

BY AIR MAIL TO ALL COUNTRIES

Twelve issues Rs. 900

BY SURFACE MAIL WITHIN INDIA

Twelve issues Rs. 120

Send your remittances
by Demand Draft or Money Order
favouring 'Chandamama India Limited'

to:

PUBLICATION DIVISION
CHANDAMAMA INDIA LIMITED
CHANDAMAMA BUILDINGS, VADAPALANI, CHENNAI-600026

Editor
VISWAM
Editorial Advisors
RUSKIN BOND
MANOJ DAS
Designing & Technical Advisor
UTTAM

HEAD OFFICE
Chandamama Buildings
Vadapalani, Chennai–600 026
Tel: 4841778/4842087
Fax: 4841778
e-mail: chandma@md4.vsnl.net.in

OTHER OFFICES
BHUBANESWAR
116-B, B.D.A. Duplex House
Baramunda
Bhubaneswar-751 003
Orissa. Phone: 550 534
DELHI
Flat No. 415, 4 th Floor
Pratap Bhawan
5, Bahadurshah Zafar Marg
New Delhi-110002.
Phone: 3353406/7
MUMBAI
2/B Naaz Buildings
Lamington Road
Mumbai-400004
Phone: 3889763-3886324-3877110
Fax: 3889670

**For
USA
Single copy
$2
Annual subscription
$20**

The stories, articles and designs contained in this issue are the exclusive property of the Publishers and copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক : চক্রপানী বি. নাগীৰেড্ডী

যোগ্যক কেনেদৰে নির্বাচন কৰিব লাগে

যদি আমি সংবাদ পত্ৰ খুলি চাঁও, তাত ভাৰতৰ বিভিন্ন ৰাজ্যৰ নির্বাচন সম্মিলিত হোৱাৰ আবহাওয়া পোৱা যায়।

কিন্তু নির্বাচন উত্তেজনাৰ বাবে নহয়। সিঁহতক নিৰবতা মানি চলা উচিত। ১৮ বছৰ হ'লে নির্বাচনত অংশগ্রহন কৰিব পাৰি, আমাৰ পাঠক সকলৰ বহুতোৱে ভোট দিয়াৰ অধিকাৰী হৈছে। বহুতো জ্ঞানী মানুহে সিঁহতক কোৱা উচিত যে সিঁহতে যেন এজন যোগ্য মানুহক, কোনো জাতি-সংস্কাৰ, ধর্ম বা ৰাজনৈতিক সম্বন্ধীকৰন নকৰাকৈ নির্বাচন কৰে। এইটো এটা ভাল উপদেশ। কিন্তু সমস্যাটো হ'ল বেলেগত। বহুতো ভাল মানুহে নির্বাচন বর্জন কৰে।

এজন যোগ্য ব্যক্তিক নির্বাচনৰ প্রতিযোগিতাত উৎসাহ কৰি, আমি নির্বাচনটো শান্তিপূর্ন ভাবে চলাব লাগে।

এটা সভ্য সামাজিক সংস্কৃতিয়ে এইটো নিৰাপদ কৰা উচিত। ইয়াৰ বাবে আমি কঠোৰ চেষ্টা কৰিব লাগে।

সংবাদ চলক

পকেটৰ বলপূৰ্বক অৰ্থগ্ৰহনকাৰী

কোনো এজনৰ যাৰ পকেটত এখন ছিগাৰেটৰ পেকেট থাকে সাধাৰনতে তেওঁ ৰক্ত চোষক পিশাচ বা বলপূৰ্বক অৰ্থগ্ৰহনকাৰীক পালন কৰে। যেতিয়া এটা ছিগাৰেটৰ পাফ লোৱা হয়। কোনেও নাজানে যে প্ৰতিটো ছিগাৰেটে মানুহৰ জীৱনৰ ১১ মিনিট কৰি শোষন কৰি লয়। ২০ টা ছিগাৰেট থকা এখন পেকেটে মানুহৰ

জীৱন কালৰ ৩ ঘন্টা ৪০ মিনিটকৈ কম কৰে।

১৯৯৯ চনৰ নভেম্বৰ মাহত গননা কৰা মতে, ১.২ বিলিয়ন ধূমপানকাৰী পৃথিবীত আছে। বছৰটোৰ শেষৰ ফালে, সিঁহতৰ মাজৰ ৪ মিলিয়ন মানুহে তামাক সম্বন্ধীয় বেমাৰত মৰিব পাৰে।

তোমাৰ দীৰ্ঘ জীৱনটো হাস্যকৰ কৰি তোলা

যেনে ধূমপানে মানুহৰ জীৱন ধ্বংস কৰে, তেনেধৰনে হাঁহিধেমালিয়ে এজনৰ জীৱনৰ আয়ু বঢ়ায়, এইটো সাৰ্বিক ভাবে বিশ্বাস কৰা, যদিও ইয়াৰ কোনো প্ৰমান নাই। যিকোনো ক্ষেত্ৰত হাঁহিধেমালিয়ে জীৱণটোক আনন্দময় কৰি তোলে। জানুয়াৰীৰ ৯ তাৰিখত, ৫০০ হাঁহি

ধেমালীৰ সংঘই গোটেই বিশ্বত বিশ্ব হাঁহিধেমালীৰ দিন হিচাবে উদযাপন কৰে।

বিশ্বব্ৰহ্মাণ্ডটো এখন ঘৰ

কিছুমান মানুহৰ বাবে, ঘৰটো হ'ল এটা বাড়ী য'ত সিঁহতে বাস কৰে; বেলেগ কিছুমান মানুহৰ বাবে সিঁহতৰ গাঁও বা নগৰ বিলাক সিঁহতৰ ঘৰ; কিছুমান মানুহ আছে যোনে গোটেই দেশটোক সিঁহতৰ ঘৰ বুলি ভাবে। কিছুমান মানুহে আকৌ গোটেই পৃথিবীটোক সিঁহতৰ ঘৰ হিচাবে গন্য কৰে - বাসুদাইভা কুটুমবাকাম (ইটালীয়ান). এজন উচ্চ কল্পনাবিলাসী মানুহে গোটেই সৌৰজগতক তেঁওৰ

বা তাইৰ ঘৰ হিচাবে গন্য কৰে।

এতিয়া বৃটিশ জ্যোতিৰ্বিৎ সকলে বিচাৰি ওলিয়াইছে যে আমাৰ সৌৰজগতৰ পৰা কোনো এটা গ্ৰহৰ বহিঃপৃষ্ঠৰ পৰা পোহৰ আহে। বেলেগ অৰ্থত আমাৰ জীৱনটো দূৰৰ পৰা কোনো এটা শক্তিৰ দ্বাৰা প্ৰভাবিত হৈ থাকে। প্ৰকৃতপক্ষে, গোটেই বিশ্বব্ৰহ্মাণ্ডটো হ'ল আমাৰ ঘৰ!

এই মাহত জন্মিছিল

সত্যৰ বাবে প্ৰতীকৰ অনুসন্ধানত

মহৎ মুঘলৰ জন্মৰ বাবে, সম্ৰাট সাহ জাহান, আৰু বেগম ম'মতাজে বৰ আনন্দিত হৈছিল। এইটো হৈছিল ১৬১৫ চনৰ ২০ য়ে মাৰ্চ মাহত। প্ৰাসাদটোত উৎসব কৰা হৈছিল।

ৰাজকুমাৰ, দাৰা সুখে এজন উজ্বল বা দীপ্তিমান পুৰুষ হৈ উটিলে। তেঁখেতে সকলোৰে ওচৰত আছিল দয়ালু আৰু বিনীত। কিন্তু যিটো বেচি আছিল, তেঁখেতে অসাধাৰনভাবে সময় বিলাসীতা আৰু খুচিৰে সময় কটাইছিল। তেঁখেতে তেঁখেতৰ বেচিৰ ভাগ সময় কটাইছিল ভাৰতৰ বিখ্যাত ধৰ্মগ্ৰন্থ যেনে বিদাছ আৰু উপনিসদ পড়ি। তেঁখেতে বিদ্বান মানুহসকলক তেঁখেতৰ প্ৰাসাদত মাতিছিল আৰু সিঁহতৰ লগত দৰ্শনশাস্ত্ৰ আৰু আধ্যাত্মিকতাৰ বিষয়ে এক সপ্তাহ ধৰি আলোচনা কৰিছিল।

দাৰা সুখ

তেঁখেতে উপনিষদৰ আৰু গিতাৰ কিছুমান পাৰচিয়ানত অনুবাদ কৰিছিল। তেঁখেতে প্ৰমান কৰি দেখুৱাইছিল যে হিন্দু চিন্তাধাৰা আৰু মুসলমান চিন্তাধাৰাৰ মাজত কোনো পাৰ্থক্য নাই। তেঁখেতে এখন কিতাপ লিখিছিল যাৰ নাম হ'ল সমুদ্ৰ সংগম (দুটা সমুদ্ৰৰ মিলন)

দুৰ্ভাগ্য ক্ৰমত, ৰাজকুমাৰ দাৰায় যেতিয়া কোনো মূল্যবান কামত ব্যসু আছিল, তেঁখেতৰ সৰু ভাই, ওৰংগজেবে তেঁখেতৰ বিৰুদ্ধত এখন বক্তক্ত ষড়যন্ত্ৰৰ কথা কল্পনা কৰিছিল। উৰংগজেবৰ সুযোগ আহে যেতিয়া শাহজাহান অসুস্থ আছিল। দাৰায় এটা যুদ্ধত পৰাস্ত হয়। তেঁখেতে এজন জিয়ান খানৰ ঘৰত আশ্ৰয় লয়, এজন যোনে দাদৰত অভিভাবক আছিল। এবাৰ দাৰায় জিয়ানৰ জীৱনটো ৰক্ষা কৰিছিল। কিন্তু এই বিশ্বাসঘাতক মানুহজনে তেঁখেতৰ ৰক্ষাকাৰীক ঔৰংগজেবৰ হাতত তুলি দিয়ে। ঔৰংগজেবে, তেঁখেতৰ অতি ঘৃননীয় আৰু নিষ্ঠুৰ আবেগপূৰ্ন আগ্ৰহত, তেঁখেতৰ ডাঙৰ ভাইক সমদলৰ যাত্ৰা কৰায়, যোনে সিহাংচনৰ উত্তৰাধিকাৰী আছিল, দিল্লীৰ বাঁটেৰে। দাৰাৰ ১৬৫৯ চনৰ ৩০ আগষ্টত মৃত্যু হয়। তেঁখেতৰ পুত্ৰ, সুলাইমানৰ, ১৬৬২ চনত কাৰাগাৰৰ ভিতৰত মৃত্যু হয়। ঔৰংগজেবে তেঁখেতৰ বেলেগ দুজন ভায়েক, মুৰাব আৰু সুজাক মাৰে।

দাৰা সুখৰ কিছুমান বানী

দেখিবলৈ পোৱা যায় যে ভগবান অকল পাছৰ বা পৰবৰ্তী পৃথিবীত উপলব্ধি কৰিব পাৰে, আৰু এই পৃথিবীত নহয়, কোনো কাৰন নোহোৱাকৈ। তাৰবাবে, যদি তেঁখেতে সৰ্ব শক্তিমান হয়, তেতিয়া, নিশ্চয়ই, তেঁখেতে নিজক সুস্পষ্ট প্ৰকাশ কৰিব পাৰে আৰু যিকোনো বিষয়তে আৰু যিকোনো ঠাইতে আৰু যিকোনো সময়তে অনুভূতি কৰিব পাৰে। এজন যোনে তেঁখেতক ইয়াত (এই পৃথিবীত) উপলব্ধি কৰিব নোৱাৰে, তাৰ বাবে তাত (পাছৰ বা পৰবৰ্তী পৃথিবীত) উপলব্ধি কৰা অসম্ভব।

মোৰ নিজৰ মত অনুযায়ী যি আৰু বেলেগ নহয় বিষ্ণুহে, মোৰ মনটোক মন্দৰা-পাহাড়ৰ দৰে বনাইছে (মন্থন কৰাৰ চিহ্ন) আৰু মোৰ সমাধান আৰু অসমাধান ভগবান আৰু চয়তান (ক্ৰমান্বযে মন্থনপাত্ৰসকল বিপৰীত ফালে) মই অতিমূল্যবান বস্তুৰ জ্ঞান নিষ্কাশন কৰিছিলো, যিবিলাক ভগবান আৰু চয়তান বিলাকে পোৱা নাই যদিও সিঁহতে চৌদ্দটা মূল্যবান বস্তু নিষ্কাচন কৰিছিল সাগৰ মন্থনেৰে।

আৰাধনা আৰু ভগবানৰ জ্ঞানেৰে মই "সমুদ্ৰ সংগম" বা দুটা সমুদ্ৰৰ মিলনক শেষ কৰাৰ শক্তি পাইছিলো।

Statement about Ownership of CHANDAMAMA (Assamese)

Rule 8 (form VI), Newspaper(Central) Rules, 1956

1. Place of Publication	CHANDAMAMA BUILDINGS NSK Salai Chennai-26
2. Periodicity of Publication	MONTHLY 1st of each Calender month
3. Printer's Name Nationality Address	B.VISWANATHA REDDI INDIAN Chandamama Buildings Chennai-26.
4. Publisher's Name Nationality Address	B.VISWANATHA REDDI INDIAN Chandamama Buildings Chennai-26
5. Editor's Name Nationality Address	B.VISWANATHA REDDI INDIAN Chandamama Buildings Chennai-26
6. Name and Address of individuals who own the paper	Chandamama India Ltd., Board of Directors: 1. Vinod Sethi 2. B. Viswanatha Reddi 3. P. Sudhir Rao

*I, **B. Viswanatha Reddi,** hereby declare that the particulars given above are true to the best of my knowledge and belief.*

1st March 2000

B. VISWANATHA REDDI

Signature of the Publisher

বেতাল কথা

ৰাক্ষস ধৰ্ম

দৃঢ়ব্ৰতী ৰাজা বিক্ৰমাদিত্য আগৰ দৰে ঘূৰি আহি বৃক্ষশাখাৰ পৰা ঝুলন্ত শব নমাই নিজৰ কাঁন্দৰ ওপৰত ৰাখি শ্মশানৰ ফালে চলিবলৈ আৰম্ভ কৰে৷ তেতিয়া শবস্থিত বেতাল কৈ ওঠে, “ৰাজন, অপাৰ অপোনাৰ ধৈৰ্য আৰু সহ্যশক্তি। কঠোৰ পৰিশ্ৰমী আপনি। লক্ষ্য পূৰনৰ বাবে আপোনাৰ দৃঢ় সংকল্পৰ প্ৰংশাস নকৰাকৈ থাকিব পৰা নাই। তথাপি এটা সন্দেহ অবিৰত মোক খোঁচা দি আছে। আপোনাৰ গুনাবলীৰ পৰিপুৰক হিচাবে যুক্তিবিচাৰ আৰু কপট দুৰাচাৰী মানুহবোৰক বুজি লোৱাৰ বাবে তীক্ষ্ণ দৃষ্টি কি আপোনাৰ আছে ? কিচুমান মানুহ আছে যি সকলে পৰিস্থিতিৰ

সুযোগ আৰু ভাগ্যৰ সহায়লৈ পৃথিবীৰ মাটিত খাড়া হৈ স্বৰ্গৰ সুখ ভোগ কৰিব বিচাৰে। কিছুমান মানুহ আছে যিসকলে বিচাৰবুদ্ধি, জ্ঞান আৰু অনুভূতি পাহৰি গৈ চৰম সৌভাগ্যৰ দৰজাত গৈ ও সিহঁতৰ - সকলো হেৰাই যাব দিয়ে। আপোনাক ভবিষ্যতৰ সাবধানতাৰ বাবেই দীৰ্ঘবাহু নামেৰে এজন দানবৰ কথা কবলৈ বিচাৰিছো। ইয়াত আপোনাৰ পথ চলিবলৈ ভাগৰ ও দূৰ হব।"

বেতাল তেঁখেতৰ কাহিনী আৰম্ভ কৰে :

বহু বছৰ আগত দাতন ৰাজ্যত এজন বুঢ়া পুৰোহিত আছিল। তেঁখেতৰ নাম অছিল ৰঘব শাস্ত্ৰী। এবাৰ বহুদূৰৰ এটা গাঁওত ওজন ধনী যজমানৰ ঘৰত ধৰ্মানুষ্ঠান কৰিবলৈ গৈছিল। অনুষ্ঠানৰ কাম শেষ হোৱাৰ পাছত প্ৰাপ্ত দক্ষিনাস্বৰূপ বহু মূল্যবান সকলো দ্ৰব্যসামগ্ৰী লৈ ঘূৰি আহি অছিল জংগলৰ পথেৰে, সোনকালে গাঁওত নিজৰ ঘৰত উভতি অহাৰ বাবে। জংগলৰ খোঁজকঢ়া পথত অলপ দূৰ যোৱাৰ পাছত জংগলাকীৰ্ন এটা পাহাড়ৰ কাষ দি যাব লাগে। সেই পাহাড়ৰ গুহাত এটা দানব বাস কৰিছিল। অলপকেইদিন কোনো খাদ্য না পাই ই ক্ষুধাৰ্ত আছিল। দূৰৰ পৰা ৰাঘবশাস্ত্ৰীক দেখা পাই তাৰ খুব আনন্দ হয়। ওচৰত অহা মত্ৰই পাহাড়ৰ ওচৰৰ পৰা হাত বঢ়াই ৰাঘব শাস্ত্ৰীক মুঠ মাৰি ধৰি ওপৰত তুলি কলে," আৰে, অজি কি অনায়াসত খোৱা আহি গল। বৃদ্ধ, বেমাৰি, বিস্বাদ হব, কিন্তু কোনো পৰোয়া নাই। খাবলৈ খুব বেয়া নালগিব এইটো।"

ৰাঘৱ শাস্ত্ৰীৰ মনত এনে হল যেন গঁছৰ উঁখ ডালিৰ মাজত ঝুলি আছে। তল ফালে চাবলৈ গলে ভয়ত কঁাপি উঠে। আৰু সন্মুখত দানবৰ মুখ, দাঁতবিলাক যেন বৰ্শাৰ দৰে। দানব তাক মাৰি পেলাই ভোখ দূৰ কৰিব, তাৰবাবে পুৰোহিত বঁচাৰ উপায় চিন্তা কৰি থাকে। যদি দানবক সন্তুষ্ট কৰিব পাৰে কেনেবাকৈ তেতিয়াহলে তাক এৰি দিব পাৰে। অকনমান চিন্তা কৰি কলে, "হে দানবেন্দ্ৰ, আপোনাক দেখিই কব পাৰি যে আপনি সৰ্বশক্তিমান আৰু অদ্ভুত এক অলৌকিক শক্তিৰ অধিকাৰী। ইমান ওপৰত আপোনাৰ গুহাৰ আগত বহি বহি দীঘল হাতেৰে আপমি মোক ধৰি তুলি ললে। ইমান ধুনীয়া চমৎকাৰ কাম মানুহে নোৱাৰে, দেবতাও নহয়। আপোনাৰ দৰে এজন দানবেন্দ্ৰই এই কাম কৰিবলৈ সম্ভব।"

বৃদ্ধ পুৰোহিতৰ কথা শুনি দানব হাঁহিবলৈ আৰম্ভ কৰে। হাঁহিৰ শব্দত গোটেই জংগল

যেন কঁপিবলৈ ওঠে। "এই, সাধাৰন মানৱ! জন্মম পৰাই মোৰ হাত লম্বা। সেয়া মোৰ নাম দীৰ্ঘবাহু। এয়া চা ....।" এই বুলি কৈ দানব তাৰ আন হাতেৰে দুৰ এটা গাছৰ ডালি ভাঙি তলত পেলাই দিয়ে।

ৰাঘব শাস্ত্ৰীৰ সাহস বাঢ়ে। দানবক কি কব সেইটো এক মুহূৰ্তত চিন্তা কৰি নিৰ্ভয়ত দানবৰ ফালে চাই কলে, "মই বৃদ্ধ, আৰু ত্ৰিকালদৰ্শী জ্যোতিষীও। মোৰ নিজৰ মৃত্যুকাল মই জানো, সোনকালে আগবাঢ়ি আহি আছে। যদি মোৰ এই ক্ষীন দেহ আপোনাৰো উপকাৰত লাগে, যদি অকনমান ভোঁখ মিটাবলৈ পাৰে তেতিয়া হলে মোৰ সৌভাগ্য। সহস্ৰ জন্মৰ পুন্যফলৰ সমান হব। কিন্তু মোৰ ইচ্ছা, মৃত্যুৰ আগত আপনি আপোনাৰ জন্মৰহস্য মোৰ পৰা জানি লওক। তাৰ পাছত মোক ভক্ষন কৰক।"

দীৰ্ঘবাহু এই কথা শুনি আনন্দিত হয়। ৰাঘৱ শাস্ত্ৰীক মাটিৰ ওপৰত নমাই কলে, "বাঃ! মোৰ জন্মৰও ৰহস্য আছে? তেতিয়া হলে সোনকালে ক।" কথাৰ স্বৰত সবুৰ দৰে কৌতূহল।

মহাজ্ঞানী আৰু ত্ৰিকালদৰ্শীৰ দৰে ৰাঘব শাস্ত্ৰী দানবৰ আপাদমস্তক ভালদৰে চায়। তাৰপাছত চকু বন কৰি আকাশৰ ফালে মুখ মেলি চায়। সেইদৰে অলপ সময় মৌন হৈ বহি থকাৰ পাছত কলে, "আপোনাৰ এই জন্মৰ দুই জন্মৰ আগত আপনি আছিল তদা নীম্তন কুন্তল ৰাজ্যৰ মহাৰাজা শূৰসিংহ। আপোনাৰে ৰাজত্ব কালৰ কিমান গাথা আজিও প্ৰসিদ্ধ হৈ আছে। আপনাৰ খ্যাতি কীৰ্তি বহু দূৰ দেশলৈকে বিয়াপি পড়ে। এজন ক্ষিপ্তঃভাবসম্পন্ন ঋষিৰ

অভিশাপৰ ফলত আপোনাৰ এই দানব জন্ম। আজি এই গুহাৰ কঠিন পাষান আপোনাৰ সিংহাচন আৰু প্ৰাসাদ। হিংস্ৰ পশুবিলাকৰ দৰে নৰমাংস ভক্ষন কৰি আছে। সেই মহান কীৰ্তিবান মহাৰাজ শূৰসিংহ আৰু এই কঠোৰ জীবনযাপনকাৰী নিষ্ঠুৰ ৰাক্ষস দীৰ্ঘবাহু - কি বিশাল পাৰ্থক্য! আপোনাৰ এই দুৰবস্থা চাই মোৰ বৰ দুঃখ হৈছে।" ৰাঘবশাস্ত্ৰী মিছা সহানুভূতিৰ ভান কৰে এ নেদৰে যেন তাৰ প্ৰানটো বাচে আৰু নৰমাংস খোৱাৰ প্ৰতি দানবৰ ঘৃণা আহে।

"ওহে মানব! মোৰ বাবে দুঃখ পাবলৈ কোনো দৰকাৰ নাই তোমাৰ। মোৰ মহান পূৰ্ব জীবনৰ কথা জানিবলৈ পালো, এইটোও কি মোৰ পক্ষে কম আনন্দৰ বিষয়? এতিয়া তুমি মোৰ ভৱিষ্যত সম্বন্ধে অলপ কোৱা; আৰু

কোৱা অভিশাসৰ পৰা মুক্তিৰ কোনা উপায় অছে কি নাই। কিমানদিন এই দানবজীৱন লৈ থাকিব লাগিব মোৰ।" দানব নৰসুৰত কলে।

মুখ গম্ভীৰ কৰি মূৰ লৰাই ৰাঘৱশাস্ত্ৰী কলে, "হ্যাঁ, মুক্তিৰ পথ আছে। কিন্তু .... কিন্তু..... যে ঋষি অভিশাপ দিছিল তেখেতেই একমাত্ৰ মুক্তি দিবলৈ পাৰিব। অন্তৰ্দৃষ্টিত দেখিছো, তেঁখেত বৰ্তমান হিমালয়ত তপস্যাৰত। সেয়া, মনে হয় কোনোদিনই শাপমুক্ত হব নোৱাৰে। অবশ্যে আপনি যদি ভাবে তেতিয়া হলে দানবৰূপত ৰাজা হব পৰিবা। ৰজা হলে আপনাৰ দুঃখৰ অন্ত হব। আহাৰৰ বাবে গুহাৰ সন্মুখত বহি কোনো প্ৰানীৰ বাবে অপেক্ষা কৰিব নালাগে। ভাল ভাল আহাৰ পাব, বিভিন্ন সুস্বাদু মদ্য পাব, ৰেশমবস্ত্ৰ আৰু - স্বৰ্নালংকাৰ পাব। আৰু সেবাৰ বাবে অসংখ্য দাস দাসী সদায় তৈৰী থাকিব। ৰাক্ষসৰ হাৰ্তৰ পৰা বাঁচিবলৈ গল্পৰ জাল বুনি চলে।

ৰাঘৱ শাস্ত্ৰীৰ কথা শুনি দীৰ্ঘবাহু দিনত স্বপ্ন দেখিবলৈ আৰম্ভ কৰে, যেন সঁচাকৈ ৰজা হৈ গৈছে। তেতিয়া হলে ৰজাৰ বেলেগ বেলেগ সুখ আনন্দ বিলাসিতা সি নিবিচাৰে, তাৰ একমাত্ৰ চিন্তা নৰমাংস ভোজন। নৰমাংসৰ কথা মনত অহা মাত্ৰই তাৰ দিবাস্বপ্ন ভঙি যায়। পুৰোহিতক কলে তেতিয়া, "খোৱা হিচাবে কি পোৱা যাব? মোৰ তো সদায় অন্তত তিনিজন মানুহৰ প্ৰয়োজন আহাৰৰ বাবে। প্ৰজাবোৰক তো মোৰ এইটো কাম পছন্দ নহয়।"

"এই সমস্যাৰও সমাধান আছে। ৰাজ্যত লোকসংখ্যা ইমান বাঢ়িছে যে সকলোৰে দুইবেলা পেটভৰ্তি খোৱা বস্তু নাপায়। অনাহাৰত কিমান মানুহৰ মৃত্যু হৈ আছে। ভোখত সিহতৰ তো মৰিব লগা হৈছেই, আপনি সিহতক খাদ্য হিচাবে ব্যবহাৰ কৰক বা নকৰক। আপোনাৰ ভোজনৰ বাবে যদি



সিহঁতৰ মৃত্যু হয় তেতিয়া হলে অপনাৰও জীবন বাঁচিব, আৰু সদুদ্দেশ্যে জীবন দিব সিঁহতে। ৰাজ্যৰ লাভ হব যে জনসংখ্যা নিয়ন্ত্রন হব। প্রজা সকলে জানিব, আপনি লোকসংখা সমস্যাৰ সমাধান কৰি চলি আছে। কোনেও বিৰুপ মন্তব্য নকৰে, নাভাবে।" ৰাঘবশাস্ত্রী এনেদৰে কলে যাতে দানব বিশ্বাস কৰে তাৰ মঙ্গলৰ বাবেই এই চিন্তা।

"তেতিয়া হলে এতিয়া যি ৰাজত্ব কৰি আছে সেই ৰজাৰ কি হব?" সন্দেহ ব্যক্তকৰে দানব।

সেই চিন্তা আপোনাক কৰিব নালাগে, মোৰ ওপৰত এৰি দিয়ক। আপনাৰ শক্তিচাই সেই মূহুর্তত সমর্পন কৰি দিব। তেঁখেতক হত্যা কৰি আপনি সহজেই সিংহাচনত বহিব পাৰে৷ কিন্তু তেনেধৰনে মই হবলৈ নিদিও। মই এনে ব্যবস্থা কৰিম যে, ৰজা নিজেই আপোনাৰ হাতত ৰাজসিংহাচন দি দিব মোৰ লগত আপনাৰ ৰাজধানীলৈকে যাব লাগিব।" ৰাঘব শাস্ত্রী প্রাণ বঁচোৱাৰ বাবে তাঁৰ বাককৌশল প্রয়োগ কৰি চলে। তাৰ এঠ কৌশলত কামও হয়। দানব সচাঁকৈ ৰাজ ধানীত যাবলৈ প্রস্তুত হৈ যায়।

ৰাঘব শাস্ত্রীৰ চেষ্টা, যেনেকৈই হোক জীবন বচাঁব লাগিব আৰু জংগলৰ পৰা ওলাই যাব লাগিব। ৰাক্ষস যাক একবাৰ ধৰে তাক কেতিয়াও এৰি নিদিয়ে। ৰাক্ষসৰ হাঁতৰ পৰা বাঁচি যোৱা সম্ভব হোৱা নাই কাৰো পক্ষত কোনোদিন, ৰাক্ষসক জংগলৰ বাহিৰত লৈ যোৱাও এটা দুঃসাধ্য কাম। বাক চাতুর্যৰ জালত ৰাক্ষস জড়িত হৈ পড়ে।

জংগলৰ পথ ধৰি দুয়োজনে চলি অছে, ৰাজধানী পাব লাগিব। ৰাঘৱ শাস্ত্রী ৰাক্ষসৰ লগত ভীত সন্ত্রস্ত হৈ চলি থাকে; জংগলৰ বাহিৰত যিমান সমায়লৈকে আহি নাপায় সেই সময়খিনি সাবধানে চলিব লাগিব। জংগলৰ

গ্ৰাম, নগৰ, শহৰে, তেনেকৈ সিংহ, বাঘ, ভালুক আদি বন্যজন্তু বিলাক বনৰ ভিতৰতই নিৰাপদ থাকে। যদি কেতিয়াও গ্ৰাম বা শহৰত কোনো বন্য জন্তু আহে মানুহে তাক ধৰি বধ কৰে। তেনেদৰে মানুহ বনত গলে হিংস্ৰ জন্তু তাক বধ কৰি আহাৰ কৰে। এই কাৰনে, প্ৰকৃতি যাৰ বাবে যি স্থান নিৰ্ধাৰিত কৰি দিছে সেইঠাইত থকা উচিত। এয়া সৃষ্টিৰ ধৰ্ম।

বনৰ সীমানা পাৰ হৈ অলপদুৰ অহাৰ পাছত দেখা যায় নদীৰ পাৰত অৱস্থিত এক গুৰুকুল আশ্ৰম। তাত তেতিয়া কিছুমান বিদ্যাৰ্থী শাৰীৰ চৰ্চা কৰি আছিল, কিছুমান ছাত্ৰ অসিচাল নাৰ কৌশাল আয়ত্ত কৰি আছিল। অলপ দুৰত উঁখ ঠাইত বহি গুৰুদেব শিষ্য সকলক শৰীৰশিক্ষা আৰু অস্ত্ৰচালনা শিক্ষা মনোযোগেৰে চাই আছিল।

এই দৃশ্য দীৰ্ঘবাহুৰ খুব আশ্চৰ্য লাগে। সি প্ৰশ্ন কৰে, "পন্ডিত, সিহঁতসকলে কি কৰি আছে?"

"এইটো এটা গুৰুৰ আশ্ৰম। ইয়াত ৰাজ্যৰ বিশিষ্ট ব্যক্তি সকলৰ পুত্ৰ আৰু ৰাজকুমাৰ সকলৰ শাস্ত্ৰ আৰু শস্ত্ৰবিদ্যা শিক্ষা দিয়ে গুৰুদেব। মাতা-পিতাৰ দৰে গুৰুদেবও সমান পূজ্য, এই আমাৰ আদৰ্শ। অযোধ্যা, কোশল, অবন্তীপুৰ ৰজাসকল এই গুৰুৰ শিষ্য। যদি তেঁখেতে বিচাৰিলে হয় তেতিয়া হলে সকলো ঠাইত ৰাজত্ব কৰিব পাৰিল হয়।" ৰাঘব শাস্ত্ৰী গুৰুৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি কলে।

"গুৰু ৰজা হৈ সকলোপ্ৰকাৰ সুখভোগ কৰিব পাৰিল হয়, তথাপি কিয়, সন্ন্যাসীৰ দৰে দৰিদ্ৰ জীৱন যাপন কৰি আছে?" দানব আকৌ প্ৰশ্ন কৰে। গুৰুদেব জ্ঞানী, সৰ্বশাস্ত্ৰত

পৰা ওলাই অহামাত্ৰ তাৰ ভয় গুচি যায়। নিৰ্ভয়ত নিশ্চিন্তত চলি থাকে, গুনগুন কৰি গান গাই থাকে তাৰ মুখেৰে।

এই ব্যৱহাৰত দানব আশ্চৰ্য হৈ যায়।

ৰাঘব শাস্ত্ৰীৰ ওচৰত তাৰ এই পুলকৰ কাৰন জানিবলৈ বিচাৰিলে ই হাঁহি কলে, "জংগলত সদাই হিংস্ৰ জন্তুৰ ভয়। হঠাৎ যিকোনো সময়ত যিকোনো ফালৰ পৰা আক্ৰমণ কৰিব পাৰে। জংগলৰ বাহিৰত সিঁহতে নাহে। জংগলৰ সীমনা পাৰ হৈ আহিছো, সেয়া মোৰ ভয়ও গুচি গৈছে।"

"জংগলৰ জন্তুবিলাক কেতিয়াও বাহিৰত নাহে?" সহজভাবে প্ৰশ্ন কৰে ৰাক্ষস।

ৰাঘব শাস্ত্ৰী নীতিবাগিশ জ্ঞানীৰ দৰে হাঁহি হাঁহি কলে, "দানবেন্দ্ৰ ! সাধাৰন ভাবে মাছবিলাক পানীত থাকে। মানুহে বাস কৰে

পণ্ডিত আৰু সকল অস্ত্ৰবিদ্যাত পাৰদৰ্শী, তেঁখেতে ধৰ্মজ্ঞান দান কৰে, ৰাজ্যশাসন তেঁখেতৰ কৰ্ম নহয়। গুৰুৰ ধৰ্ম - কৰ্ম তেঁখেতে পালন কৰি চলিছে।" আগবঢ়ি গৈ ৰাঘব শাস্ত্ৰী কলে । অলপদূৰ চলাৰ পাছত খাঁড়া হৈ আকাশৰ ফালে চাই আকৌ কলে, "সকলো সৃষ্টিচক্ৰ এনেদৰেই টিকি আছে। সূৰ্য, চন্দ্ৰ, বৃষ্টি, বায়ু সকলে নিজ নিজ...."

ৰাঘবশাস্ত্ৰীৰ কথা শুনি শুনি অকস্মাৎ দীৰ্ঘবাহু আগফালে নগৈ পিছফালে জংগলৰ দিশে দৌড় লগায়। পণ্ডিত ৰাঘব শাস্ত্ৰী তাৰ কথা বন্ধ কৰি চিঞৰিবলৈ ধৰে, "ও দানবেন্দ্ৰ! কত গৈ আছে? উভতি আহক।" কিন্তু মুহূৰ্তৰ মাজত দানব অদৃশ্য হৈ যায়।

কহিনী সমাপ্তিৰ পাছত বেতাল প্ৰশ্ন কৰে, "ৰাজন! দীৰ্ঘবাহু ৰজা হোৱাৰ বাসনাত জংগল ত্যাগ কৰি ৰাঘব শাস্ত্ৰীৰ লগত ৰাজধানী গৈ আছিল। কিন্তু গুৰুদেৱৰ কথা শুনি জংগলৰ ফালে উভতি যায় কিয়? তাৰ কি ভয় আছিল যে শস্ত্ৰবিদ্যাৰ্থী সকল আৰু গুৰু তাক হত্যা কৰিব? অথবা, তাৰ মনত সন্দেহ জাগিছিল যে ৰাঘব শাস্ত্ৰী তাৰ প্ৰানৰক্ষাৰ বাবে কপটতা আৰু ছলনাৰ আশ্ৰয় লৈ তাক বধ কৰিব। যদি এইটোৱেই সত্য হয় তেতিয়া হলে দানব কিয় পণ্ডিতক হত্যা কৰি নাখালে। ই কিন্তু তেনে কৰা নাই। মোৰ প্ৰশ্নৰ উত্তৰ জনা সত্তেও যদি তুমি নীৰব থাকা তেতিয়াহলে তোমাৰ মূৰ কাটি চৌচিৰ হৈ যাব।"

মৌনতা ভংগ কৰি বিক্ৰমাদিত্য কলে, "দীৰ্ঘবাহুৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ সময়ত ৰাঘব শাস্ত্ৰী তাৰ আপন বিচাৰবুদ্ধি দি ধৰ্মৰ প্ৰকৃতি বুজাইছিল, ইয়াতেই দানব তাৰ নিজৰ ধৰ্মৰ সংকেত পাই যায়। যেতিয়া ই বুজি পায় যে বন্য জন্তুৰ ধৰ্ম বনৰ ভিতৰত বাস কৰা, মানুহৰ স্বাভাবিক ধৰ্ম গাঁওত, চহৰত, নগৰত বাস কৰা, গুৰুৰ ধৰ্ম শিষ্যক জ্ঞানদান কৰা, ঠিক তেনেকৈ ৰাখসৰ ও ধৰ্ম হোৱা উচিত জংগলত আৰু গুহাভ্যন্তৰত বাস কৰা। ৰজা হোৱাৰ বাসনা পোষন কৰা অৰ্থ ৰাক্ষসধৰ্মৰ বিৰুদ্ধাচৰন কৰা। যেতিয়া নিজ ধৰ্মৰ বোধজ্ঞান তাৰ হৈছে তেতিয়া সি জংগলৰ ভিতৰত গুহাত ঘুৰি আহে।"

ৰজা বিক্ৰমাদিত্যৰ মৌনতা ভংগত সফল হৈ বেতাল শবসহ সেই মুহূৰ্তত অদৃশ্য হৈ যায়।



বুদ্ধি, না মূৰ্খামী

লৰাটোৰ নাম অসীম। বয়স মাত্ৰ আট বছৰ। কিন্তু ইয়াৰ মাজত ইলাপূৰ গাঁওৰ সকলোৱে গম পাই গল অসীমৰ কথা। ইলাপূৰ গাঁওত ই বাস কৰে; পিতা সংকৰ নাৰায়ন। একবাক্যত সকলোৱে স্বীকাৰ কৰে, সংকৰনাৰায়নৰ বালকপুত্ৰ অসীম খুব বুদ্ধিমান। সকলোৱে তাৰ বুদ্ধিৰ প্ৰশংসা কৰে।

কিন্তু.... কিন্তু হঠাৎই সকলোৰ ওচৰত তাৰ ওটা ভাঙৰ মূখমী ধৰা পড়ে। মূখমীৰ বিষায় লৈ সকলোৱে মজা কৰে। ৰূপৰ মুদ্ৰা আৰু তামৰ মুদ্ৰা ই চিনি নাপায়? তাৰবাবে ই মূৰ্খ। এইটো যেতিয়া গাঁওৰ সকলোৰ আলোচ্য বিষয় হৈ ওঠে তেতিয়া সংকৰ নাৰায়নৰ এক অত্মীয় শিবকুমাৰ তেখেতৰ ঘৰত আহে। অসীমৰ বুদ্ধিমত্তাৰ সম্বন্ধে ই শুনিছে; আৰু মূখমীৰ কথাও শুনিছে। তাৰবাবে তাৰ বুদ্ধিৰ পৰীক্ষা কৰে বিভিন্ন প্ৰকাৰে। অসীম তাৰ বুদ্ধিমত্তাৰ পৰিচয় দেয়। কিন্তু ৰূপ আৰু তামৰ মুদ্ৰা চিনি পাবঁলৈ সি মূৰ্খ হয় কেনেকৈ? আত্মীয়জন হাতৰ মাজত এটা ৰূপৰ আৰু আনটো তামৰ মুদ্ৰা লৈ অসীমৰ আগত ধৰি কয়, "এই দুটাৰ মাজত এটা তোমাৰ, তুলি লোৱা এটা।"

অসীম তামৰ মুদ্ৰাটো তুলি লয়। শিবকুমাৰ আশ্চৰ্য হয় ইমান বুদ্ধিমান এজন লৰা, তথাপি নাজানে তাম আৰু ৰূপৰ মাজত কোনটো অধিক মুল্যবান। তেঁখেতে লৰা জনৰ মুৰ্খতা চাই হাঁহে।

পাছৰ দিনা গাঁওত উভতি যায়, অসীম বুদ্ধিমানই নহয়, সি এজন, মূৰ্খ। ৰুপ আৰু তামৰ মুদ্ৰাৰ পাৰ্থক্য বুজি পোৱা নাই, মূল্যবোধ নাই। এইকথা জানিবঁলৈ পাই গাঁওৰ মানুহে প্ৰায় সকলোৱে এজন

এজনকৈ আহি তাৰ পৰীক্ষা লয়। ৰূপ আৰু তামৰ মুদ্ৰা দিলে সি তুলি লয় তামৰ মুদ্ৰাটো। তাৰ মূৰ্খামি চাই সকলোৱে হাঁহে।

এদিনাখান অসীমৰ এজন মামা ৰামলাল আহে। সিঁহতৰ ঘৰত কেইদিনমান থাকে। তেঁখেতেও গাঁওৰ মানুহৰ পৰা ভাগিনৰ বুদ্ধি আৰু মূৰ্খামীৰ বিষয়ে শুনা পায়। স্থিৰ কৰে, ভাগিনৰ পৰীক্ষা তেঁখেতে নিজে একবাৰ কৰিব।ৰূপ আৰু তামৰ দুটা মুদ্ৰা পকেটৰ পৰা ওলাই অসীমৰ সন্মুখত ৰাখি কয়, "দুটাৰ মাজত যিটো তোমাৰ পছন্দ, তুলি লোৱা।" এইবাৰও অসীম তামৰ মুদ্ৰাটো তুলি লয়। ৰামলাল আনৰ দৰে হাঁহা নাই বৰং গম্ভীৰ কন্ঠত কলে, "অসীম, তোমাৰ বুদ্ধি সম্বন্ধে বহুতো কহিনী মই শুনিছো। কিন্তু, তুমি তামৰ মুদ্ৰা কিয় তুলি লোৱা? ৰূপ আৰু তামৰ মূল্যৰ পাৰ্থক্য তুমি নাজানা?"

অসীম মনে মনে হাঁহে, একো নকয়। শেষত মামাৰ চাপত পড়ি আসীম কলে, "মামা, যদি ৰূপৰ মুদ্ৰা তুলি লো হয় তেতিয়া হলে সেইটো এবাৰ সুযোগ আহিল হয়। বাৰে বাৰে মোৰ বুদ্ধিৰ পৰীক্ষা নহ'ল হয়। কিন্তু তামৰ মুদ্ৰা লোৱাৰ বাবে মানুহে বাৰে বাৰে মোৰ পৰীক্ষা লয়। ৰূপৰ শিকি আৰু তামৰ শিকি দুয়োটাৰ সমান দাম। তাৰবাবে মই তামৰ মুদ্ৰা লও, কিমান জমা হৈ গ''ল চোৱা। ৰূপৰ মুদ্ৰা ললে মাত্ৰ এটাই হ'ল হেতেন।"

ভাগিনৰ কথা শুনি তেঁখেতে চিন্তা কৰে, এইটো মূৰ্খামী, নহয় অসীমৰ বুদ্ধিমত্তাৰ পৰিচয়।

চোৰ মুখত হাঁহি

এটা গাঁওত এজন বাকপটু চাপৰ বামুন আছিল। তেঁখেতে হাস্য-পৰিহাস আৰু চটজলদি উত্তৰ দিবলৈ ওস্তাদ আছিল। সেইটোৱেই আছিল তেখেঁতৰ জীবিকা। মানুহে তেঁখেতক বামনভট্ট নামেৰে মাতিছিল।

এদিনাখন দুপৰীয়া সময় বামনভট্ট নিজৰ গাঁওৰ পৰা আন এটা গাঁওত গৈ আছিল। বৰ গৰম, বৰ সূৰ্য্যৰ পোহৰ বিশ্ৰামৰ বাবে এটা গছৰ তলত বহে। হঠাৎ নজৰ পড়ে। দূৰৰ পৰা কোনো এজন মানুহ তেখেঁতৰ ফালে দ্রুত খূজকাড়ি আহি আছে। মানুহ জনৰ ঘন দাড়ি, আৰু কাঁন্ধত এখন কুড়াল। তাৰ চালচলন চাই বামনভট্ট গম পায়, নিশ্চয়ই চোৰ। তাৰবাবে মানুহজন ওচৰত আহিলে বামনভট্ট নিজে বঁচাৰ বাবে তাক শুনাই কলে, "চোৰা, ভগবান কিমান দয়ালু। সূৰ্যৰ উত্তাপ দি আছে, আকৌ তাৰ পৰা ৰক্ষা পোৱাৰ বাবে শীতল ছায়াও দি আছে।"

চোৰ সেইকথা শুনি কলে, "মই জানো তুমি বামনভট্ট, আৰু তোমাৰ বাকচা তুৰ্য্যত মানুহে হাঁহে। কিন্তু মোৰ ওপৰত তোমাৰ ওস্তাদি নহব। এইবিলাক হাঁহি - তমাশাক মই ঘৃণা কৰো। জীৱনত অজিলৈকে কোনওদিন মই হাঁহা নাই। মোৰ দাদু কৈছিল, এইবোৰ হাঁহি - তমাশা বিপত্তি মাতি আনে। আৰু তোমাৰ থলিত যি আছে গোটেইখিনি দি দিয়া।" কৈ চোৰে বামনভট্টৰ হাতৰ পৰা তেঁখেতৰ থলিটো কাঢ়ি লয়।

থলি লৈ গৈ আছিল, কিন্তু আকৌ উভতি আহি কলে, "তোমালোকৰ নিচিনা মানুহবোৰক এৰি দিলে মোকেই হয়তো কেতিয়াবা বিপদত পড়িবলগা হব। ভাল, তোমাৰ মুন্ডটো দেহৰ পৰা বিচ্ছিন্ন কৰি দি জাম।" কৈ চোৰে কুড়াল তোলে।

বামনভট্ট তাক হাত উঠাই থামিবলৈ কৈ নিৰ্ভয়ত কলে, "হাঁ, হাঁ, ভাই, এইবিলাক কি কৰিছা ? মোৰ মুৰ নাকাটিবা। মইতো এনেই চাঁপৰ বামুন। আৰু যদি চাপৰ হৈ যাও তেতিয়া হলে মানুহে মোক দেখা নাপায়, দেখিবলৈ পালেও মোক লৈ তমাশা কৰিব।"

বামনভট্টৰ সহজ এই চটজলদি উত্তৰ শুনি চোৰৰ মুখত হাঁহি আহে। সি হাঁহিবলৈ আৰম্ভ কৰে। তাৰপাছত আকৌ কলে, "যিমানদিন মোৰ জ্ঞান হৈছে। হঁহা নাই কেতিয়াও। কিন্তু আজি তুমি প্ৰথম মোক হঁহালা। সঁচাকৈ উপহাসভৰা চটজলদি উত্তৰ আৰু বাকচাতুৰ্যত তুমি ওস্তাদ। এই লোৱা পুৰস্কাৰ।"

বামনভট্টক তেঁখেতৰ থলি ঘুৰাই দি চোৰে তাৰ নিজৰ ৰাস্তাত আগবাঢ়ি যায়।

স্বৰ্ণ সিংহাচন

(২)

(পূৰ্বৰ ঘটনা : হৈহয় ৰাজবংশৰ কৌন্ডিল্য ৰাজ্যৰ ৰাজাধিপতি পৌৰস্বত দক্ষিনা পথৰ সকলো ৰজ্য জয় কৰি এটা বিশাল সাম্ৰাজ্যৰ প্ৰতিষ্ঠা কৰে। কিন্তু তেঁখেতৰ অযোগ্য উত্তৰাধিকাৰী সকল সাম্ৰাজ্যৰ অখন্ডতা ৰক্ষা কৰিবলৈ নোৱাৰে। দশম ৰজা শ্ৰীদওৰ সময়ত অলপ সামন্ত ৰজাসকলে সিঁহতৰ স্বাধীনতা ঘোষনা কৰে। কৌন্ডিল্য এটা সৰু ৰাজ্যত পৰিনত হয়। আগত যিবিলাক ৰাজ্য কৌন্ডিল্যৰ অধীনত আছিল, সিঁহতেই কৌন্ডিল্য আক্ৰমনৰ ষড়যন্তত লিপ্ত হৈ পড়ে। কৌন্ডিল্যৰ ৰজা শ্ৰীদত্ত পুত্ৰ বিজয়দত্ত সেই সময়ৰ গুৰুকুলত; শিক্ষা সমাপনৰ আগতেই পিতাৰ নিৰ্দেশত ঘুৰি আহে, পিতাৰ ওচৰত সকলো অবগত হয়। ইয়াৰ পাছত...)

পুনৰায় মহাৰাজা আৰম্ভ কৰে, "মৰালভূপতি উপলব্দি কৰে যে, পুত্ৰৰ জিদৰ ফলত সমস্যা আৰো জটিল হৈ উঠিব পাৰে। বুজিব নোৱাৰে নিজ পুত্ৰক কি কব। আকৌ পুত্ৰৰ বিষন্নভাবও দেখিব পৰা নাই। সেই কাৰনে, ৰাজনৈতিক দৃষ্টি কোনৰ পৰা বিষয়টো চাই কালিন্দীৰ ৰজা মাধৱসেনৰ সম্বন্ধে বিস্তাৰিত জানিবলৈ ব্যস্ত হৈ পড়ে।

"গুপ্তচৰবিলাকৰ মাধ্যমত জানিবলৈ পায়, ইন্দুমতীৰ স্বয়ম্বৰ সভাত মাধৱসেনক মতা হ'ল অকল উপচাৰ ৰক্ষাৰ বাবে। ইন্দুমতীক বিয়া কৰাৰ কোনো ইচ্ছা মাধবসেনৰ নাছিল, কিন্তু যেতিয়া তেঁখেতৰ ডিঙিত বৰমাল্য পিন্ধায় তেতিয়া বিয়া কৰিবলগা হয়। বিয়াৰ আগত কালিন্দী আৰু কৌন্ডিল্য ৰাজ্য দুটাৰ মাজত কোনো সম্বন্ধ নাছিল। ইন্দুমতীৰ মৃত্যুৰ পাছত মাধৱসেন আন এজনী ৰাজকুমাৰী বসুমতীক বিয়া কৰালে এই দুয়ো ৰাজ্যৰ সম্বন্ধ বিচ্ছিন্ন হৈ যায়। ঐশ্বৰ্য আৰু বিশাল সাম্ৰাজ্য গড়াৰ উচ্চাকাঙ্ক্ষা সম্বন্ধে জানিবলৈ পায়।

লক্ষ্মী গায়ত্ৰী

"মাধবসেনৰ উচ্চাকাংখাৰ যি দুৰ্বলতা তাৰ সুযোগ লৈ মৰালভূপতি এটা পৰিকল্পনা কৰে। মাঘ মাহৰ শুক্লাসপ্তমীৰ দিনা কুলদেবতাৰ ৰথযাত্ৰানুষ্ঠানত যোগ দিবলৈ মাধবসেনক বিশিষ্ট অতিথি হিচাবে উপস্থিত থকাৰ বাবে বিশেষ ভাবে অনুৰোধ জনায়।

"আগত চম্পকৰাজ্যৰ পৰা মাধব সেনক কেতিয়াও আমন্ত্ৰন জানোৱা হোৱা নাই। তোৰবাবে এই আমন্ত্ৰনত মাধবসেন অশ্চৰ্য হৈ যায়। কিন্তু দেবপুজাৰ অনুষ্ঠান, তাৰবাবে মাধবসেন সপৰিবাৰে উপস্থিত হয় তাত।

"প্ৰতি বছৰ মাঘ মাহৰ শুক্লাসপ্তমীৰ, দিনত সেই ৰথযাত্ৰানুষ্ঠান মহা ধুমধাম কৰি হৈ থাকে। বংশৰীতি অনুসাৰে সেই দিনাখন প্ৰভাতত সূৰ্যদেবৰ স্বৰ্ন প্ৰতিমা এখন বিশাল সুসজ্জিত ৰথত বহুৱা হয়। ৰাজা, যুবৰাজ আৰু ৰাজপৰিবাৰৰ বেলেগ পাঁচ প্ৰধান সদস্য সেই ৰথ টানি লৈ নগৰৰ প্ৰধান প্ৰধান পথত ৰথ - পৰিক্ৰমা কৰে।

"এই বছৰত ও উৎসবৰ অয়োজন হৈছে। এখন বিশাল সুসজ্জিত ৰথত সূৰ্যদেবৰ স্বৰ্নপ্ৰতিমা প্ৰতিষ্ঠিত আৰু সাতজনৰ বাবে সাতটা ৰচিৰথৰ লগত আছে। উৎসবৰ প্ৰাৰম্ভত চম্পক ৰাজ্যৰ ৰজা মৰাল কালিন্দীৰাজ মাধবসেনক সিহঁতৰ বিশিষ্ট অতিথি হিচাবে ঘোষনা কৰে। ৰাজপ্ৰতিনিৰ্ধি ৰুপত যি সাতজন ৰথ টানি লৈ যাব সিহঁতৰ এজন মাধৱসেন আৰু কয় যে, সিঁহতৰ আতিথ্যস্বীকাৰ আৰু ৰথযাত্ৰা উৎসবত সক্ৰিয় অংশ লোৱাৰ বাবে সিঁহতৰ ৰাজ পৰিবাৰক গীৰবান্বিত কৰি তুলিছে। যদিও সিঁহতৰ বংশৰ ৰীতি অনুসাৰে ৰাজপৰিবাৰৰ সদস্যসকলেই কেবলমাত্ৰ ৰথৰ ৰচি টানি থাকে, সিঁহতৰ ৰাজপৰিবাৰৰ প্ৰধান অতিথি অংশ লোৱাৰ বাবে অধিক মহত্তপূৰ্ণ হৈ উঠিছে। শাস্ত্ৰানুযায়ী অতিথি দেবতুল্য। সুতৰাং অতিথি ৰাজপৰিবাৰৰ সদস্যৰ তুলনাত অধিক সম্পানীয়। কালিন্দীৰাজ মাধবসেনক অনুৰোধ জানায়, ৰথ টানিবলৈ যেন তেঁখেতে সৰ্বপ্ৰথম ৰথৰ আগত আহি খাড়া হয়।

"ৰথ টনাৰ বাবে মৰালভূপতি নিজে মাধবসেনৰ ককালত ৰচি বাঁন্ধি দিয়ে। ৰথযাত্ৰাৰ শেষত অতিথিৰ সম্পানত এটা বিশেষ ভোজৰ আয়োজন হয়। মৰালৰ কাষৰ পৰা ইমান সন্মান পাই মাধবসেন খুব খুশি হয়, তেঁখেতৰ অন্তৰ কৃতজ্ঞতাত ভৰি ওঠে। বেলেগ অতিথিসকলৰ আগত ইমান প্ৰশংসা আৰু সম্পান পোৱাৰ

বাবে তেঁখেতৰ কৃতজ্ঞতা প্ৰকাশ কৰে। কিন্তু কৃতজ্ঞতা প্ৰকাশ কৰাৰ সময়ত মাধৱসেনৰ মনত হয় যেন তেঁখেতৰ কৃতজ্ঞতা প্ৰকাশক যেন মৰাল কোনো মূল্যই দিয়া নাই।

ইয়াৰ বাবে মাধৱসেন এটা ধাক্কা খায়। পাছত যেতেয়া দুজনে একান্ত মনত মিলিত হয় তেতিয়া মাধবসেন মৰালক কলে, ৰাজন, ভোজন সমাপ্তিৰ পাছত আপোনাৰ আতিথ্যৰ প্ৰতি যেতিয়া কৃতজ্ঞতা প্ৰকাশ কৰি অছিলো তেতিয়া আপোনাক অন্যমনস্ক যেন লাগিছিল। মোৰ কথা আপোনাৰ মনত কোনো ব্যাঘাত সৃষ্টি কৰা নাই তো?

"মৰালভূপতি আশ্চৰ্য হৈ কলে, "কিকৈছে আপোনি? এনেকুৱা একো নহয়। আপোনি আমাৰ পূজনীয় অতিথি। অতিথিৰ প্ৰতি এনেকুৱা ধৃষ্টতা কেতিয়াও কৰিব নোৱাৰি? প্ৰকৃতপক্ষে সেই সময়ত মই বেলেগ কথা আপোনাক কবলৈ বিচাৰিছিলো, হয়তো তাৰবাবে আপোনাৰ মনত তেনে ভাবনা আহিছে।"

"মাধবসেন তেতিয়া কৃতজ্ঞ হৈ কলে, "আপোনি কি কব বিচাৰিছিলে নিঃসংকোচ হৈ কওক।"

"সেই সময়ত যি চিন্তা কৰি আছিলো সেইবোৰ কব পৰা নাই। দ্বিধা হয়, হয়তো মোৰ ইচ্ছা পুৰন কৰিব নোৱাৰিলে আপোনাৰ কষ্ট হব, কাৰন সচাঁকৈ, সেইটো আপোনাৰ যোগ্য কাম নহয়। আপোনাৰ পক্ষে সামান্য কাম হলেও আমাৰ ৰাজ পৰিবাৰৰ পক্ষে সেয়া অত্যন্ত সৌভাগ্যজনক। মোৰ কথা ৰক্ষা কৰিব নোৱাৰিলে হয়তো আপোনাৰ সংকোচ হব যে, আপোনাৰ প্ৰতি এই ৰাজ্য ইমান সম্মান

আতিথেয়তা প্ৰদৰ্শন কৰিলে অথচ আপোনি সামান্য এটা কথা ৰাখিব নোৱাৰিলে." মৰালভূপতি মাধবসেনক তেঁখেতৰ বাকচাতুৰ্যত পাহৰাৰ চেষ্টা কৰে।

"আপোনি কঁওক কি কব বিচাৰিছে।" মাধবসেন হাঁহিমুখে কলে।

"সংকোচ প্ৰকাশা কৰি মৰালভূপতি কবলৈ আৰম্ভ কৰে : কথা হল ... যিদিনাখন আপোনাৰ কন্যাৰ ৰূপগুনৰ বিষয়ে মোৰ পুত্ৰ জানিবলৈ পাইছে, সেইদিনাখন সি প্ৰতিজ্ঞা কৰে যে তাইকই বিয়া কৰাব। মই তাক বুজাবলৈ চেষ্টা কৰো যে, কৌণ্ডিল্য ৰাজ্যৰ ৰাজকুমাৰ বিয়াৰ যোগ্য হৈ উঠিছে আৰু তাৰ লগত আপোনাৰ কন্যাৰ বিয়াৰ কথা হৈ আছে।

"মোৰ পুত্ৰ কলে যে, কৌণ্ডিল্য ৰাজ্য কোনো এসময়ত এক বিশাল সাম্ৰাজ্য আছিল,

এতিয়া আৰু কালিন্দি ৰাজ্যৰ দৰে অনুৰূপ প্ৰভাব নাই। অযোগ্য অসমৰ্থ শাসকৰ শাসনত কৌণ্ডিল্য ৰাজ্যৰ শক্তি ক্ষীন হৈ পড়ে। তাৰ বাবে সেই যুবৰাজ কেতিয়াও গুনবতী অৰু ৰূপৱতী শ্ৰীলেখাৰ যোগ্য স্বামী হব নোৱাৰে ৰুপ আৰু সৌন্দৰ্য্যৰ অধিকাৰ পাব পাৰে আৰু ৰক্ষা কৰিব পাৰে কোনো বীৰ যুবা। যিদিনা শ্ৰীলেখা তাক বৰন কৰি লব, সেইদিনা সাম্ৰাজ্যবিস্তাৰত সি নামিব আৰু দক্ষিনাপথৰ সকলো ৰাজ্য জয় কৰি শ্ৰীলেখাক সেই বিশাল সাম্ৰাজ্যৰ মহাৰানীৰ আসনত বহাব। অকল এয়াই নহয়, তাৰ পুত্ৰহীন পিতাক সি পুত্ৰৰ দৰে শ্ৰদ্ধাৰ আসনত বহাব, ভালপাব। কৌণ্ডিল্য ৰাজ্য জয় কৰি সেই ঠাইখিনিৰ ঐশ্বৰ্যৰ অৰ্ধাংশ সি আপোনাৰ চৰনত অৰ্পন কৰিব।

"ইমান খিনি কোৱাৰ পাছত মৰালভূপতি

মনে মনে থাকে, মাধবসেনৰ ফালে অপলক দৃষ্টিত চাই থাকে তেঁখেতৰ মনৰ প্ৰতিক্ৰিয়া বুজিবলৈ।

"মাধবসেন ভাবিব পাৰা নাই যে মৰালভূপতিৰ মনত এনেধৰনৰ বাসনা লুকাই আছিল। এই প্ৰস্তাব শুনি তেঁখেতে স্তম্ভিত হৈ উঠে। চিন্তা কৰি থাকে, বুজিবলৈ চেষ্টা কৰে এই প্ৰস্তাবত সম্মত হলে তেঁখেতৰ লাভ কিমানখিনি হ'ব। কৌণ্ডিল্য ৰাজ্যৰ অপাৰ ঐশ্বৰ্য্যৰ কথা তেঁখেতে ভালদৰে জানিছিল। দিনে দিনে যি কৌণ্ডিল্য ৰাজ্যৰ অবনতি হৈ আছে সেয়াও জানে, তাৰবাবে নিজৰ ভবিষ্যতৰ কথা, অকাংখা পূৰনৰ কথা চিন্তা কৰে।

"দুজনৰ মাজত বহুসময় ধৰি দীৰ্ঘ আলোচনা চলে। শেষত, মৰালভূপতি তেঁখেতৰ বাকচাতুৰীত মাধবসেনক নিজৰ ফালে টানি অনিবলৈ পাৰে, কৌণ্ডিল্য ৰাজ্য আক্ৰমনৰ ষড়যন্ত্ৰ যুক্ত কৰিব পাৰে সিঁহতৰ দুয়োজনে যেতিয়া বুজাবুজি লৈ টনাটনি চলি আছিল তেতিয়া গুৰুকুলত তোমাৰ শিক্ষা সমাপন হবলৈ অৰ্ধ বছৰ বাকি। শিক্ষা সমাপ্তিৰ আৰু এমাহৰ পাছত নবৰাত্ৰি অনুষ্ঠান হৈ যোৱাৰ পাছত তোমাৰ গুৰু কৃষ্ণচন্দ্ৰ তোমাক ঘৰত পঠালেহেতেন। এইখবৰ ও মৰালভূপতি জনিবলৈ পায়। গুৰুকুলৰ পৰা প্ৰত্যাবৰ্তনৰ আগতেই সি তাৰবাবেই আমাৰ ৰাজ্য আক্ৰমনৰ পৰিকল্পনা কৰি

আছে।

"প্ৰতি বছৰ আষাঢ় মাহৰ উৎসবৰ সময়ত মাধৱসেন আমাৰ ৰাজ্যত আছে। এই বছৰতও নিশ্চয়ই আহিব, তেতিয়াহেল উদ্দেশ্য হব ভিন্ন। ষড়যন্ত্ৰৰ অংশ হিচাবে সি গোপনত সংবাদ সংগ্ৰহত সচেষ্ট থাকিব, বিশেষত আমাৰ সৈন্যবল বিষয়ে সঠিক ধাৰনা পোৱাৰ চেষ্টা কৰিব। বহাগ অৰু জৈষ্ঠ মাহত কালিন্দী, চম্পক আৰু কুন্দ ৰাজ্যৰ সম্পিলিত সৈন্যবাহিনীক এঠাইত একেলগে প্ৰশিক্ষন দিব। আষাঢ় মাহত গৰমৰ প্ৰভাব কমে। আকাশত মেঘ আহি একেলগ হয়, ফলত বৰষুন আহে। এই বাৰিষা ঋতুত সন্যসকলৰ গতিবিধি জনাৰ উপযুক্ত মাহ। এই মাহতেই তিনিওটা ৰাজ্যৰ মিলিত কাহিনী লৈ কৌন্ডিল্য ৰাজ্য পৰিবেষ্টন কৰিব। এই আছিল সিঁহতৰ পৰিকল্পনা।

"আজিই জৈষ্ঠমাহৰ শুক্লা একাদশী। পৰিকল্পনাত এতিয়া তেঁখেতও ৰাজ্যৰ সেনাবাহিনী যুদ্ধৰ প্ৰস্তুতিৰ বাবে ব্যস্ত। কেইদিনমানৰ মাজত আমাৰ জন্মভূমি ৰ নক্ষেএত পৰিনত হৈ উঠিব। সেই কাৰনেই তোমাক অকস্মাৎ মাতি অনিছো। মই সকলো নিয়তিৰ হাতত এৰি দিছিলো, কিন্তু ৰাজগুৰু মোৰ মাজত নতুন আশা আৰু উৎসাহ আনি দিছে।

"ষড়যন্ত্ৰৰ কথা গুপ্তচৰসকলৰ মাধ্যমত মই জনামাত্ৰ তোমাৰ ভবিষ্যত লৈ মই চিন্তিত হও। তোমাৰ জন্ম পত্ৰিকা গুৰুদেবক দেখুৱাই তোমাৰ ভবিষ্যৎ সম্বন্ধে জানিব বিচাৰো। তেঁখেতে যত্ন সহকাৰে সেইটো চায় কিন্তু মোক একো কোৱা নাই। তেঁখেতে গভীৰ ধ্যানত মুহূৰ্তৰ পাছতেই ডুবি যায়।

"তেঁখেতৰ অন্তৰ্দৃষ্টিত তেঁখেতে দেখিবলৈ পায় এটা উদীয়মান সূৰ্য, তীব্ৰগতিত চলমান নাগৰাজ উজ্বল স্বৰ্নভান্ডাৰ আৰু ছজনী সুন্দৰী কন্যাৰ আবিৰ্ভাব। - ইয়াৰ ব্যাখ্যাত তেঁখেতে কয়, তোমাৰ ঠিকুজি অতি বিচিত্ৰ। যৰ্তমান সমস্যাত সেইটো কুন্ডলিত হৈ আছে। জীৱনটোও সংকটাপন্ন। কিন্তু বলশালী গ্ৰহবিলাকৰ সমৰ্থনৰ ফলত বিজয় আহিব। কিন্তু পূৰ্নিমাৰ আগত তোমাৰ ইয়াত আহি থকা আবশ্যক। জন্মপত্ৰিকা অনুযায়ী শীঘ্ৰই ঐশ্বৰ্যপ্ৰাপ্তি নহব। নগৰৰ পূৰ্বদিশৰ বিস্তৃত ময়দানৰ কোনটো ঠাইত তেঁখেতে খনন কৰিব কৈছিলে। অবশ্য স্থানটো গুৰুদেব স্বয়ং নিৰ্বাচন কৰি দিব।

"তাৰবাবেই তোমাক মাতি আনিছো, তুমিও আহি গৈছা। হয়তো তেঁখেতে পূৰ্নিমাৰ,



দিনতেই খননকাৰ্যৰ সুচনা কৰাৰ নিৰ্দেশ দিব।"

শ্ৰীদত্ত পুত্ৰৰ কাষত সকলো বিবৰন দি এটা দীৰ্ঘশ্বাস ত্যাগ কৰে। কিন্তু পিতা! যেতিয়া আমাৰ মূৰৰ ওপৰত যুদ্ধৰ মেঘ ঘনীভূত হৈ আছে আৰু শত্ৰু সকলে আক্ৰমনৰ চেষ্টা চলাইছে তেতিয়া ঐশ্বৰ্য প্ৰাপ্তিৰ বাবে মনোনিবেশ কৰা কি বুদ্ধিমানৰ কাম হব?" বিজয় সন্দেহ প্ৰকাশ কৰি কলে।

"গুৰুদেৱৰ ওচৰত মই এইকথা প্ৰকাশ কৰিছিলো। কিন্তু তেঁখেতে জোৰ দি কৈছে, কোনো পৰিস্থিতিতেই এই খনন কাৰ্য স্থগিত ৰখা উচিত নহয়। তেঁখেতৰ বিশ্বাস, ইয়াতেই আমাৰ সাৰ্বিক কল্যান হব। তেঁখেতৰ মতে এই কাম সম্পন্ন হবলৈ তিনদিন সময় লাগিব। মই স্থিৰ কৰিছো গুৰুৰ আদেশানুসাৰে কাৰ্য কৰিম।" শ্ৰীদত্ত ৰাজকুমাৰ বিজয়ৰ সন্দেহ নিৰসন কৰি কলে।

পিতাৰ উত্তৰত বিজয়দত্ত সন্তুষ্টি প্ৰকাশ কৰি কলে, "ধৰ্ম, ন্যায় আৰু সত্যৰ ওপৰত নিৰ্ভৰ কৰিহে আমি জন্মভূমি ৰক্ষাৰ বাবে যথাশক্তি প্ৰয়োগ কৰিম আৰু এই বিশ্বাস লৈ আগবাঢ়ি যাম যে সত্যৰ জয় অবশ্যেই হব। জন্মভূমি ৰক্ষাৰ বাবে প্ৰান গলেও পশ্চাদপসৰন নকৰো।"

পুত্ৰৰ কথাত শ্ৰীদত্তক আনন্দ দিয়ে। সকলো পৰিস্থিতিৰ সূক্ষ্মবিচাৰ বা পৰ্যালোচনা কৰিহে সি কৈছে। বিজয়দত্ত যিদৰে ধৈৰ্যসহকাৰে গভীৰ মনোযোগ দি ইমানখিনি শুনিছে, যি আত্মবিশ্বাস লৈ আসন্ন বিপদৰ মুখামুখি হোৱাৰ বাবে দৃঢ়তা প্ৰকাশ কৰিছে, অপল ভীতি তাক যি স্পৰ্শা কৰা নাই বা তাৰ বিৰূপ প্ৰতিক্ৰিয়াৰ প্ৰকাশ যি ঘটা নাই এইবোৰ এজন মহান সম্ৰাটৰ যোগ্যতাৰ পৰিচয়। শ্ৰীদত্ত মনে মনে পুত্ৰৰ উতম

আৰু সঠিক শিক্ষা প্ৰাপ্তিৰ বাবে শিক্ষা গুৰু কৃষ্ণচন্দ্ৰৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

দ্বাৰপালৰা আহি জনায় যে, এজন যুৱক মহাৰাজৰ লগত সেই মুহূৰ্তত সাক্ষাত কৰিব বিচাৰে, কৈছে অকল, "লক্ষ্মীদেবীৰ পত্ৰ আহি গৈছে।"

যুবকক ভিতৰত লৈ অহাৰ আদেশ দিয়ে মহাৰাজ শ্ৰীদত্ত মহাৰাজৰ কাষত তেতিয়া পুত্ৰ বিজয়দত্ত বহে। যুৱক ভিতৰত আহি তেঁখেতক দেখি অলপ থমকি যায়। বিজয়দত্ত ও যুবকক তীক্ষ্ণদৃষ্টিত দেখি চিনিবলৈ পায়, পিতাক কৈ ওঠে, "পিতা, লক্ষ্মীদেবীৰ পত্ৰবাহক এই যুবক বেলেগ কোনোও নহয়, স্বয়ং শ্ৰীলেখা।"

মহাৰাজ অগবঢ়ি গৈ তেঁখেতৰ নিজা ধৰ্মভগ্নীৰ কন্যা আৰু ভাবী পুত্ৰবধূক সস্নেহত জড়াই ধৰি কলে, "সকলো কুশল তোমা! তুমি অকলে, এই বেশত!"

"বিৰুদ্ধ পৰিস্থিতিৰ মাজত বেলেগ উপায় নেদেখি মা তেঁখেতৰ কন্যাক আপোনাৰ শৰ নাৰ্থী কৰি পঠিয়াইছে। তাইক ৰক্ষা কৰাৰ দায়িত্ব এতিয়া আপোনাৰ। মানব ধৰ্ম আৰু সামাজিক ধৰ্ম অনুসাৰে এই যুবতী আপোনাৰ কন্যা আৰু আপোনাৰ পুত্ৰবধূ।" তাৰ চকুৰ পৰা চকুপানী ওলাই আহে।

শ্ৰীলেখাৰ কথা শুনি শ্ৰীদত্ত বিহবল হৈ পড়ে। নিশ্চয়ই কোনো আসন্ন নিশ্চিত সংকটৰ কাৰনত বসুমতী এইধৰনৰ এটা গুৰুত্বপূৰ্ন পদক্ষেপ লবলৈ বাধ্য হৈছে।

তেঁখেতে শ্ৰীলেখাক তথাপি অশ্বস্ত কৰি কয়, "কন্যা, মায় তোমাক সঠিক স্থানত পঠিয়াইছে। প্ৰকৃতপক্ষে এইটোৱেই তোমাৰ গৃহ, ইয়াতেই তোমাৰ অধিকাৰ।"



ঘটনাৰ বিষয় চিন্তা কৰি পুত্ৰক শ্ৰীদত্ত কলে, "যাৰ বাবে আমাৰ বহুতো শক্তি আৰু কৌশল প্ৰয়োগ কৰিবলগা হল হেতেন, সেয়া সহজেই হৈ গল। শ্ৰীলেখাৰ এই আগমন তোমাৰ বাবে শুভ সংকেত অবশ্যই। ক্ষত্ৰিয় সকলৰ বাবে গান্ধৰ্ববিবাহ শাস্ত্ৰ সম্মত। বৰ্তমান পৰিস্থিতিত ইয়াৰ অতিৰিক্ত কৰা আমাৰ সম্ভৱ নহয়। যি দৰে গতিপ্ৰবাহ চলিছে তাত কোৱা সম্ভৱ নহয় যে অহাকালি কি ঘটিব। মই পিতা হৈ তোমালোকক অনুমতি দিছো, তোমালোক গান্ধৰ্ব ৰীতিত বিবাহবন্ধনত মিলিত হোৱা।"

পুনৰায় শ্ৰীলেখাৰ ফালে চাই সুধিলে, "কন্যা, তোমাৰ কি মত?"

মহাৰাজ শ্ৰীদত্তৰ কথা সুনি শ্ৰীলেখাৰ সংশয়পূৰ্ন চেহেৰাত যেন বিদ্যুতৰ দৰে খুশিৰ জোয়াৰ ওঠে। সেই প্ৰতিকূল পৰিস্থিতিত তাইৰ অন্তৰ যেন নিৰাশাত নিষ্প্ৰান হৈ উঠিছিল, মনে হয় যেন তাত প্ৰান ঘুৰি আহে। তাই বিশ্বাস কৰিব পৰা নাই ইমান সহজে সমস্যাৰ সমাধান হৈ যাব, ইমান সহজে তাই নিজৰ গৃহত ঘুৰি যাব পাৰিব। মুহূৰ্তৰ মাজত যেন সকলো ঘটি গল। তাই এবাৰ বিজয়দত্তৰ পিনে চায়, তাৰপাছতেই মুখখন তল কৰি লয়।

বিজয়দত্ত ও পিতাৰ মুখত চাই দেখে। তাৰ দৃষ্টিত আছে আসন্ন আৰু সম্ভাব্য বিপদৰ ভাবনা, আকৌ বৰ্তমানৰ এই খুশি আৰু আনন্দৰ তৰংগ।" আপোনাৰ যেনে ইচ্ছা", তাৰ মুখেৰে অনায়াসত শব্দবিলাক উচ্চাৰিত হৈ ওঠে।

পুত্ৰৰ সম্মতিত মহাৰাজ আনন্দত বিভোৰ হৈ কলে, "শুভস্য শীঘ্ৰম। গান্ধৰ্ব ৰীতি অনুযায়ী বিয়াৰ শুভক্ষান তেতিয়াই যেতিয়া দুয়োজনৰ মত একে হয়, সংকল্পশক্তিদৃঢ় হয়।" তাৰপাছত মহাৰাজ শ্ৰীলেখাৰ হাতটো লৈ বিজয়দত্তৰ হাতৰ মাজত দিয়ে। বিয়া সম্পন্ন হোৱাৰ পাছত দুয়োজনে মহাৰাজ শ্ৰীদত্তৰ চৰনস্পৰ্শ কৰি প্ৰনাম কৰে, তেঁখেতৰ আশীৰ্বাদ গ্ৰহন কৰে।

পণ্ডিত মাতৃভাষা পাহৰা নাই

কমলাপুৰৰ এজন মানুহেও পাঠশালাৰ চেহাৰা দেখা নাই; সুতৰাং কাশীত গৈ শাস্ত্র অধ্যয়নৰ প্ৰশ্ন নুঠে। কিন্তু জীৱনকুমাৰ এই অসম্ভৱক সম্ভৱ কৰিছে। কমলাপুৰৰ প্ৰতিবেশী ভোগপুৰত তাৰ বাষ, কমলাপুৰত তাৰ মমায়েকৰ ঘৰ। সি মমায়েকৰ ঘৰত আহিব বুলি কথাটো জনাজনি হৈ যায়।

কাশীৰ পৰা শিক্ষা প্ৰাপ্ত পণ্ডিতৰ সাক্ষাৎ পোৱাৰ বাবে মানুহে আশা কৰি আছে। যিদিনা অহাৰ কথা, সেইদিনটো সাপ্তাহিক বজাৰৰ দিন। কমলাপুৰৰ প্ৰধান পথক কেন্দ্ৰ কৰি বজাৰ বহে। শাকপাচলী, মাটিৰ বাচন, মিঠাই, ভেড়া-ছাগলী আৰও কিমান কি বেচাকেনা হয়। ৰাতিপুৱাৰ পৰা মানুহৰ

অহাযোৱা, হট্টগোল। তাৰ মাজত নব্যপণ্ডিতৰ অহাৰ সংবাদ পাই মানুহে আৰুও গৰম।

গোটেই দিনৰ শেষত সূৰ্যাস্তৰ অলপ আগত মানুহে দেখা পায়। সি আহি আছে। পিন্ধি আছে পাতল হালদীয়া ৰঙৰ ধুতি, আৰু গেৰুয়া ৰঙৰ চোলা। মূৰত পাগড়ি, পাগড়িৰ তলত কানৰ কাষৰ পৰা। দাড়ি, গালচিবুক ভৰ্তি। চাই যেন লগিছে, পণ্ডিত নহয়। এক নতুন জোৱাইৰ বেশ।

মানুহে হাতজোড় কৰি মূৰ তল কৰি নমস্কাৰ জনায়, অৰুও সি ও তেঁওৰ সোঁ হাত খনাই মূৰত হাত ৰাখি হাঁহিমুখত আশীৰ্বাদ কৰে। তাৰ লগত সংস্কৃত ভাষাত কিবা উচ্চাৰন কৰে যাৰ অৰ্থ কোনেও বুজি নাপায়। মানুহে তাক যথেষ্ট সন্মান জনায়, কাৰন তাৰ ব্যৱহাৰত যেন তাৰ পাণ্ডিত্য ঝিলিক দি উঠিছে। এজন কাশীৰ পৰা ঘুৰি অহা পণ্ডিতৰ সাক্ষাৎ পোৱা, পৰিচিত হোৱা বা তাৰ লগত কথা কোৱা বিশেষ ভাগ্যৰ কথা।

গাঁওৰ মানুহৰ লগত কথা কোৱাৰ সময়ত জীৱনকুমাৰ অকল সংস্কৃত ব্যৱহাৰ কৰি আছে, তাৰ বাবে সহজ সৰল মানুহবোৰে বুজি পোৱা নাই, কি কব উত্তৰত বা কি কৰিব। মনে মনে থাকে। গাঁওৰ এজন মানুহে সাহস কৰি কয়, গাঁওৰ মানুহে কোনেও লিখাপঢ়া শিখানাই, যদি যুৱাপণ্ডিত কৃপা কৰি গাঁওৰ ভাষত কথা কয় তেতিয়া হলে সিঁহতে হয়তো বুজি পাব।

নব্যপণ্ডিত সন্মত হৈ গাঁওৰ ভাষাতেই কথা আৰম্ভ কৰে। কিন্তু তাৰ কথা কোৱাৰ ধৰন আৰু শব্দৰ ব্যৱহাৰ ইমান কঠিন যে গাঁওৰ মানুহে সেইখিনিও বুজি পোৱা নাই। দীৰ্ঘ কিছু বছৰ পণ্ডিতসকলৰ সান্নিধ্যত থকাৰ ফলত সাধাৰন মানুহৰ কথ্যভাষা কোৱা তাৰ বাবে কঠিন হৈ পড়ে।

গাঁওৰ মানুহৰ মনত প্ৰশ্ন জাগে, দশ বছৰ দীৰ্ঘ হোৱা সত্বেও কোনেও কি নিজ মাতৃভাষা একেবাৰে পাহৰি যাব পাৰে?

যিস্থানত খাড়া হৈ যুবাপণ্ডিত কথা কৈ আছিল, তাৰ অনতিদূৰত কিছুমান মানুহ খাড়া হৈ দুটা ভেড়াৰ লড়াই চাই আছিল আনন্দত মশগুল হৈ। হঠাৎ দুটা ভেড়াৰ মাজত এটাই নব্যপণ্ডিতৰ প্ৰতি আকৰ্ষিত হৈ পড়ে, হয়তো তেঁখেতৰ জম কোলা ৰঙৰ পোচাক দেখি। আন ভেড়াৰ লগত লড়াই অপেক্ষা পণ্ডিতৰ লগত খেলা মনে হয় ইয়াৰ পছন্দ।

ভেড়াটো ছুটি তাৰ দিশে আগবাঢ়ি আহে; আক্ৰমনৰ বাবে মূৰটো ঝুঁকাই দিয়ে তলৰ ফালে। সোঁ হাত দি মুৰত হাত ৰাখি আশীৰ্বাদ কৰিবলৈ পণ্ডিত অভ্যস্ত - অভ্যাস অনুযায়ী তাৰবাবে সোঁ হাতটো তোলে। নব্যপণ্ডিতক সাবধান কৰি দি বহুতে চিঁওৰি ওঠে আতৰি যোৱাৰ বাবে, কিন্তু পণ্ডিত কান দিয়া নাই। ব্যস, চকুৰ পলকত অলপ খাঁড়া হৈ ভেড়াটো জোৰে আক্ৰমন কৰে পণ্ডিতক। পণ্ডিত মাটিত বাগৰি পৰে।

সেই অবস্থাত পণ্ডিত ভেড়াটোৰ উদ্দেশ্যে সহজ গ্ৰাম্য ভাষাত এনেকুৱা গালি দি বলৈ আৰম্ভ কৰে যি সকলোৰে বোধগম্য হয়। সকলোৰে গম পায়। যিমান সময় তাক মানুহে তুলি খাড়া নকৰায় তিমান সময়ত যেন সি তাৰ চেতনা হেৰুৱাই পেলায়। খাঁড়া হোৱাৰ পাছতেই যেন তাৰ নিজৰ ব্যক্তিত্ব ঘুৰাই পায়।

তেতিয়া তাত উপস্থিত গাঁওৰ মানুহ এজনে কৈ ওঠে "আমি দুঃখিত, সেই বদমাশ ভেড়াটো জনা নাই আপোনাৰ লগত কেনেধৰ নৰ আচৰন কৰা উচিত। কিন্তু আমি আনন্দিত যে, এতিয়াও আপোনি আপোনাৰ মাতৃভাষা পাহৰা নাই।"

কোনো এটা সময়ত : সৰস্বতী নদীৰ কাষত

"বৃদ্ধ পিতামহ, আপোনি এই খবৰটো পঢ়িছে নে?" সন্দীপ দৌড়ি আহে, উত্তেজনা কৌতূহল তেঁওৰ চকুত আৰু মুখত। তেঁওৰ পিতমহ, দেবনাথ তেতিয়া সান্ধ্যভ্ৰমনত ওলাইছে হাতত ছড়ি লৈ, যাবলৈ ওলাইছে নদীৰ কাষত। ৰঙা সূৰ্য অস্ত হৈ আছে, নিৰ্মল স্নিগ্ধ বতাহ বই আছে। সৰু নগৰটোৰ ওপৰত সায়াহ্নৰ স্নেহ শীতল স্পৰ্শ।

দেবনাথ ৰখি গল। ভাৰতৰ ইতিহাস লৈ বহুতো গবেষনা কৰিছে, প্ৰায় গোটেই জীৱন ইতিহাসৰ শিক্ষকতা কৰি আহিছে। তেঁখেতৰ বহুতো কৃতি ছাত্ৰ আছে। কিন্তু, এই বিষয়ত সন্দীপৰ দৰে উৎসাহ, জানিবৰ বাবে দাবি, বেলেগৰ মাজত দেখা নাই। সি এতিয়াও বিদ্যালয়ৰ ছাত্ৰ, কিন্তু নীলা অকাশাৰ তলত প্ৰকৃতিৰ মাজত থাকি শিক্ষাৰ্জন কৰিব বিচাৰে। কিয় নহব, এনে এজন পিতামহক পাইছে। দীৰ্ঘ জীৱন অধ্যাপনৰ কাম কৰিছে দেবনাথ, এখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, বিশিষ্ট শিক্ষাবিদ হিচাবে অবসৰ লৈছে। পৌত্ৰৰ জ্ঞানপিপাশা মিটাবলৈ তেঁওৰ হাতত এতিয়া বহু সময়। বালকৰ কোনো প্ৰশ্নৰ উত্তৰ দিব নোৱাৰেলে তেতেয়াই ব্যস্ত হৈ পড়ে সেই সম্বন্ধে সঠিক জানিবলৈ। দুয়োজনে বহি পঢ়ে অধ্যাপকৰ নিজস্ব গ্ৰন্থাগাৰত, যত আছে নিৰ্বচিত মূল্যবান গ্ৰন্থবিলাক। বাৰেবাৰে দেবনাথ উচ্চাৰন কৰে ফৰাচী দাৰ্শনিক ভলটেয়াৰৰ এটা উক্তি "যিমান বেচি মই পড়ো, তিমান বেচি মই ধ্যানত মগ্ন হৈ যাও। যিমান বেচি মই-জ্ঞাত হও, তিমান বেচি মই উপলব্ধি কৰো যে মই একোই নাজানো।"

দেবনাথক সন্দীপ বৰ ভালপায়, শ্ৰদ্ধা কৰে। পিতামহক সি পাইছে তেঁওৰ বন্ধু হিচাবে, পথপ্ৰদৰ্শক আৰু জ্ঞানী শিক্ষাদাতা হিচাবে। "কোৱা সন্দীপ মোৰ বাবে কি এটা বিস্ময় লৈ আহিছা?" দেবনাথ প্ৰশ্ন কৰে।

"পিতামহ, আমাৰ প্ৰাচীন সহিত্যৰ সৰস্বতী নামত এটা নদীৰ উল্লেখ আছে। কিন্তু এজন বিখ্যাত মানুহ এনে ধৰনে কৈছে যে, নদীটো নেদেখি। তেনেধৰনৰ নদীৰ অস্তিত্ব নাছিল কেতিয়াও। কিন্তু এই সাময়িক পত্ৰিকাত দিছে যে 'ল্যান্ডস্টাট' নামত এটা উপগ্ৰহ সেই নদীৰ গতিপথৰ নিদৰ্শন দিছে। চৌদ্দ কিলোমিটাৰ বহল এই নদীৰ হিমালয়ৰ পৰা প্ৰৱাহিত হৈ আহিছে।" সন্দীপ উৎসাহ লৈ কলে।

"ঠিকেই কৈছা তুমি! এনেকুৱা আৰও আছে। মাত্ৰ কেই বছৰমান আগত প্ৰখ্যাত পুৰাতত্ত্ববিদ পল-হেনৰী ফ্ৰাংকফোট এই

কথা

নদীৰ ওপৰত গবেষনা কৰিছে। তেঁখেতৰ ধাৰনা, চাৰি সহস্ৰ বছৰ আগত এই নদী ক্ৰমে মিলি যায়, আৰু সম্ভবত দীৰ্ঘ খৰাৰ বাবে। অবশ্য বেলেগ কাৰনও থাকিব পাৰে। কেবলমাত্ৰ সৰস্বতী নদীই অদৃশ্য হৈ যোৱা নাই, 'দৃষ্টবতী' নামে বেলেগ এটা নদীৰও এনেধৰনৰ পৰিনতি হয়।"

"এইটো কি আশ্চৰ্য লগা নাই যে, কিছুমান মানুহে কৈ আছে ইয়াৰ অস্তিত্বই নাছিল কেতেয়াও?"

"ইয়াত আশ্চৰ্য্যৰ কি আছে? ভাৰতৰ অতীত সম্বন্ধে আমি খুব কম জানো। শত শত বছৰ ধৰি আমি আলস্যৰ মাজেৰে জীৱন কটাইছো। গৱেষনা, অনুসন্ধান বা আবিষ্কাৰৰ কোনো ইচ্ছাই আমাৰ নাছিল। কিন্তু পশ্চিমদেশৰ পৰা অহা অধ্যয়নৰত গবেষক সকল আমাৰ বাবে বহুতো কৰি গৈছে। সাঁচী স্তূপৰ বিস্ময়, অজন্তা আৰু ইলোৰাৰ শিল্পক সিঁহতেই আবিষ্কাৰ কৰিছে। কিমান প্ৰাচীন পুঁথি আৰু পাণ্ডলিপিৰ আবিষ্কাৰ কৰিছে সিঁহতে যাৰ মাজত লুকাই আছিল অমূল্য জ্ঞানসম্পদ। আকৌ তাৰ লগত সিঁহতে এনে বহুতো সিদ্ধান্ত বা তত্ত্ব দি গৈছে যি সম্পূৰ্ন ভুল, মিছা। যেনে, সিঁহতে কৈছে যে, সুদূৰ অতীতত আৰ্যসকল বৰ্হিদেশৰ পৰা আহি ভাৰত আক্ৰমন কৰি স্থানীয় অধিবাসী দ্ৰাবিড়সকলৰ লগত যুদ্ধ কৰে। আমাৰ দেশৰ ইতিহাসবিদ আৰু অধ্যাপক সকল সিঁহতৰ যিবিলাক ভুল সিদ্ধান্ত বা তত্ত্বৰ সত্যতা যাচাই নকৰি স্বীকাৰ কৰি লয়। ইতিহাস কিতাবত এইবিলাক সিদ্ধান্তই আমাৰ পাঠ কৰিবলগীয়া হৈছে কিন্তু বৰ্তমান এইটো স্বীকৃত হৈছে যে, সেইবিলাক সিদ্ধান্তৰ সমৰ্থনত কোনো প্ৰমান নাই। আনফালে, ইয়াত ভাৰতৰ প্ৰভূত ক্ষতিও হৈছে।

অমিই আমাক দুটা ভিন্ন জাতিত দেখিছো।"

"পিতামহ, যেতিয়া সৰস্বতী নদী শুকাই যায় তেতিয়া ইয়াৰ দুই কাষত যিবিলাক মানুহে বাস কৰিছিল সিহঁতৰ কি জঅবস্থা হৈছিল?"

পিতামহ আৰু পৌত্ৰ নদীৰ কাষেৰে খোজকাঢ়ি গৈছে। দেবনাথৰ উৎসাহ বাঢ়ি যায়। তেঁখেতে কলে :

"সিঁহতে নিশ্চয় সংকটৰ মাজত পৰিছিল। অবশ্য সেই অৱস্থা অকস্মাৎ হোৱা নাই। লাহে লাহে সিঁহতে সেই স্থান ত্যাগ কৰিলে, নতুন জীৱজন্তু চৰনক্ষেত্ৰ আৰু সেউজীয়া প্ৰান্তৰৰ সন্ধান কৰিলে। এই বিশাল দেশ আমাৰ, ঠাইৰ অভাব নাই। কিন্তু সৰস্বতী নদীৰ কাষত যি সাহিত্য আৰু সংস্কৃতিৰ বিকাশ সিঁহতে ঘটাইছিল সেয়াই সিঁহতৰ মহান সম্পদ, আমাৰ দেশৰ গৌৰৱ। সেইবিলাক 'বেদ' নামেৰে পৰিচিত।"

"যতে যতে সিহঁতে গৈছে তাতেই



সেইবিলাক গ্ৰন্থ লগত লৈ গৈছে?"

দেবনাথ হাঁহি উত্তৰ দিয়ে, "বেদক সিঁহতে লগত লৈ গৈছে ঠিকেই, কিন্তু স্মৃতিত বহন কৰে। লিখাৰ সৌন্দৰ্য সিঁহতে যেনেকুৱা জানিছিল, বেদক স্মৃতিত ধাৰন কৰাৰ বিদ্যাকৌশলও তেনেকুৱা অৰ্জন কিৰিছিল। মনত ৰাখিবা, বেদ চাৰি বিদ - ঋকবেদ, যজুবেদ, সামবেদ, অথৰ্ববেদ।"

"আশ্চৰ্য, অবিশ্বস্য !" বিস্ময় প্ৰকাশ কৰে সন্দীপ।

"আমাৰ ওচৰত অবিশ্বাস্য। কিন্তু সিঁহতৰ জীৱনধাৰা আছিল আমাৰ পৰা ভিন্ন। অবশ্য কোৱা নাই, সেই লুপ্ত সভ্যতাৰ সময়ত সকলোৱেই বেদক স্মৃতিত ধৰি ৰাখিব পাৰিছিল। কিন্তু যোনে পাৰিছিল সিঁহতে সমাজত ঋষি হিচাবে পৰিচিত আছিল আৰু সিঁহতেই আছিল সত্যদ্ৰষ্টা, মুনি। সমাজৰ শিক্ষাদাতা আছিল সিঁহতে। মনৰ একাগ্ৰতা লাভ কৰি মহান শক্তিৰ অধিকাৰী আছিল সিঁহতে। বেদৰ স্তোত্ৰ এনেকোৱা এটা বিশেষ লয় আৰু ছন্দত আবৃত্তি কৰিছিল যাৰ ফলৰ শব্দবিলাক অকল নহয়, যতি আৰু বিৰামচিহ্নৰ ব্যৱহাৰসহ শুদ্ধ উচ্চাৰন পৰ্যন্ত সিঁহতে স্মৃতিত ধৰি ৰাখিবলৈ সক্ষম হৈছিল।"

"কিয় ইমান কষ্ট কৰিছিল, পিতামাহ?"

"এই প্ৰশ্নই আশা কৰিছিলো, সন্দীপ ! যেতিয়া আমি কিবা এটাৰ কাৰনে কষ্ট কৰো তেতিয়া সেইটো কৰো আনন্দ লাভ বা কিবা পোৱাৰ লোভত। কিন্তু মুনি-ঋষি সকলে

আমাৰ নিচিনা এনে কোনো আনন্দ বা লাভৰ বাবে নকৰে । সিঁহতে আছিল জিজ্ঞাসু, জীৱনৰ সত্য অন্বেষন কৰিছিল। জীৱনৰ অচেতন ভাব, সমস্যাৰ মূলক অনুসন্দান কৰি সমাধানৰ পথ বিচাৰিছিল সিঁহতে । আমাৰ এই জীৱন ধাৰন কিয়? কিয় কষ্টভোগ? মৃত্যুৰ পাছত কি পৰিনতি হয়? এনেধৰনৰ আৰু কিমান । সিঁহতৰ বিশ্বাস আছিল, বেদৰ মাজত সকলো প্ৰশ্নৰ উত্তৰ আছে।

"কিন্তু কোনে লিখিছে 'বেদ'? সেইটোৱেই এটা ৰহস্য। আমি যি - উদ্দেশ্যত বই, পত্ৰ পত্ৰাদি বা কিবা এটাৰ বিবৰন লিখো সেই অৰ্থত সিঁহতে লিখা নাছিল । সত্যদ্ৰষ্টা ঋষিসকলৰ ওচৰত সেয়া শুনি স্মৰনত ৰাখিছে। তাৰবাবে ইয়াৰ আন নাম 'শ্ৰুতি' যি শোনা হৈছে। সিহতে বিশ্বাস কৰিছিল যে, উৰ্ধ্বতৰ কোনো মানুহৰ পৰা শব্দ বা বাক্ - ৰ ৰুপত মানবচেতনাত সত্য নামি আহে।"

"সেই সত্য কি আমাৰ ওপৰত নামি আহিব পাৰে?" কৃত্ৰিম গম্ভীৰতা প্ৰকাশ কৰি সন্দীপ কলে।

"সিঁহতে আমাৰ নিচিনা মানুহ আছিল, সন্দীপ! যদি সিঁহতৰ ক্ষেত্ৰত হব পাৰে, তেতিয়া হলে তোমাৰ ক্ষেত্ৰতও সম্ভব! নচিকেতা যেতিয়া জন্ম আৰু মৃত্যুৰ ৰহস্য আবিষ্কাৰ কৰে, তেতিয়া সি তোমাতকৈও বয়সত সৰু আছিল।"

"নচিকেতা ! পৰিচিত নাম যেন লাগিছে !"

"ব্যস, ইমানখিনি ! কিয় এই নাম বহু শতাব্দী ধৰি সকলোৰ স্মৃতিত আছে সেয়া কি তুমি নাজানা?"

"সম্ভবত নহয়।"

"বেদ - ৰ পাছত এমান্বয় আৰও কিছুমান গ্ৰন্থ পাও উপনিষদ নামেৰে । নচিকেতাৰ সম্পৰ্কে আমি কঠোপনিষম ৰ পৰা জানিবলৈ পাও। তাঁৰ পিতা বজঃশ্ৰবা মুনি এটা যজ্ঞৰ অনুষ্ঠান কৰে । অনুষ্ঠান উপলখে তেঁখেতে ব্ৰাহ্মন সকলক দান দি আছিল যি তেঁখেতৰ আছে।

"বালক নচিকেতা চাই আছিল। হঠাৎ পিতাৰ ওচৰত আহি সুধে, "মোক আপোনি কাক দান কৰিব?"



"বাৰে বাৰে এটা প্ৰশ্ন কৰাৰ বাবে তাঁৰ পিতা উত্তৰ দিয়ে, 'যমক দান কৰিম'।

"নচিকেতা নীৰবে মৃত্যুৰ দেবতা যমৰ ওচৰত আহি পায়। যমদেবতা তেতিয়া অনুপস্থিত। আহাৰ নিদ্ৰা ত্যাগ কৰি অকলে নচিকেতা তেঁখেতৰ অপেক্ষাত খাড়া হৈ থাকে তিনিদিন, জমদেবতা উভতি নহালৈকে।

"পিতৃসত্য ৰক্ষাৰ বাবে বালকৰ ধৈৰ্য, দৃঢ়তা আৰু আন্তৰিকতাত সন্তুষ্ট হৈ জমদেবতা তাক তিনিটা বৰ দিবলৈ বিচাৰে।

"মোৰ পিতা মোৰ অনুপস্থিতিত ব্যাকুল হৈ পড়িছে হয়তো, তেঁখেতক নিৰন্ত কৰক, নচিকেতা কলে।

'তথাস্তু।'

'মোক স্বৰ্গৰ জ্ঞান দান কৰক।'

'তথাস্তু।'

'মৃত্যুৰ ৰহস্য মই জানিব বিচাৰো।

দেহাবসানৰ পাছত মানুহৰ আত্মাৰ কি পৰি নতি হয়?"

'তথাস্তু।'

"জমাদেবতাৰ নিবাসস্থল কি বিচাৰি পোৱা সম্ভব হল হয়?" সন্দীপ হাঁহি পেলাই প্ৰশ্ন কৰে।

"পিতামহ, এইবিলাক কাহিনী কথাৰ মাপ কাঠিত মাপিবলৈ নোৱাৰি। ইয়াৰ মাজত লুকাই থাকে অন্তৰ্নিহিত অৰ্থ। ক্ৰোধ কৰা বা অভিশাপ দেওয়া ঋষি বজঃশ্ৰবাৰ স্বভাব নাছিল। যদি তেনে হলহয় তেতিয়া হলে উপনিষদত এই কাহিনী স্থান নেপালে হয়। মোৰ বিশ্বাস, পুত্ৰক তেখেতে ইয়াৰ মাজৰে মৃত্যুৰ ৰহস্য আবিষ্কাৰ কৰিবলৈ শিক্ষা দিয়ে। নিশ্চয়ই সেই তিনিদিন নচিকেতা এই বিষয়ে গভীৰ ধ্যানত মগ্ন হৈ থাকে। আত্মাৰ অমৰত্ব সম্পৰ্কে জ্ঞান সেই সময়ৰ মাজত তেঁখেতে লাভ কৰে। দেবনাথ ব্যাখ্যা কৰে।

"আশ্চৰ্য!" সন্দীপৰ মুখত যেন পোহৰ ফুটি উঠিছে।

(ক্ৰমশ)

কাবেৰী নদীৰ কাষত - ৪

চলন্তমান বালুকাৰশি

ৰচনা : জয়ন্তী মহালিঙ্গম   চিত্র : গৌতম সেন

সোমনাথ পুৰৰ ১২ কি.মি. দখিনত কাবিনী বা কপিলা উপনদী আহি কাবেৰীৰ লগত মিলিত হয়। নদী সংগমস্থলতৰ পত্তন হৈছে তিৰুমাকুড্লু নৰসিপুৰা নগৰ। 'তিৰুমা' অৰ্থ তিনিটা আৰু 'কুড্লু' শব্দৰ অৰ্থ সংগম - এই দুটা শব্দ দি চহৰৰ নামকৰন। তৃতীয় নদী স্ফটিক সৰোবৰ, বিশ্বাস যে এইটো এটা অন্তঃসলিলা বা ভূগৰ্ভস্থ সৰোবৰ।

নৰসিপুৰা চহৰটো এটা প্ৰধান তীৰ্থক্ষেত্ৰ; অগস্ত্য ঋষিৰ উদ্দেশ্যত নিবেদিত এটা মধ্যযুগীয় মন্দিৰ ইয়াত আছে।

নৰসিপুৰা নগৰৰ পৰা অলপ দূৰত কাবেৰী নদীৰ বাঁওফালৰ তীৰত আছে জনশূন্য বালুকাময় নগৰ 'তলাকাডু'। এটা সময়ত ইয়াতেই অবস্থিত আছিল গংগা সাম্ৰাজ্যৰ সমৃদ্ধময় ৰাজধানী। ইয়াৰ পাছত, চোল সাম্ৰাজ্যৰ সময়ত ইয়াৰ নাম হয় 'ৰাজৰাজপুৰম'; তাৰপাছত হয়সালা সাম্ৰাজ্যৰ বিষ্ণুবৰ্ধন ৰাজত্ব কৰে। কিন্তু বৰ্তমান, তালাকাড়ু নগৰ চেপা খাই আছে পৰিবৰ্তনশীল বা চলমান বালিয়াড়িতত, কৰবাত কৰবাত ইয়াৰ উচ্চতা ১৫ মিটাৰলৈকে। অংশত ইতিহাস সমৰ্থিত গল্পানুযায়ী, তালাকাডু নগৰৰ এই অবস্থাৰ সৃষ্টি হয় আলামেলাম্মাৰ অভিশাপৰ ফলত। তেঁখেত আছিল শ্ৰীৰংগপট্টন ত অবস্থানৰত বিজয়নগৰ ৰজাৰ শেষ ৰাজপ্ৰতিনিধি তিৰুমালাৰায়াৰ বিধবা পত্নী। বিধবা আলামেলাম্মাৰ বহুতো অলঙ্কাৰৰ লোভৰ লালায়িত হৈ মহীশূৰৰ শাসক ৰজা ওভেয়াৰ সেইবিলাক বলপূৰ্বক আদায়ৰ বাবে সৈন্যসকলক পঠায়। আলামেলাম্মা তালাকাডুৰ পৰা কাবেৰীৰ বেলেগ পাৰত অবস্থিত মালাঙ্গিতত পলাই যোৱাৰ বাবে যাত্ৰা আৰম্ভ কৰে। অনুসৰনকাৰী সকলে তেঁখেতৰ খুব ওচৰত গুচি আহিলে তেঁখেতে অলংকাৰ বোৰ লৈ নদীৰ পানীত জপিয়াই

সতী আলামেলাম্মা তিনিটি অভিশাপ দেন

পড়ে। পানীত নিমজ্জিত হোৱাৰ আগত তেঁখেতে চিত্তৰি অভিশাপ দিয়ে : "তালাকাডু সদায় বালুকাৰাশিৰ মাজত চেপা খাই থাকিব; মালাঙ্গিৰ ওচৰত থকা কাবেৰী নদী সদায় উত্তাল অবস্থাত থাকিব; মহীশূৰৰ কোনো ৰজাই উত্তৰাধিকাৰী ৰাখি যাব নোৱাৰে।"

সতী আলামেলাম্মা তিনিটা। অভিশাপ দিয়ে কর্নাটক কাবেৰী নদী সিমসা নদী সিবসমুদ্রম মহীশূৰ নৰসিপুৰা তালাকাডু কাবেৰী নদী আতঙ্কগ্রষ্থ স্থানীয় অধিভাসীসকলৰ মতে সেই অভিশাপ সত্যত পৰিনত হয়। অস্বাভাবিক অনুযায়ী তালাকাডু বালুকাৰাশিত ঢাকি যায়; মালাঙ্গিৰ ওচৰৰ নদীৰ সচাঁকৈ ঘটে ঘূর্নি আবহাওয়া, তাৰ লগত উত্তাল হৈ ওঠে নদী, মহীশূৰৰ শাসক সকলৰ পাৰিবাৰিক ইতিহাসত স্পষ্ট যে অধিকাংশ দত্তক উত্তৰাধিকাৰী গ্রহন কৰিছে। বিশ্বাস যে, তিৰিশাটা মন্দিৰ বালুৰ গর্ভত চেপা পড়ি যায়। যি মন্দিৰবিলাক এতিয়াও দেখা পোৱা জায় সেইবিলাক হল গংগা ৰাজবংশ প্রতিষ্ঠিত পাতালেশ্বৰ আৰু মাৰুলেশ্বৰ মন্দিৰ, হয়সালা ৰাজবংশ প্রতিষ্ঠিত কীর্তিনাৰায়ন আৰু চোল ৰাজবংশ প্রতিষ্ঠিত বৈদ্যেশ্বৰ মন্দিৰ। এতিয়াও মন্দিৰবিলাকত গছৰ তলত প্রনামৰত হাতী বিলাক ০বৈদ্যেশ্বৰ০ তালাকাডুৰ সবোতকৈ ভাঙৰ আৰু কাৰুকার্যময় মন্দিৰ, বৈদ্যেশ্বৰ



বৈদ্যেশ্বর মন্দির, তালাকাডু

গছৰ তলত প্রনামৰত হাতীবিলাক

বা সৰ্বৰোগহৰ দেৱতা শিৱৰ উদ্দেশ্যত নিবেদিত। অনুমান যে, মন্দিৰটো চতুৰ্দশ শতকত নিৰ্মিত; পৌৰানিক গাথানুযায়ী এই মন্দিৰৰ প্ৰতিষ্ঠা আৰু বহুতো আগত। কাহিনীত বৰ্নিত যে, ঋষি সোমদত্ত আৰু তেঁখেতৰ শিষ্যবৰ্গ শিৱক প্ৰসন্ন কৰিবলৈ কাবেৰী নদীৰ কাষত তপস্যাৰত আছিল; তপস্যা পূৰন হোৱাৰ আগতেই বন্য হাতীৰ আক্ৰমনত সিঁহতৰ মৃত্যু হয়। সেই জংগলত সিঁহতৰ পুনৰ্জন্ম হয় হাতী হিচাবে। সিঁহতৰ সাহায্যদানৰ বাবে শিৱ এটা ৰেচমতুল গছৰ তলত লিঙ্গৰূপে মাটিৰ গৰ্তত আশ্ৰয় লয়। সদায় প্ৰভাতত হাতীৰ দল কাবেৰীত গা ধুই গছৰ তলত গুড়িত পদ্মফুল নিবেদন কৰে। সদায় এই পূজা তালা আৰু কাড নামেৰে দুজন ব্যাধে দেখিবলৈ পায়। কৌতূহল হয় সিঁহতৰ। গছটোক কাটি পেলাব বিচাৰে। কুড়ালৰ প্ৰথম আঘাতত গচৰ পৰা তেজৰ ধাৰা ওলাই আহে। তেতিয়া সিঁহতে দৈববানী শুনিবলৈ পায়, সেই গছৰ পাত আৰু ফুল দি গছৰ ক্ষতস্থানটো ভালদৰে বান্ধি দিব লাগিব। দুজন ব্যাধে সেইমতে কৰিলে দেখিবলৈ পোৱা যায়, তেজ দুধত পৰিনত হৈ গৈছে আৰু সেই দুধ সিঁহত দুজনে আৰু হাতীবিলাক খাই অমৰ হৈ যায়। পাছত, সেই শিৱলিঙ্গৰ চাৰিওফালে মন্দিৰ প্ৰতিষ্ঠিত হয় আৰু অঞ্চলটো ০তালকাড়ু০ নামেৰে পৰিচিত হৈ ওঠে।

মৰুভূমিৰ কবলৰ পৰা অঞ্চলটোক ৰক্ষা কৰাৰ প্ৰচেষ্টাত বনবিভাগ প্ৰচুৰ পৰিমানে বৃক্ষৰোপন কৰি চলিছে, তথাপি প্ৰতি বছৰ গড়ে ৩ মিটাৰ কৰি ভূখন্ড মৰুভূমি গ্ৰাস কৰি লৈছে। বালুকাৰাশিৰ উৎপত্তিস্থল একমাত্ৰ কাবেৰী নদী। গ্ৰীষ্মকালৰ মাহবিলাকত শুকান নদীগৰ্ভত বা নদী পাড়ত যি বালু আৰু মাটি আহি জমে দক্ষিনপশ্চিম মৌচুমী বায়ু প্ৰবাহৰ সময়ত সেইবিলাক নগৰত আহি জমা হৈ থাকে। অতীতত বহুতোবাৰ নদীৰ গতিপথ পৰিবৰ্তিত হোৱাৰ ফলত তাত বালুকাৰশি পড়ি থাকে। প্ৰাকৃতিক কাৰনতেই হওক বা অভিশাপৰ ফলতেই হওক, তালকাড়ু আজি পৰিত্যক্ত নগৰ, কেতিয়াবা কেতিয়াবা তাত মানুহৰ পদাক্ষেপ পড়ে।

ৰঙ্গনাথস্বামী মন্দিৰ

গগনচুক্কি জলপ্রপাত

তালাকডুৰ প্ৰায় ২৫ কি:মি: উত্তৰ দিশে কাবেৰী ইয়াৰ গতিপথত দ্বিতীয় বৃহত্তম দ্বীপ শিবসমুদ্ৰমৰ সৃষ্টি কৰে। ইয়াতেই উপনদী সিমসা কাবেৰীৰ লগত মিলিত হৈছে। ইয়াৰ ৰঙ্গনাম বা বিষ্ণু মন্দিৰটোৰ নাম মধ্যঙ্গ। ৪.৮ কি.মি. দীঘল আৰু ১.২ কি.মি. বহল ঘন জংগলেৰে বিয়পি থকা এই দ্বীপত ১৫০ বছৰ পুৰনি পাথৰখণ্ডত নিৰ্মিত ৪৭৪ মিটাৰ উঁখ লাছিঙ্টন সেঁতুৰ মাজেৰে মুলভূখণ্ডৰ পৰা যাব পাৰি। দ্বীপটোক পৰিবেষ্টন কৰি কাবেৰীৰ দুটা শাখা প্ৰয় এশ ফুট তলত জপিয়াই পড়িছে। পশ্চিমফালৰ শাখাটো ৯০ মিটাৰ, পুব ফালৰ বেলেগ শাখাটো ৬৯ মিটাৰ উঁখ গিৰিখাতৰ পৰা তলত জপিয়াই পড়িছে। কাবেৰী জলপ্ৰপাত নামেৰে পৰিচিত এই দুয়োটা ধাৰা অঞ্চলটোক প্ৰাকৃতিক সৌন্দৰ্যত পৰিপূৰ্ন কৰি তুলিছে। ভ্ৰমনকাৰী সকলৰ ওচৰত অঞ্চলটো অতি আকৰ্ষনীয়।

ভাৰতৰ প্ৰথম পানীৰ পৰা বিদ্যুৎ উৎপাদন কেন্দ্ৰ এই শিবসমুদ্ৰম ১৯০২ চনত স্থাপিত হয়। ১৪৭ কি.মি. দূৰত থকা কোলাৰ স্বৰ্নখনিত বিদ্যুৎ সৰবৰাহ ব্যবস্থা আছিল পৃথিবীৰ দীৰ্ঘতম। ১৯৩০ চনত তামিলনাডুত মেটুৰ বান্ধঁ নিমাৰ্নৰ সময়ত শিবসমুদ্ৰমৰ পৰাই বিদ্যুৎ সৰবৰাহ কৰা হৈছিল। যি স্থানত বিদ্যুৎ উৎপাদন কৰা হয়। সেই স্থানৰ নাম "ব্লাফ", যাৰ অৰ্থ পাহাড়ীয়া ঢাল খাড়া হৈ উঠি গৈছে। ১৩৫ ফুট উঁখ এই খাড়াই পানীৰ পৰা বিদ্যুৎ উৎপাদন কৰিবলৈ সুবিধাজনক। ১৮৮৩-১৯০১ চনলৈকে মহীশূৰ ৰাজ্যৰ দেওয়ানক শেষাদ্ৰিৰ নাম অনুসৰনত এই বিদ্যুৎ উৎপাদন কেন্দ্ৰৰ নামকৰন কৰা হয়। প্ৰকৃতপক্ষে তেঁখেতৰ সময়তেই এই বিদ্যুৎ কেন্দ্ৰটো স্থাপিত হয়। শিবসমুদ্ৰমৰ বিদ্যুৎ উৎপাদন ক্ষমতা ৪২,০০০ কিলোওয়াট। ভ্ৰমনাৰ্থী সকল ইয়াৰ ট্ৰলিত বহি ৪৩৫ মিটাৰ তলত নামি গৈ উৎপাদন কেন্দ্ৰৰ কামকাজ সকলো দেখিব পাৰে।

মুছলমান পণ্ডিত বীৰ হৈব-ৰ স্মৃতি স্তম্ভৰ পাছ ফালৰ পৰা গগনচুক্কি জলপ্ৰপাতৰ সৌন্দৰ্য উপভোগকৰিব পৰা যায় - চাৰিও ফালৰ ঘন সেইজীয়া ৰঙৰ ওপৰত মনিমানিক্যৰ দৰে উজ্বল পানীৰ কনিকা বিলাক চিকমিকাই থাকে। সিমসা বিদ্যুৎ উৎপাদন কেন্দ্ৰটোও ইয়াৰ পৰা চাব পাৰি। কাবেৰী নদীৰ দুটা ধাৰা আকৌ আহি মিলি গৈছে উত্তৰ-পুব দিশত অৱস্থিত সাতেগালাতত।

অমৃত ভাৰতী, ভাৰতীয় বিদ্যাভৱন, ১৯৯৬

পুত্ৰ-জামাতা

পৰোপকাৰ আৰু অতিথি সৎকাৰৰ বাবে শ্যামনগৰৰ বাসিন্দা নাৰায়নৰ নাম প্ৰসিদ্ধ। তেঁখেতৰ ঘৰত কোনো আলহী অহিলে কেতিয়াও অপ্ৰসন্ন বা নিৰাশ হৈ উভতি নাযায়।

এদিনাখন সুমন নামেৰে এজন যুবা কবি আৰু সংগীতকাৰ আহে নাৰায়নৰ সাক্ষাৎপ্ৰাৰ্থী হৈ। যশ আৰু প্ৰতিষ্ঠালাভৰ বাষনা বাদেও মহান শিল্পী হোৱাৰ স্বপ্ন তেঁখেতৰ। সেই আকাংখা লৈ নৃত্য সংগীতৰ পীঠস্থান লক্ষ্ণৌ যোৱাৰ আগত নাৰায়নৰ আশীৰ্বাদ লবলৈ আহিছে।

অতিথিসৎকাৰৰ পাছত নাৰায়ন সুমনক কলে, "সেই নগৰত মোৰ চিনাকী মানুহ আছে। এজনৰ নাম মোহন, তেঁও মোৰ এজন বন্ধু প্ৰসাদৰ জোৱাই। তেঁও সেই নগৰৰ এজন সম্পন্ন আৰু সন্মানিত মানুহ। আনৰ উপকাৰ কৰা তেঁখেতৰ বৈশিষ্ট্য। আৰু, তেঁও নিজে এজন ডাঙৰ কবি। এজন কবি আন এজন কবিক সাহায্য কৰিব পাৰিলে সচাঁকৈ আনন্দিত হব।

"দ্বিতীয়জন হ'ল - বিকাশ, মোৰ দ্বিতীয় পুত্ৰ। সি সেই নগৰত বাস কৰে আৰু তাত সি প্ৰতিষ্ঠিত। আনক সাহায্য কৰা তাৰ চাৰিত্ৰিক গুন। সি নিজে এজন ভাল গায়ক, তাৰবাবে সংগীত কাৰসকলক ভালপায়। ধুনীয়া স্বভাৱ তাৰ। তুমি এই দুজনৰ লগত লগ কৰিবা। তোমাৰ ইচ্ছা অবশ্যই পূৰ্ন হব।"

নাৰায়নে কোৱা কথাখিনিৰ মাজত যেনেকুৱা এটা দৃঢ় বিশ্বাস আছে, তেনেকুৱা আছে আপোন আত্মীয়ৰ নিচিনা আন্তৰিকতা। সুমন তেঁখেতৰ কথাত আনন্দিত। তেঁও মনে মনে ভাবি আছে, যি উদ্দেশ্যত গৈ আছে সেয়া পূৰ্ন হৈ গৈছে ইয়াৰ মাজত। নাৰায়নৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি সি কলে, "আপোনাৰ আশীৰ্বাদত লক্ষ্ণৌ পোৱাৰ আগতেই মোৰ কাম হৈ গৈছে যেন লগিছে। তাত গৈ পোৱাৰ

বসুংধৰা

লগে লগেই মই সিঁহতৰ লগত লগ কৰি আপোনাৰ নাম কম। আপোনাৰ সাহায্য নহলে এয়া সম্ভৱ নহল হয়।"

লগে লগে নাৰায়ন সাৱধান কৰি দি সুমনক কলে, "মোৰ নাম সিঁহতৰ ওচৰত নকবা, তোমাৰ কাম নহৱ তেতিয়াহলে। কোনো সাহায্য নকৰে। সিঁহত দুজনে তোমাৰ পৰিচয়তেই আনন্দিত হব। তোমাৰ উপস্থিতিই যথেষ্ট। সিঁহতৰ গুনৰ কথা প্ৰকাশ পাই যাওক, এয়া সিঁহতে নিবিচাৰে। মোৰ নাম নললেই চাবা কাম হব, সিঁহতে সাহায্য কৰিব। কাৰন সিঁহতৰ স্বভাৱ প্ৰকৃতিই পৰোপকাৰ কৰা।"

লক্ষ্মী পোৱাৰ লগে লগে প্ৰথমে মোহনৰ ঘৰত গৈ সুমনে কবিৰ পৰিচয় দি কলে, "মহোদয়, আপোনাৰ কলাপ্ৰিয়তা, কাব্য প্ৰতিভা আৰু উদাৰতা মোক ইয়াত লৈ আহে, আপোনাৰ দৰ্শনপ্ৰাৰ্থী মই। মইও কাব্যদেবীৰ উপাসক, এই মহান পীঠস্থানত কাব্যসেবা কৰিবৰ সুযোগ প্ৰাৰ্থনা কৰিছো মই।"

এজন যুবাকবিৰ লগত সাক্ষাত কৰি মোহনৰ মনত আনন্দ হয়। তেতিয়াহলে কাব্যপ্ৰতিভাৰ পৰখ কৰা প্ৰয়োজন। তাৰবাবে সি তাৰ শ্বশুৰেক প্ৰসাদৰ জীৱনবৃত্তান্ত শুনাই কলে, "তুমি যদি এই বৃত্তান্ত কাব্যত প্ৰকাশ কৰিব পাৰা, তেতিয়াহলে তোমাক কবি হিচাবে মানি লম।"

প্ৰসাদৰ জীৱন বৃত্তান্ত ছন্দ আৰু ভাষাৰ ব্যবহাৰত তেতিয়াই সুন্দৰ এখন কবিতা মোহনক শুনায় সুমন। মোহন খুশি হৈ কলে, "তুমি প্ৰকৃতই এজন প্ৰতিভাবান কবি। মোৰ মিত্ৰ কলাশিল্পী শেখৰ, তোমাৰ দৰে এজন কবিৰ আবশ্যক তেঁওৰ। মোৰ পত্ৰ লৈ গলে তোমাক আকৌ পৰীক্ষা দিব নালাগে।"

শেখৰৰ নামত এখন চিঠি সুমনক দি মোহন বিদায় দিয়ে তাক। তাৰ পৰা সুমন গুচি যায় বিকাশৰ ওচৰত, গায়ক আৰু কবি হিচাবে



পৰিচয় দিয়ে নিজৰ। সুমনৰ ব্যৱহাৰ, মধুৰ স্বভাৱ বিকাশক প্ৰসন্ন কৰে, কিন্তু সিও বিচাৰে সুমনৰ প্ৰতিভাৰ পৰীক্ষা। সি কলে, "মোৰ পিতাৰ সম্বন্ধে মোৰ ডাঙৰ ভ্ৰাতাৰ লিখা এখন কবিতা আছে। সেই কবিতা সুৰ দি যদি কোনো ৰাগত গাই শুনাব পাৰা তেতিয়াহলে তোমাক সঙ্গীতকাৰ বুলি মানি লম।"

কাব্যত সুৰ আৰু ৰাগৰ ব্যৱহাৰ কৰি সুমন এটা সুন্দৰ গান তেতিয়াই শুনাই দিয়ে। খুশি হৈ প্ৰসাদও এখন প্ৰশংসাপত্ৰ লিখি সুমনক দিয়ে শেখৰৰ নামত।

দুখন পত্ৰ লৈ সুমন শেখৰৰ লগত লগ কৰে। শেখৰ নিজে কলবিষয়ত পৰীক্ষক আৰু অভিজ্ঞ কবি আৰু সংগীত সাধকও। ইয়াৰ বাহিৰে তেঁও আছিল এটা সম্ভ্ৰান্ত আৰু সম্পন্ন মানুহ এজন প্ৰতিভাবান কবি আৰু সংগীতজ্ঞৰ সন্ধানত আছিল সি যি কবিতা আৰু সংগীত শুনাই তাৰ অন্তৰক স্পৰ্শ কৰিব আৰু তাৰ গান আৰু ৰাগৰ সমালোচনাও কৰিব পাৰিব।

দুখন পত্ৰ পঢ়াৰ পাছত শেখৰ কলে, "এতিয়া প্ৰতিভাবান শিল্পীৰ খুবই অভাব। অধিকাংশই অৰ্থহীন আৰু নীৰস বাক্যৰ শেষাংশত মিল ৰাখি কবিতাৰ সৃষ্টি কৰে আৰু ভূল সুৰৰ গানক সংগীত বুলি ধৰি লয়। এই তথাকথিত কবি আৰু গায়ক সকলৰ কাৰোবাৰ লগত মই কথা নকও, যিমান সময় নধৰি সিঁহতে মোৰ দুজন বিশ্বাসভাজন কবি আৰু সংগীতজ্ঞ মিত্ৰৰ পত্ৰ লৈ নাহে। এই পত্ৰ প্ৰমান কৰে, সিঁহতে তোমাৰ প্ৰতিভাত ভালদৰে প্ৰভাবিত হৈছে। তথাপি, মোৰ ৰচিত কোনো কাব্য তোমাৰ ওচৰত গীত হিচাবে শুনিব বিচাৰু।"

সুমন এই পৰীক্ষা দিয়াৰ সুযোগ গ্ৰহন কৰে। কাব্য আৰু সংগীত, দুয়োটাত সি শেখৰৰ হৃদয় জয় কৰে। তাৰ মাজত শেখৰ জেন ব্যক্তিত্বময় পুৰুষক দেখা পায়। এজন

কবি আৰু গায়ক হিচাবে নহয়, সুমন এজন মিত্ৰ হিচাবে শেখৰৰ অন্তৰত স্থান পাই যায়।

নিজৰ কৰ্ম আৰু ভাগ্য চাই সুমন খুব আনন্দিত হয়, যোনে তাক এই সুযোগ কৰি দিছে সিঁহতৰ প্ৰতিও কৃতজ্ঞ। সকলোৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ আৰু তাৰ লক্ষ্যপূৰনৰ সফলতাৰ বাবে এটা প্ৰীতিভোজৰ আয়োজন কৰে।

প্ৰীতিভোজৰ আমন্ত্ৰন জনোৱাৰ বাবে সবোতকৈ আগত মোহনৰ ওচৰত গৈ সুমন কলে, "মহোদয়, অপোনাৰ সহায়তাৰ ফলতেই মই সফল হও। মই এখন প্ৰীতিভোজৰ আয়োজন কৰিছো। কৃপা কৰি আপোনি অবশ্যই আপোনাৰ পৰিবাৰৰ সকলো সদস্য আৰু বেলেগ বন্ধুসকলক লৈ আহিব, প্ৰকাশ্যত মোৰ কৃতজ্ঞতা প্ৰকাশৰ সুযোগ দিব। মোৰ একান্ত অনুৰোধ আপোনি ৰক্ষা কৰিব।"

এই আমন্ত্ৰন ব্যৱস্থা মোহনৰ ভাল নালাগে। মানুহক এইদৰে সাহায্য কৰা সাধাৰন ব্যাপাৰ। অসন্তুষ্টি প্ৰকাশ কৰি কলে, "তোমাৰ যোগ্যতা আৰু প্ৰতিভাৰ বাবেই তোমাক সাহায্য কৰিছো। সকলোৰ আগত এই কথা ব্যক্ত কৰিবলৈ কোনো আবশ্যক দেখা নাই। ইয়াৰ বাবে প্ৰীতিভোজ আয়োজনৰ কোনো প্ৰয়োজন দেখা নাই।"

কিন্তু সুমন ক্ষমাপ্ৰৰ্থনা কৰি কলে, "মহোদয়, মানুহে বৰ্তমানত এনে এটা অৱস্থাত আহি পাইছে যে, আনৰ দ্বাৰা উপকৃত হৈও তাক পাহৰি যায়। আপোনাৰ ওচৰৰ পৰা যি উপকাৰ পালো। সেই চিন্তাত মই পূৰ্ন হৈ আছো। নিজ অহংকাৰৰ বশত অহা কালিই হয়তো কবলৈ আৰম্ভ কৰিম যে, এইবোৰ মোৰ যোগ্যতাৰ ফলতেই হৈছে। অথবা কোনো অপ্ৰত্যাশিত পৰিস্থিতিত হয়তো আপোনাক অসন্মান কৰি বহিম। তাৰবাবে, যদি সকলোৰ সমক্ষত আজি আপোনাৰ প্ৰতি কৃতজ্ঞতা প্ৰদৰ্শন কৰো আৰু কালিই আপোনাক কোনো অপ্ৰিয় কথা কও, নিঃসন্দেহ যে মানুহে মোক তেতিয়া কৃতঘ্ন হোৱা আৰু বিৰুদ্ধত কোৱাৰ পৰা মোক ৰক্ষা কৰিব ৰক্ষাকবচৰ দৰে। আপোনি মোৰ অনুৰোধক অস্বীকাৰ নকৰিব। তাতও মোক আপোনাৰ সাহায্যই কৰা হব।"

"সুমনৰ বুদ্ধি আৰু দূৰদৰ্শিতাৰ প্ৰসংসা কৰি মোহন কলে, "তোমাক মই মোৰ শ্বশুৰমহাশয় প্ৰসাদ, শ্যালক গনপতিৰ ঠিকনা দি আছো। তুমি স্বয়ং সিঁহতৰ লগত সাক্ষাৎ

কৰি নিমন্ত্রন জনালে ভাল হব।" আৰু কেইজনমানক নিমন্ত্রন কৰিবলৈ আগ্রহ প্রকাশ কৰিলে মোহন তাৰ পিতা নাৰায়ন আৰু ভাই বিকাশৰ নাম ঠিকনা সুমনক দিয়ে। সুমন আশ্চর্য হৈ যায় জানি পেলাই যে মোহন আৰু বিকাশ দুজন ভাই ককাই, নাৰায়নৰ পুত্র। অথচ নাৰায়ন কৈছিল বিকাশই তেঁখেতৰ পুত্র।

সুমন বিকাশৰ লগত লগ কৰি তাক প্রীতিভোজত নিমন্ত্রন কৰে। মোহনক যিদৰে বিনয় আৰু শ্রদ্ধাৰে সপৰিবাৰে উপস্থিত হোৱাৰ বাবে অনুৰোধ জনায়, ঠিক সেইদৰেই বিকাশাকও কলে। বিকাশ প্রথমতে তেঁওৰ পিতা আৰু ভাইৰ নাম কলে। কিন্তু সুমনৰ আন্তৰিক আগ্রহ দেখা পাই শ্বাশুৰ প্রসাদ আৰু শ্যালক গনমতিৰ নাম-ঠিকনা দিয়ে।

আশ্চর্য হৈ চিন্তা কৰি থাকে সুমন। মোহন আৰু বিকাশ, দুয়োজনেই নাৰায়নৰ পুত্র। আকৌ দুয়োজনে প্রসাদৰ জোৱাই। নাৰায়নৰ কথাত এনে একো মনত নহয়। যি নহওক কিয়, নাৰায়নৰ কথাত নিশ্চয়ই কোনো ৰহস্য আছে। পুত্র সকলৰ ওচৰত তেঁওৰ নাম কবলৈ হাক দিয়ে, অথচ দেখা কৰিবলৈ কয়। আৰু সচাকৈ, তেঁওৰ নাম উচ্চাৰন নকৰিয়ৈ কামটো সমাধা হৈছে।

নিমন্ত্রনৰ বাবে সুমনক যাৰই লাগিছিল নাৰায়নৰ ওচৰত। তাৰবাবে সি শ্যামনগৰৰ উদ্দেশ্যত যাত্রা আৰম্ভ কৰে, নাৰায়নক সুধিব এই ৰহস্যৰ মৰ্ম।

নাৰায়নৰ ঘৰত আহে। তেঁওক নমস্কাৰ কৰি বিনম্র হৈ কলে, "মহানুভব! যেতিয়াই আপোনাৰ বিষয় শুনিছো তেতিয়াই মোৰ মূৰ তল হৈ আহিছে। আপোনাৰ গভীৰ জ্ঞান, ব্যক্তিত্ব, পৰোপকাৰ ভাবনা আৰু নিঃস্বাৰ্থ মানবসেবাৰ দৰে দুলৰ্ভ গুনাবলী মোক মুগ্ধ কৰিছে।

"আপোনাৰে পৰামৰ্শ অনুযায়ী মই আপোনাৰ মিত্র প্রসাদৰ জোৱাই মোহন আৰু আপোনাৰ দ্বিতীয় পুত্র বিকাশৰ লগত লগ কৰো। এজনে আনজনক মহান কৰি তোলে। আপোনাৰ বিশ্বাস অনুযায়ী সিঁহত দুজনে মোৰ সমস্যাৰ সমাধান কৰি দিছে। সিঁহতৰ ধুনীয়া স্বভাৱ, নিঃস্বাৰ্থ পৰোপকাৰবৃত্তি আৰু আথিথেয়তা ঠিক আপোনাৰ অনুৰূপ। সিঁহতৰ সহায়তা আৰু আপোনাৰ অশীৰ্বাদত মই মোৰ লক্ষ্যত পাইছো। তাত চইৰত এজন বিখ্যাত কলাশিল্পী শেখৰৰ ওচৰত থাকি সাহিত্য আৰু সংগীতত আৰাধনা কৰাৰ সুযোগ আহিছে।

এই উপলক্ষ্যত অপোনাক এখন

প্ৰীতিভোজত নিমন্ত্ৰন কৰিবলৈ আহিছো য'ত মোৰ কৃতজ্ঞতা জনাবলৈ পাৰো। তাৰলগত এটা কথা পৰিষ্কাৰ কৰি দিয়ে যে, যেতিয়া দুয়োজনেই আপোনাৰ পুত্ৰ আৰু প্ৰসাদৰ জোৱাই হয় তেতিয়া আপোনাৰ দুজন পুত্ৰৰ মাজত এজনক প্ৰসাদৰ জোৱাই আৰু আনজনক আপোনাৰ পুত্ৰ কৈছিলে কিয়?"

নাৰায়ন হাঁহি পেলাই কলে, "যদিও মোৰ দুজন পুত্ৰৰ সমান সমৰ্থ, সম্পানীয় আৰু পৰোপকাৰী, অতিথিসেবাত আমাৰ আদৰ্শ অনুসৰন কৰিছে, কিন্তু মোহনৰ স্বাভাৱিক টান তেঁওৰ শ্বশুৰেকৰ ফালেই অধিক আৰু বিকাশৰ টান মোৰ প্ৰতি। মোহনৰ ঘৰত তেঁওৰ শ্বশুৰেকৰ ঘৰৰ প্ৰভাব পড়িছে, আৰু বিকাশৰ ঘৰত তেঁওৰ পিতাৰ প্ৰভাব। যেনেধৰনে বুদ্ধৰঅনুগামী বৌদ্ধ, শিব-অনুগামী শৈব, ভাগবানক যোনে মান্য কৰে সিঁহতক ভক্ত গুৰুক যোনে মান্য কৰে সিঁহতক শিষ্য বুলি কয়, ঠিক তেনেকৈ শ্বশুৰেকক যোনে অধিক মান্য কৰে সি জোৱাই আৰু পিতাক যোনে মান্য কৰে সিই হ'ল পুত্ৰ। মানুহৰ নাম আৰু পদ তেঁওৰ আচৰন আৰু ব্যৱহাৰশৈলীৰ প্ৰতিবিম্ব, এইকথা পাহৰি নাযায়।

"তুমি যদি কবি আৰু শিল্পীসকলৰ বৃহৎ পৰিধিৰ মাজত নগৈ অকল শেখৰৰ ব্যক্তিগত জীৱন আৰু তাৰ আশ্ৰয়ৰ মাজত বন্দী হৈ যোৱা তেতিয়া হলে তুমি তো তাৰ সেৱক হৈ গলা. মহাকবি বা মহান গায়ক বা শিল্পী হব নোৱৰা।"

নাৰায়নৰ কথাবিলাক সুমনৰ অন্তৰ স্পৰ্শা কৰে। তেঁওৰ জ্ঞান প্ৰকাশৰ মাজত এইটোও জনা গ'ল যে মোহন প্ৰথমতেই কিয় শ্বশুৰ আৰু শ্যালকৰ নাম দিছিলে, সেইবাবে প্ৰথম পাৰিচয়ত সি প্ৰসাদৰ জোৱাই, পাছত নাৰায়নৰ পুত্ৰ। বিকাষও তেনেধৰনৰ, প্ৰথমতে পিতাৰ নাম উচ্চাৰন কৰিছে, শ্বশুৰেকৰ নাম পাছত। তাৰবাবে সি প্ৰথমতে নাৰায়নৰ পুত্ৰ, পাছত প্ৰসাদৰ জোৱাই।

জোৱাই আৰু পুত্ৰ - এই ৰহস্য গম পোৱাৰ ফলত নাৰায়নক প্ৰীতিভোজত যোৱাৰ বাবে আন্তৰিকতাৰে নিমন্ত্ৰন জনাই সুমন অৱশেষত বিদায় লয়।



শ্ৰী কৃষ্ণৰ - দৌত্য

মহাভাৰত

হস্তিনাপুৰৰ শ্ৰীকৃষ্ণৰ অহাৰ খবৰ দাবা নলৰ দৰে বিয়পি পড়ে। ধৃতৰাষ্ট্ৰ খবৰ শুনাৰ লগে লগে ভীষ্ম, দ্ৰোন, সঞ্জয়, বিদুৰ আৰু দুৰ্যোধনক মাতি পঠালে। সকলোৱে সমবেত হোৱাৰ পাছত তেঁখেতে সিঁহতক নিৰ্দেশ দি কলে, "হস্তিনাপুৰত স্বয়ং শ্ৰীকৃষ্ণ আহি আছে, তেঁখেতক স্বাগত জনোৱাৰ বাবে ৰাজধানীক সুসজ্জিত কৰি তোলা, ৰাজপথত তোৰন নিৰ্মান কৰা। ঠাইয়ে ঠাইয়ে আবশ্যকীয় সুবিধালাভৰ আয়োজন কৰা। মনত ৰাখিবা, তেঁখেতৰ স্বাগত-সৎকাৰত যেন কোনো ভুল নাথাকে।"

মহাৰাজ ধৃতৰাষ্ট্ৰৰ নিৰ্দেশানুসাৰত দুৰ্যোধন হস্তিনাপুৰৰ ৰাজপথ অকল নহয়, গোটেই ৰাজ্য সজায়, তোৰন নিৰ্মান কৰে, বিভিন্ন ৰঙৰ পতাকা উড়াই দিয়ে।

শ্ৰীকৃষ্ণ এইবিলাকৰ প্ৰতি দৃষ্টিপাত নকৰি সোজা হস্তিনাপুৰত আহি পায়। দুৰ্যোধন ব্যতীত ধৃতৰাষ্ট্ৰৰ সকলো পুত্ৰ নিজৰ নিজৰ ৰথেৰে ভীষ্ম আৰু দ্ৰোনৰ লগত তেঁখেতক স্বাগত জনাবলৈ আহে।

ধৃতৰাষ্ট্ৰৰ প্ৰাসাদৰ আগত ৰথ আহি ৰখিলে শ্ৰীকৃষ্ণ ৰথৰ পৰা নামি খুজকাঢ়িগৈ তেঁখেতৰ ৰাজসভাত আহি উপস্থিত হয়। ধৃতৰাষ্ট্ৰসহ ভীষ্ম আৰু বাকী ৰাজসবাসদ সকলে তেঁখেতৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি থিয় হয়।

শ্ৰীকৃষ্ণ সকলোৱে আগত ভীষ্ম আৰু ধৃতৰাষ্ট্ৰৰ লগত লগ কৰি সিঁহতৰ কুশলমঙ্গলৰ বিষয়ে সুধে। তাৰপাছত তাত উপস্থিত বাকী সকলো ৰজা আৰু গন্যমান্য মানুহৰ লগত কুশল বিনিময় কৰে।

ধৃতৰাষ্ট্ৰ শ্ৰীকৃষ্ণক স্বৰ্নসিংহাসনত বহুৱায়।

পানীৰে ভৰি ওঠে।

কুন্তীক সান্ত্বনা দি শ্ৰীকৃষ্ণ কলে, "তোমাৰ সকলো পুত্ৰ, বোৱাৰী ভালেই আছে। সিঁহতৰ ৰাজ্যৰ অধিকাৰ লৈ সিঁহতে অতিশোনকালে তোমাৰ লগত লগ হব। আৰু কেইদিনমান ধৈৰ্য ধৰা।"

কুন্তীৰ পৰা বিদায় লৈ শ্ৰীকৃষ্ণ আহে দুৰ্যোধনৰ লগত সাক্ষাৎ কৰিবলৈ। দুৰ্যোধনৰ মহল ইন্দ্ৰপুৰীৰ দৰে সুসজ্জিত। দুৰ্যোধন তেতিয়া এখন অলংকৃত কক্ষত ৰত্নখচিত সিংহাচনত বহি আছিল, অহংকাৰত আচ্ছন্ন হৈ। দুঃশাসন, কৰ্ন আৰু সকুনি তেঁওৰ ওচৰতেই বহি আছিল। শ্ৰীকৃষ্ণ প্ৰবেশ কৰাৰ লগে লগে সকলোৱে থিয় হয়। দুৰ্যোধন তেঁখেতক বিশেষভাবে সজ্জিত এখন আসনত বহায়। শ্ৰীকৃষ্ণ তাত উপস্থিত সকলোৰে কুশলমঙ্গলৰ বিষয়ে সুধে। সেই-ৰাতিটো তেঁওৰ মহলত আহাৰ আৰু বিশ্ৰাম কৰিবলৈ প্ৰাৰ্থনা জনায় দুৰ্যোধন। উপায় নাই বুলি শ্ৰীকৃষ্ণ সেই অনুৰোধ ৰক্ষা নকৰে।

দুৰ্যোধন আকৌ অনুৰোধ কৰে, "কৃষ্ণ, তুমি তো নিৰপেক্ষ থাকি কৌৰব আৰু পান্ডব সকলৰ সাহায্য কৰি আহিছা। তাৰবাবে, মই তোমাক অন্তৰৰ পৰা কৈ আছো, তুমি মোৰ অতিথ্যক স্বীকাৰ কৰা। মোৰ প্ৰাৰ্থনা কিয় তুমি ঘুৰাই দি আছা?"

"মই ইয়াত দূত হিচাবে আহিছো। যিমান সময় মোৰ উদ্দেশ্য পূৰ্ন নহয় তিমান সময় মই তোমাৰ আতিথ্য স্বীকাৰ কৰিব নোৱাৰি।" শ্ৰীকৃষ্ণ উত্তৰ দিয়ে।

"তোমাৰ উদ্দেশ্য পূৰ্ন হওক বা নহওক, তাৰ লগত মোৰ কোনো সম্পৰ্ক নাই। তোমাৰ

তেঁখেতৰ আতিথ্য স্বীকাৰ কৰে শ্ৰীকৃষ্ণ, অলপসময় বাকীসকলৰ লগত কথা পাতি বিদুৰৰ ঘৰত যায়।

সেইদিনাখন আবেলীৰ সময়ত কৃষ্ণ কুন্তীৰ লগত লগ কৰিবলৈ যায়। কৃষ্ণক সাদৰ আহ্বান জনাই তাইৰ পুত্ৰসকলৰ কুশল সংবাদ সুধে কুন্তী, "কৃষ্ণ, মোৰ পুত্ৰসকলে মোক ইয়াত অকলে ৰাখি বনত গুচি যায়। পিতৃহীন সন্তানসকলক মই যিদৰে সস্নেহেৰে পালন কৰিছো, সিহতে ভয়ংকৰ বন-জংগলত কেনেদৰে জীৱন কটাই আছে নাজানো। যুধিষ্ঠিৰ, ভীম, অৰ্জুনৰ সংবাদ সকলো ভাল তো? নকুল, সহদেব আৰু দ্ৰোপদী কেনে আছে? সিঁহতক মই কেতিয়া লগ পাম? তুমি থকা সত্ত্বেও ধৰ্মপৰায়ন আত্মা সকলৰ এই দুৰ্দশা কিয়?" এইবিলাক কৈ কুন্তীৰ দুই-চকো

উদ্দেশ্য পূৰ্ন কৰিবলৈ মোক পাবা, এনেধৰণৰ ধৰনা নকৰিবা। তুমি হস্তিনাপুৰত আহিছা, তাৰবাবে তোমাৰ সৎকাৰ কৰা আৰু সম্মান জনোৱা আমাৰ কৰ্তব্য। আমাৰ অনুৰোধ তোমাক অবশ্যই ৰক্ষা কৰিব লাগিব।" নিয়ম ৰক্ষাৰ ভাব প্ৰকাশ কৰি দুৰ্যোধনে কলে।

দুৰ্যোধনৰ মনৰভাব বুজি শ্ৰীকৃষ্ণ হাঁহিমুখেৰে কলে, "দুই ধৰনৰ মানুহৰ লগত ভোজন কৰি অনন্দ পোৱা যায়। যোনে ভালপায় আৰু যোনে বিপাত্তিৰ মাজত পড়িছে সিঁহতৰ লগত। মোৰ প্ৰতি তুমাৰ অন্তৰত কোনো ভালপোৱা নাই। নিজৰ পাৰিবাৰৰ অন্তৰ্ভূক্তপান্ডৱসকলৰ প্ৰতিই তোমাৰ অলপও প্ৰেমভাব নাই। অকাৰনত সিঁহতক তুমি হিংসা কৰা, শত্ৰু হিচাবে দেখা। ধৰ্মানুসাৰত সিঁহতৰ আচৰনক কোনেও দোষাৰোপ কৰিব পৰা নাই। ইয়াৰ বাবেই সিঁহতে মোৰ প্ৰিয়। সিঁহতৰ লগত সত্ৰুতা অৰ্থ মোৰ লগত শত্ৰুতা। ইয়াৰ বাবেই তমোলোকৰ আতিথ্য গ্ৰহন কৰা মোৰ পক্ষত অনুচিত।

ইয়াৰ পাছত কালবিলম্ব নকৰি শ্ৰীকৃষ্ণ উঠি বিদুৰৰ মহলত যায়, তাত আহাৰ কৰে, আহাৰৰ শেষত বিদুৰে শ্ৰীকৃষ্ণক কলে, কৃষ্ণ, ইয়াত আহি তুমি ঠিক কাম কৰা নাই। দুৰ্যোধনৰ ও এতিয়া আৰু কোনো চিন্তা নাই, অকল যুদ্ধৰ চিন্তা। কৰ্নৰ দাম্ভিক আস্ফালন, সি অকলেই পান্ডৱসকলক পৰাস্ত কৰিবলৈ যথেষ্ট। ইয়াৰ বাবে সি শান্তিৰ বিৰুদ্ধত। কৰ্নৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰি দুৰ্যোধন যুদ্ধৰ বাবে জপিয়াই আছে ইয়াৰ বাহিৰে, সিঁহতৰ সৈন্যবল অধিক। সিঁহতৰ পক্ষ সমৰ্থনকাৰী ৰজাসকলেও তোমালোকৰ পুৰনি শত্ৰু। সিঁহতে তোমাৰ প্ৰতিটো কথাৰ বিৰোধিতা কৰিব, সিঁহতৰ মঙ্গলৰ বাবে বিচাৰিলেও। সঁচাকৈ, তোমাৰ শক্তিৰ ওপৰত মোৰ পৰিপূৰ্ন বিশ্বাস আৰু নিৰ্ভৰতা আছে, তথাপি, মই নিবিচাৰো তুমি সিহতক বুজাবলৈ যোৱা।"

বিদুৰৰ মন্তব্যক সমৰ্থন কৰি শ্ৰীকৃষ্ণ কলে, "মিত্ৰৰ দৰে তুমি সঠিক পৰামৰ্শ দিছা। যি ঘটিব তাকে সঠিক তুমি ব্যক্তকৰিছা। তথাপি শান্তিৰ বাবে, উভয় পক্ষক বিনাশাৰ হাতৰ পৰা বঁচাবলৈ প্ৰয়াস কৰা মোৰ ধৰ্ম। নীৰব হৈ বহি থকা উচিত নহব। যদি প্ৰয়াস নকৰো তেতিয়াহলে মানবসমাজ মোক দোষাৰোপ কৰিব যে উভয়পক্ষক মই সৰ্বনাশৰ ফালে ঠেলি দিছো। আৰু সিহতৰ সন্মুখত গলে মোৰ সংকট অহিব পাৰে - এনেধৰনৰ চিন্তাক তুমি স্থান নিদিবা।"



সেই ৰাতি শ্ৰীকৃষ্ণ বিদুৰৰ ঘৰতেই বিশ্ৰাম লয়। পাছদিনা খন ৰাতিপুৱা শ্ৰীকৃষ্ণ যেতিয়া ৰথৰ ফালে আগবাঢ়ি গৈ আছিল তেতিয়া ধৃতৰাষ্ট্ৰৰ তৰফৰ পৰা দুৰ্যোধন আৰু শকুনি তেঁওক ৰাজসভাত লৈ যোৱাৰ বাবে আহে। সিহতৰ লগত বহুতো ৰজা হাতী আৰু ঘোৰাত আৰোহন কৰি আহে। ৰাজপথেৰে নিজৰ ৰথত কৃষ্ণ চলি আছিল, তেঁওক পৰিবেষ্টিত কৰি আৰু সকলোৱে চলি আছিল। সেই দৃশ্য দেখিবলৈ স্ত্ৰী-পুৰুষ বালক-বৃদ্ধ সকলোৱে ঘৰ এৰি ৰাস্তাত আহি খাড়া হয়।



ধৃতৰাষ্ট্ৰৰ ৰাজসভাৰ প্ৰধান দুৱাৰৰ আগত শ্ৰীকৃষ্ণৰ সংকেতত সাৰথি দাৰুক ৰথ ৰখায়। সাত্যকি আৰু বিদুৰৰ লগত শ্ৰীকৃষ্ণ সভাত প্ৰবেশ কৰে। সভাসদ আৰু উপস্থিত সকলে আসন এড়ি, সন্মান-সহকাৰে বিশিষ্ট আসনত বহুৱায়। বিদুৰ আৰু সাত্যকি তেঁওৰ আগত নিজৰ নিজৰ আসনত বহে।

সভা একেবাৰে নীৰব। সকলোৰে দৃষ্টি শ্ৰীকৃষ্ণৰ ওপৰত নিবদ্ধ। তেঁও সকলোকে দেখে। ধৃতৰাষ্ট্ৰৰ ওপৰত দৃষ্টি পড়িলে কৃষ্ণ তেঁখেতেক সম্বোধন কৰি কলে, "যদিও কৌৰব আৰু পান্ডব সকলৰ মাজত যুদ্ধৰ প্ৰস্তুতি প্ৰায় সম্পন্ন হৈছে, তথাপি মহাৰাজ, পান্ডবসকলৰ পক্ষৰ পৰা আপোনাৰ ওচৰত শান্তিৰ প্ৰস্তাব লৈ আহিছো। পান্ডব সকলে শান্তিস্থাপনৰ পক্ষত নহলেও যুদ্ধৰ বিভীষিকা আৰু ভয়ংকৰ পাৰিনতিৰ কথা চিন্তা কৰি মই শান্তি স্থাপনৰ বাবে সম্পাত কৰাম।

"ভাৰতত সকল ৰাজবংশৰ মাজত কুৰুবংশ সৰ্বশ্ৰেষ্ট আৰু আপোনি এই বংশৰ শীৰ্ষত আছে। যদি যুদ্ধ হয়, তেতিয়াহলে কুৰুবংশৰ বিনাশৰ লগে লগে আৰু সকলো ৰাজবংশও ধ্বংস হব। আৰু তাৰ বাবে কলংক ভোগ কৰিব লাগিব আপোনাক। যদি আপোনাৰ বংশৰ কোনেও অধৰ্ম কৰে, নীতিবিৰুদ্ধ কাম কৰে, তেঁওক দন্ড দিয়া আপোনাৰ উচিত আৰু ধৰ্ম।

"আপোনাৰ পুত্ৰসকলে ধৰ্মৰ মৰ্যাদাক খন্ড-বিখন্ড কৰিছে। পাপ-পুন্য, ভাল-বেয়া, উচিত-অনুচিত বুজিবলগীয়া শক্তিআৰু জ্ঞান হেৰুৱাই পেলাইছে। অভাবনীয় অত্যাচাৰ কৰিছে পান্ডব সকলৰ ওপৰত। সমৰ্থ হৈও সিহতে মোৰ কথাত সকলো কষ্ট সহ্য কৰি চলিছে। এইবোৰ আপোনি বিলক্ষন জানে। বিনাশাকাৰী যুদ্ধৰ সংকট যদি আহে তাৰ দায়িত্ব হব কৌৰবসকল। অবশ্য আপোনি যদি মনে কৰে কুৰুবংশক ৰক্ষা কৰিব পাৰে।

আপোনি সদিচ্ছা পোষন কৰিলে কৌৰব আৰু পান্ডবসকলৰ মাজত শান্তিস্থাপন কৰিব পাৰে। আপোনি আপোনৰ পুত্ৰসকলৰ অনুচিত আৰু ধৰ্ম বিৰুদ্ধ কাম কৰিববৈলে বন্ধ কৰিব পাৰে। সিঁহতক সৎপথত চলিববৈলে আদেশ দিব পাৰে। এইবোৰ কৰাৰ অধিকাৰ আপোনাৰ আছে। আপোনাৰ ন্যায়পূৰ্ন আদেশ পালনত সিঁহতক আপোনি বাধ্য কৰিব পাৰে, কাৰন আপোনিই সিঁহতৰ পিতা, সিঁহতৰ সম্ৰাট।

"যুদ্ধত পান্ডবসকলৰ কোনেও জয় কৰিব নোৱাৰে। সিঁহতে অজয়। যদি আপানি পান্ডবসকলৰ লগত সন্ধি কৰে, যুদ্ধ হোৱা বন্ধ কৰে তেতিয়াহলে আপোনালোকৰ ভাল হব। যিমানদিন পান্ডবসকলে আপোনালোকৰ লগত থাকিব, তিমানদিন আপোনি এই পৃথিবীত নিষ্কন্টক ৰাজ্যশাসন কৰিব পাৰিব, কাৰন সিঁহতৰ পৰাস্ত কৰিব পৰা শক্তি এতিয়ালৈক পৃথিৱীত জন্ম গ্ৰহন কৰা নাই। এই যুদ্ধত প্ৰায় সকলো ৰজা অংশ লব আৰু কীটৰ দৰে মাটিত মিলি যাব, বীৰৰ অস্তিত্ব নাথাকে। আপোনি দৃঢ়তা প্ৰকাশ কৰিলে এই বিনাশৰ পৰা পৃথিবীৰ ৰক্ষা কৰিব পাৰিব।

"আপোনাৰ পুত্ৰসকলক আপোনি সৎপথত ধৰ্মপথত লৈ আহক। মই পান্ডবসকলক ক্ৰোধৰ জুই নিৰ্বপিত কৰিম। এনেদৰেই শান্তি সম্ভব।

"ইয়াৰ বাহিৰে, পিতৃহীন পান্ডবসকলক আপোনি বাদে কোন নো আছে ? সংকটৰ সময়ত সিঁহতে কাৰ ওচৰত যাব? সিঁহতে আপোনাৰ সন্তানৰ দৰে। আপোনি জানে, ধৰ্মৰাজ কেনে সৰল হৃদয় সম্পন্ন। জতুগৃহদাহৰ পাছতও তেএখতে আপোনাৰ ওচৰ আহিছে। আপোনি তেঁখেতক ইন্দ্ৰপ্ৰস্থত যাবলৈ কলে সিহতে নীৰবে শ্ৰদ্ধাৰ সৈতে মান্য কৰে। শকুনি তেঁখেতৰ লগত মিছা ছলনা কৰিছে জানিপেলাইও তেঁখেতে যি কৈছে তাকেই শুনিছে।

"সৰ্বশেষত, কৌৰব আৰু পান্ডবসকলৰ মঙ্গলৰ কথা মনত ৰাখি পূৰ্ন সভাগৃহত সকলোৰে ওচৰত আবেদন কৰিছো। যে, পান্ডবসকলৰ পিতাৰ আধা ৰাজ্য ন্যায় আৰু ধৰ্মসঙ্গত অনুযায়ী সিঁহতক উভতাই দিয়া হওক। ইয়াত উপস্থিত সকল ৰাজা আৰু প্ৰতিনিধিবৰ্গক একেলগে বহাই প্ৰীতি ভোজৰ আয়োজন কৰা হওক আৰু পাৰস্পৰিক ঈৰ্ষা, দ্বেষ, ঘৃনা আৰু শত্ৰুতা ত্যাগ কৰি নিজৰ নিজৰ ৰাজ্যত উভধি যায়।

"কিন্তু যদি সভা অধৰ্ম আৰু অন্যায়পূৰ্ন

সিদ্ধান্ত গ্ৰহন কৰে তেতিয়াহলে তাৰ বাবে দায়ী হব এই সভা।

"সকলো বিচাৰ কৰি মই এই শান্তি প্ৰস্তাব মহাৰাজ আৰু তেঁখেতৰ সভাসদ সকলক জনালো। এতিয়া, বিবেচনা কৰি সিদ্ধান্ত লোৱাৰ দায়িত্ব আপোনাৰ হাতত।"

শ্ৰীকৃষ্ণ মনে মনে থাকে। সকলো সভাগৃহ নীৰব। দীৰ্ঘসময় পাৰ হৈ গলে পৰশুৰাম ধৃতৰাষ্ট্ৰক সম্বোধন কৰি প্ৰাচীনকালৰ অহংকাৰী ৰজা দম্ভোদ্ভৱৰ কাহিনী কলে:

দম্ভোদ্ভব সদায় ৰাজসভাত নিজৰ বীৰত্বৰ কাহিনী শুনাই সুধে, "কোৱা, পৃথিৱীত আমাৰ তুলনাত শ্ৰেষ্ঠ যোদ্ধা কোন আছে?"

মুনি-ঋষি সকলে তেঁওক বুজায় যে, ইমানখিনি আত্মবিশ্বাস আৰু গৰ্ব কেতিয়াও উচিত নহয়। এইটোৱেই ঘাতক হৈ খাড়া হয়। কিন্তু ৰজাৰ জ্ঞান নহয়। সুতৰাং, ঋষিসকলে তেঁওক কলে, গন্ধমাদন পৰ্বতত তপস্যা কৰি থকা দুজন তপস্বী আছে, সিঁহতে মহাবীৰ।

দম্ভোদ্ভব তেঁখেতৰ সেনাবাহিনী লৈ গন্ধমাদন পৰ্বতত যায়। দুজন তপস্বী তেতিয়া ধ্যানমগ্ন। সিঁহতৰ ধ্যানভঙ্গ কৰাৰ বাবে বহুধৰনে চেষ্টা কৰে। অবশেষত এজন তপস্বী চকু খুলি চায়। ৰজাক দেখি তেঁখেতে স্বাগত জনায়। কিন্তু দম্ভোদ্ভব বলপৰীক্ষাৰ বাবে উস্কানি দি থাকে। তেতিয়া তপস্বী এটা কুশৰ অগ্ৰভাগ ছিঙি সেইটো তেঁওৰ সেনাসকলৰ ফালে দলিয়াই মাৰে। সকলো সেনা বাহিনী চকুৰ দৃষ্টি হেৰাই অচৈতন্য অৱস্থাত মাটিত পড়ি যায়। দম্ভোদ্ভব শক্তিহীন হৈ যায়। তেতিয়া দম্ভোদ্ভবৰ দম্ভ যায়। তপস্বীৰ চৰনত লুটি পড়ি ক্ষমাভিক্ষা কৰে।

"মিছা প্ৰলাপ ত্যাগ কৰি প্ৰজাকল্যান আত্মনিয়োগ কৰা, তেতিয়াহলে উত্তম ৰজা হব পাৰিবা।" এই বুলি কৈ তপস্বী সৈন্যসকলৰ দৃষ্টিদান কৰে, চেতনা ঘুৰাই দিয়ে। তাৰপাছত, আকৌ ধ্যানত ডুবি যায়।

"এই দুয়োজন তপস্বী আছিল নৰ আৰু নাৰায়ন। যোনে কুশৰ অগ্ৰভাগ নিক্ষেপ কৰে তেঁখেতে নৰ, আনজন নাৰায়ন। এই নৰ-নাৰায়ন বৰ্তমানৰ অৰ্জুন আৰু শ্ৰীকৃষ্ণ। অৰ্জুন গাণ্ডীব হাতত তুলি লোৱাৰ আগতেই নিজৰ দম্ভ ত্যাগ কৰি তেঁখেতৰ শৰন লোৱা শ্ৰেয়। তাতে তোমাৰ আৰু তোমাৰ বংশৰ কল্যান হব।" - ইমানখিনি কোৱাৰ পাছত পৰশুৰাম মনে মনে থাকে। (ক্ৰমশ)

ধুনীয়াৰ খোঁজত

এজনী ৰমনী ৰানীৰ সেবিকা আছিল। ৰানীৰ বৰ বিশ্বাসী তাই। ৰানীৰ কক্ষ পৰিস্কাৰ কৰাৰ সময়ত কেতিয়াৱা কেতিয়াবা তাই পাইছে মনি বা সোনৰ টুকুৰা যি ৰানীৰ কোনো মূল্যবান অলংকাৰৰ পৰা খুলি পড়িছে। যেতিয়া যি পাইছে তেতিয়াই সেইবোৰ ৰানীক ঘুৰাই দিছে। তাইৰ এই ব্যৱহাৰ আৰু বিশ্বাস যোগ্যতাত ৰানী খুশি হৈ তাইক সদায় উপহাৰ দিছিলে; তাইক দিবঁলে সদায় নিজৰ ওচৰত কিবা না কিবা ৰাখি থৈছিল।

ৰমনীৰ সৰু লৰাটো দুৰত কোনো এখন গাঁওত তেওৰ মমায়েকৰ ঘৰত থাকে। কাৰন, তেঁওৰ মমায়েক আছিল এজন শিক্ষক আৰু শিক্ষালাভৰ বাবে বহুতো লৰা তেঁখেতৰ তাত আছিল।

এদিনাখন লৰাটো তেঁওৰ দেউতা আৰু মাকৰ ওচৰত আহে। তেঁওৰ মাক ৰানীৰ ওচৰত পুৰস্কাৰ পোৱা সকলো মনিৰত্ন আৰু স্বৰ্নালংকাৰ দেখুৱায়। "কি ধুনীয়া সেইবোৰ!" আশ্চৰ্য হৈ সেইবোৰ চাই থাকে তাইৰ লৰা। "এইবোৰ ধুনীয়া ঠিকই কিন্তু, মূল্যবান মনিৰত্নখচিত অলংকাৰ যাৰ সেই ৰানীক চালে তুমি বুজিব পাৰিলা হয় ধুনীয়া কি বস্তু।" সৰু লৰাটোৰ মাকে কলে।

লৰাটো মনে মনে থাকে, কোনো গভীৰ চিন্তাত ডুবি যায়। পাছদিনাখন ৰাতিপুৱা তেঁওক আৰু পোৱা নাযায়। মাকে আকুল হৈ লৰাক বিচাৰি ফুৰে, প্ৰতিবেশী সকলে বিচাৰে, কিন্তু সৰু লৰাটোক কতো পোৱা নাযায়।

বহু বছৰৰ পাছত লৰাটোৰ মাকে তাইৰ সন্তানৰ পৰা এখন চিঠি পায়: "মা, মই মমায়েকৰ ওচৰত জানিব পাৰিছো সূৰ্য, চন্দ্ৰ, তৰা, নীলা আকাশ, সকলো ভগবানৰ অলংকাৰ। তুমি কৈছিলা, ৰত্নখচিত অলংকাৰ বিলাক কিমান ধুনীয়া, আৰু সেইবোৰ যোনে পৰিধান কৰে তেঁখেতে আৰু ধুনীয়া। তোমাৰ মন্তব্য মোৰ কৌতূহলক বঢ়াই দিয়ে। যদি সূৰ্য, চন্দ্ৰ, নক্ষত্ৰ ইমান ধুনীয়া হব পাৰে, তেতিয়াহলে যে ভগবান এইবাৰক ধাৰন কৰে তেঁখেতে আৰু কিমান ধুনীয়া! মই তেঁখেতৰ উদ্দেশ্যত ওলাই আহো। তুমি খুশি হবা শুনি পেলাই যে, তেঁখেতক দৰ্শন কৰিছো মই। ইমান অপূৰ্ব মহান তেঁখেতে যে, ভাযাত প্ৰকাশ কৰিব নোৱাৰি।"

পুত্ৰৰ চিঠি পড়ি মাকৰ চকুত অশ্ৰুধাৰা নামে। তথাপিও খুশি যে, তাইৰ পুত্ৰ এনেকুৱা কিবা লাভ কৰিছে যি খুব কম মানুহেই পায়।

পিতাৰ বাবে

পাকুৰদেশৰ ৰজা শিবকুমাৰ পৰিজন সকলক লৈ শিকাৰ কৰিব যায়। শিকাৰৰ খোঁজত বনৰ ভিতৰত এফালে সিফালে যাঁওতে ৰজা বৰ ক্লান্ত হৈ পড়ে, কিন্তু এটাও শিকাৰ নাপায়। লগৰীয়াসকলে ক'ত পিছফালে হেৰোই গৈছে, তাৰ বাবে সিঁহতৰ বাবে প্ৰতীক্ষাত আৰু বিশ্ৰামলাভৰ আশাত এখন গছৰ তলত বহি পড়ে। গছৰ ফুলৰ পৰা মাদক গন্দ আহি আছে। শিবকুমাৰৰ চকু বন্ধ হৈ আছে।

অলপসময়ৰ পাছত চকু মেলি দেখা পায় এজনী অলৌকিক সুন্দৰী তাত উপস্থিত। আশ্চৰ্য, সেই নিৰ্জন বনত স্বৰ্গৰ আপ্সৰাৰ দৰে ধুনীয়া যুবতী কৰ পৰা আহিল ! সৌন্দৰ্য্যত মুগ্ধ হৈ তাইৰ ওচৰত আহি ৰজা সুধে, "হে নাৰী, অলৌকিক তোমাৰ সৌন্দৰ্য । কোন তুমি? নিৰ্জন এই বনত কিয় তুমি অকলে আহিছা? কোনো সাহায্য কৰিব পাৰো নে?"

"মই এজনী গন্ধৰ্ব কন্যা। আকাশপথেৰে গৈ আছিলো, এই ফুলৰ সৌন্দৰ্য আৰু সুগন্ধ মোক আকৃষ্ট কৰে। তাৰবাবে ভালদৰে উপভোগ কৰিবলৈ মই তলত নামি আহো।" সুন্দৰী উত্তৰ দিয়ে।

ৰজা তাইক কলে, "মই এই দেশৰ ৰজা। তোমাক মই বিয়া কৰিব বিচাৰো। মোৰ সকলো তোমাক দিম, স্বৰ্গৰ দৰে সুখ আনন্দৰ মাজত তোমাক ৰাখিম। মোৰ ৰানী হৈ এই পৃথিবীত থাকা, গন্ধৰ্ব লোকত উভতি নাযাবা।"

ৰজাৰ এই মোহ গন্ধৰ্বকন্যাৰ ভাল নালাগে, তাই অস্বীকাৰ কৰে। তথাপি ৰজা তাইৰ সৌন্দৰ্যৰ মোহত অন্ধৰ দৰে তাইৰ প্ৰনয় ভিক্ষা কৰি থাকে।

সুন্দৰী ক্ষুব্ধ হৈ শেষত ৰজাক আভিশাপ দি কলে, "ৰাজন, তুমি বিবেকহীন হৈ স্বৰ্গ আৰু পৃথিবীৰ মাজৰ ব্যৱধ্যান পাহৰিছা। যি দৃষ্টিৰ ফলত তোমাৰ এনেধৰনৰ আচৰন, সেই দৃষ্টিৰ পৰা তুমি বঞ্চিত হবা।" কৈ তাই আকাশত উড়ি যায়।

তাই গুচি যোৱাৰ লগে লগেই ৰজাৰ চকুৰ জ্যোতি কমি আহে, অনুতপ্ত হৈ কেচুৰাৰ দৰে কাঁন্দিবলৈ আৰম্ভ কৰে। ইতিমধ্যে ৰজাৰ লগৰীয়াসকলে ৰজাৰ ওচৰত আহে। ৰজাৰ দুৰবস্থা দেখি সিঁহতৰ বৰ দুঃখ হয়।

প্ৰাসাদত উভতি আহিলে ৰাজবৈদ্য চাই পেলাই ঔষধ দিয়ে। কিন্তু, কোনো লাভ নহয়। ৰাজবৈদ্য জনায়, অভিশাপৰ ফলত যি বেমাৰ, ঔষধেৰে সেয়া ভাল নহয়। একমাত্ৰ, যোনে অভিশাপ দিছে তাই পাৰে শাপমুক্ত কৰিব।

ৰজা শিবকুমাৰৰ পুত্ৰ ৰাজকুমাৰ নিৰঞ্জন বৰ সাহসী আৰু পিতৃভক্ত যুৱক। পিতাৰ এই কষ্ট তেঁওৰ অসহ্য লাগে। প্ৰতিজ্ঞা কৰে তেঁও, গান্ধবলোকত গৈ সেই গন্ধৰ্বকন্যাক মিনতি জনাব পিতাক অভিশাপমুক্ত কৰিবলৈ। ইয়াৰ বাবে প্ৰান দিবলৈ হলেও তেঁও দিব।

পণ্ডিতসকলৰ ওচৰত জানিব পাৰে, পুবফালে গন্ধৰ্বলোক অৱস্থিত। ৰাজকুমাৰ ৰাজ্যৰ পুৱফালে যাত্ৰা কৰে। বহুদিন চলাৰ পাছত এটা গহন নিৰ্জন বনত আহি পায়। ভোখ পিয়াহ আৰু পথশ্ৰম সহ্য কৰিব নোৱাৰি অচেতন হৈ পড়ি যায় ৰাজকুমাৰ।

তেঁওৰ চেতনা যেতিয়া ঘুৰি আহে, দেখা পায় এজনী কুৎসিত মহিলা তেঁওৰ সেৱা কৰি আছে। তাই ৰাজকুমাৰক ফল আৰু পানী দিয়ে। তাৰপাছত কলে, "মই এই বনৰ পিশাচিনী। মোৰ নিবাসস্থল এই বৃক্ষাৰ তলত। তোমাক অচৈতন্য অবস্থাত পড়ি থকা দেখা পাই, তাৰ বাবে অসুস্থ মনে কৰি সেৱা কৰি আছো। ভয়ঙ্কৰ এই জংগলত কেতিয়াও মানুহ নেদেখি। কিন্তু, তুমি কোন, ইয়াত কেনৌক আহিলা?"

ৰাজকুমাৰ নিজৰ পৰিচয় দি পিশাচিনীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি কলে, "তুমি পিশাচিনী হলেও মোৰ ওচৰত দেৱী। মোৰ জীৱনদাত্ৰী। এতিয়া, দয়া কৰি মোক গন্ধৰ্বলোকত যোৱাৰ পথ কোৱা।"

"ওহে মানব, গন্ধৰ্বলোকত অকল আকাশ পথেৰে যাব পাৰি, সেইটো তোমালোকৰ মানুহৰ পক্ষত সম্ভব নহয়। তাতে যোৱাৰ ইচ্ছা তুমি ত্যাগ কৰা।" মৰামৰ্শ দেয় পিশাচিনী।

"তেতিয়াহলে মোৰ এই জীৱন ব্যৰ্থ। মোৰ কৰ্তব্য সম্পূৰ্ন নকৰি জীবিতাবস্থাত উভতি যোৱা মোৰ পক্ষে অসম্ভব।" এইবোৰ কৈ ৰাজকুমাৰ পুবফালে চলিবলৈ আৰম্ভ কৰে।

দৌড়ি গৈ পিশাচিনী ৰাজকুমাৰক বাধা দিয়ে, "ৰোৱা যুবক। মোৰ এটা বাসনা যদি তুমি পূৰন কৰিব পাৰা তেতিয়াহলে তোমাক মই গন্ধৰ্বলোকৰ দুৱাৰলৈকে দি আহিম। ভিতৰত যোৱা মোৰ শক্তিসামৰ্থ্যৰ বাহিৰত।"

"যদি প্ৰধান দুৱাৰলৈকে পোৱা, তেতিয়াহলে মোৰ দ্বাৰা সম্ভব হলে তুমি যি চাবা তাকেই মই পূৰ্ন কৰিম।" ৰাজকুমাৰে পিশাচিনীক কথা দিয়ে।

পিশাচিনী অলপসময় নীৰব থাকি ৰাজ চকু বন্ধ কৰিবলৈ কলে। ৰাজকুমাৰ চকু বন্ধ কৰাৰ পৰমুহূৰ্তত দুজনে গন্ধৰ্বলোকৰ সীমানাত পাই

যায়।

"এতিয়া গন্ধৰ্বলোকৰ অভ্যন্তৰত প্ৰবেশ কৰা তোমাৰ কাম। মই বাহিৰত তোমাৰ বাবে আপেক্ষাত থাকিম।" এটা মেঘৰ আসনৰ ওপৰত পিশাচিনী বহি পড়ে।

গন্ধৰ্ব লোকৰ অভ্যন্তৰত প্ৰবেশ কৰি জেন সুন্দৰ মানবক দেখি সিহতে আশ্চৰ্য হৈ যায়। তাক ধৰি লৈ যায় গন্দৰ্বৰাজৰ ওচৰত। ৰাজকুমাৰ গন্ধৰ্বৰাজৰ ওচৰত তেঁওৰ দুখৰ কাহিনী বৰ্ননা কৰে।

ৰাজকুমাৰ আৰু তেঁওৰ পিতাৰ কষ্ট দুৰ্দশাৰ কথা জানি গন্ধৰ্বৰাজৰ দয়া হয়। তেঁখেতৰ কাষত বহি আছিল গন্ধৰ্বৰাজৰ কন্যা। কন্যাক তেঁখেতে নিৰ্দেশ দিয়ে, কোন গন্ধৰ্বকন্যা ৰজাক এনে ধৰনৰ বিষম অভিশাপত অন্ধ কৰি দিছে তাৰ অনুসন্ধান কৰিবলৈ।

"পিতা, মই সেই কন্যা। মই ইয়াৰ পিতাক অভিশাপ দিছো। কাৰন তেঁখেতে মোক অপমান কৰিছে। যেতিয়া পৃথিবীৰ ওপৰত একান্তত এটা নিৰ্জন বনত ফুলৰ শোভা দেখিছিলো, তাৰ অপূৰ্ব সুগন্ধ আনন্দমনত গ্ৰহন কৰিছিলো তেতিয়া তাত তেঁখেতে অপমানকৰ উক্তি উচ্চাৰন কৰে।" গন্ধৰ্বৰাজ কন্যায় কলে।

ৰাজকুমাৰ তেঁওৰ পিতাৰ তৰফৰ পৰা ক্ষমা প্ৰাৰ্থনা কৰি অতি বিনয় হৈ উত্তৰ দিয়ে, "দেবী, মোৰ পিতা আপোনাৰ স্বৰ্গীয় সৌন্দৰ্যত আকৰ্ষিত হৈ তাক পূৰ্ন সম্পান প্ৰদৰ্শন কৰাৰ ভাবনাত এনেধৰনে কৈছে। তথাপি যদি তেঁখেতৰ ব্যৱহাৰত আপোনাৰ অন্তৰত কোনো আঘাত লাগে তেতিয়াহলে তেঁখেতৰ হৈ মই ক্ষমা চাইছো। আপোনি তেঁখেতক শাপমুক্ত কৰক।"

ৰাজকুমাৰৰ বিনয় আৰু শিষ্টতাত গন্ধৰ্ব ৰাজকন্যা বৰ প্ৰসন্ন হয় আৰু পৃথিবীৰ পৰা গন্ধৰ্বলোক লৈকে তেঁওৰ সহসিকাতাপূৰ্ন যাত্ৰাৰ বাবে তেঁওক বৰ প্ৰভাবিত কৰে। ৰাজকুমাৰৰ হাতত এটা ফুল দি কলে, "এইটোচকুত স্পৰ্শ কৰালে সেই চকুত জ্যোতি ঘুৰি আহিব। কিন্তু মনত ৰাখিবা, এই কাম এনে এজনক কৰিব লাগিব যি কেতিয়াও কথাৰ সত্যতা ভঙ্গ নকৰে। কথাৰ সত্যতা ভঙ্গ হলেই চকুৰ জ্যোতি পুনৰায় নষ্ট হৈ যাব।"

কৃতজ্ঞতাসহ ফুলটো লৈ ৰাজকুমাৰ গন্ধৰ্বৰাজ আৰু ৰাজকন্যাৰ ওচৰত বিদায় লয়। গন্ধৰ্বলোকৰ প্ৰবেশদ্বাৰত পিশাচিনী অপেক্ষা কৰি আছিল। ৰাজকুমাৰ বাহিৰত অহামাত্ৰ তেঁওক চকু বন্ধ কৰিবলৈ কলে। চকু বন্ধ কৰিলে ক্ষনকালৰ মাজত পাকুৰৰাজ্যৰ ৰাজধানীত ৰাজপ্ৰাসাদৰ অভ্যন্তৰত ৰাজকুমাৰক লৈ আহি পিশাচিনীয়ে কলে, "তোমাৰ অসম্ভৱ কাৰ্যক

মই সম্ভৱ কৰি দিলো। ইয়াৰ পৰিবৰ্তে তুমি মোৰ সৰু এটা ইচ্ছা পূৰন কৰি দিবা। ইয়াৰ বাবে তুমি সত্যবদ্ধ হৈ আছা। মই তোমাক বিবাহ কৰিব বিচাৰো।"

"ঠিক আছে। তুমি যি উপকাৰ কৰিছা তাৰ তুলনাত এয়া একোৱেই নহয়। ইয়াতেই এপেক্ষা কৰা, মোৰ পিতাৰ চকুৰ জ্যোতি ঘুৰাই আনি মই আহি আছো।" কৈ ৰাজকুমাৰ ৰাজপ্ৰাসাদৰ ফালে দ্রুতবেগত আগবাঢ়ি যায়। পিতাৰ ঘৰত গৈ ৰজাৰ চকুত ফুলটো স্পৰ্শ কৰাৰ লগে লগে ৰজাৰ চকুত জোতি দৃষ্টি ঘুৰি আহে। ৰজা আগৰ দৰি যথাৰীতি চকুৰে দেখিব পাৰে। তেঁখেতৰ আনন্দৰ সীমা নাথাকে। সকলো ৰাজপ্ৰাসাদ উল্লাসৰ আৱহাওয়াত পৰিপূৰ্ন হৈ যায়।

ৰাজকুমাৰ তেঁওৰ গন্ধৰ্বলোক লৈকে যাত্ৰাৰ সকলো ঘটনাৰ বিৱৰন দিয়ে পিতাৰ ওচৰত। তাৰপাছত সোজা গুচি আহে পিশাচিনীৰ ওচৰত। তাইক কলে, "মই মোৰ পিতা-মাতাৰ অজান্তত মোৰ সত্যৰক্ষাৰ বাবে তোমাক বিয়া কৰি আছো। কিন্তু বিয়াৰ পাছত তুমি তোমাৰ নিজৰ কক্ষৰ বাহিৰত নোলাবা, তোমাক দেখিলে সকলোৱে ভয় পাই যাব।"

সহৰ্ষত সম্পতি জনায় পিশাচিনী।

পাছত দুয়োজনে ৰাজপ্ৰাসাদৰ নিজ কক্ষত গন্ধৰ্বৰীতিত বিয়া কৰে। আশ্চৰ্য। বিয়াৰ পাছতেই তাই এজনী ধনীয়া ৰাজকুমাৰীত পৰিবৰ্তিত হৈ যায়। ৰাজকুমাৰ পলকহীন দৃষ্টিত ৰাজকুমাৰীৰ ফালে চাই থাকে।

ৰাজকুমাৰী জনায়, "আশ্চৰ্য হোৱাৰ কি আছে ৰাজকুমাৰ! মই আৰু পিশাচিনী নহয়, বৎস্যদেশৰ ৰাজকুমাৰী মই। মোক বিয়া কৰাই তুমি মোক অভিশাপমুক্ত কৰি দিছা। তোমাৰ প্ৰতি মই কৃতজ্ঞ।"

"কিন্তু তোমাক কোনে পিশাচিনী কৰি দিছিলে?" আশ্চৰ্য হৈ সুধে।

ৰাজকুমাৰী তাইৰ কাহিনী কলে, "এবাৰ এজন খঙাল মুনি মোৰ পিতাৰ ওচৰত মোৰ লগত বিয়াৰ ইচ্ছা প্ৰকাশ কৰে। মুনিৰ ক্ৰোধৰ পৰা বাঁচিবলৈ পিতায় সম্পতি দিয়ে। কিন্তু মই অস্বীকাৰ কৰো। তেতিয়া মুনি খঁঙত মোক পিশাচিনী হোৱাৰ অভিশাপ দিয়ে। মোৰ পিতা বহু বিনতি জনালে মুনি তেতিয়া শাপমুক্ত হোৱাৰ উপায় কলে, যদি কোনো ৰাজকুমাৰ পিশাচিনী ৰূপত দেখি বিয়া কৰায় তেতিয়াহলে তাই শাপমুক্ত হব।" আজি মোৰ বড় আনন্দৰ দিন।"

ৰাজকুমাৰ নিজেই ৰজাক সকলো কলে। ধূমধাম কৰি সিঁহতৰ বিয়া দিয়ে ৰজায়।

দিল্লী-সপ্তম নগৰী

কথিত যে, মহাভাৰতৰ সময়ত পাণ্ডবসকলৰ বাবে ময়দানব মনোৰম মায়ামুগ্ধকৰ নগৰী ইন্দ্ৰপ্ৰস্থ যি স্থানত নিৰ্মান কৰিছিল, তাতেই আজি আমি দেখা পাও পৃথিবীৰ বৃহত্তম গনতান্ত্ৰিক-দেশ ভাৰতৰ ৰাজধানী নতুন দিল্লীৰ অৱস্থান।

পৌৰানিক কালত নিৰ্মিত এই ইন্দ্ৰপ্ৰস্থ নগৰৰ কোনো নিদৰ্শন আজি আৰু নাই। সম্ভৱত, যমুনা নদী কেইবাৰমান ইয়াৰ গতিধাৰাৰ পৰিবৰ্তন কৰি ধুই মুছি দি গৈছে, প্ৰচীনকালৰ সেই জনপদ মাটিৰ তলত চেপা খাই গৈছে। কিন্তু, জনশ্ৰুতি যি, সেইঠাইত আৰু পাঁচবাৰমান নগৰৰ পত্তন হৈছে। বৰ্তমান নতুন দিল্লী ক্ৰমানুসাৰে সপ্তম নগৰ।

সেই কাৰনেই কি ইয়াৰ নামকৰন দিল্লী, বা দিলী (যাৰ অৰ্থ হেৰুওৱা)? পূৰ্বপৰুষসকলে কৈছিলে, এই নগৰ সৰ্পৰাজ বাসুকীৰ ফনাৰ ওপৰত অৱস্থান কৰিছে। যেতিয়াই সৰ্পৰাজ তাৰ মস্তকৰ অৱস্থান অলপ পৰিবৰ্তন কৰে তেতিয়াই ভূ - কম্প হয়। নগৰ ধবংস হয়।

অবশ্যে, এই গল্পকথা মাত্ৰ। দিল্লীৰ ইতিহাস যুদ্ধ আৰু আক্ৰমনৰ ঘটনাত পৰিপূৰ্ন। ধবংসৰ পাছতেই হয় নতুন সৃষ্টি।

ইতিহাস কলে, খ্ৰীষ্টীয় অষ্টম শাতকত ৰাজ পুত্ৰ ৰজা অনঙ্গপাল নগৰৰ স্থাপনা কৰে। তাৰ দুৰ্গ পৰিচিত আছিল লালকোট নামেৰে। ইয়াৰ পাছত, চৌহান ৰজাসকল ইয়াৰ পাছতেই সাম্ৰাজ্য শাসন কৰে। সিঁহতৰ মাজত সৰ্বাধিক প্ৰসিদ্ধ বীৰ আৰু উদাৰচেতা আছিল পৃথ্বীৰাজ। তেঁখেতে কনৌজৰ ৰাজকুমাৰী সংযুক্তাকক ভালপাইছিল, সংযুক্তাও তেঁওক খূব ভালপাইছিল। কিন্তু কনৌজৰ ৰজা জয়চন্দ্ৰ সিঁহতৰ দুজনৰ বিয়াত সম্মতি নিদি স্বয়ম্বৰ সভাৰ আয়োজন কৰে। ঠিক আছিল সেই সভাৰ সকলো দেশৰ ৰাজকুমাৰ উপস্থিত হব আৰু সংযুক্তা তেঁওৰ পছন্দানুযায়ী যিকোনো এজন ৰাজকুমাৰৰ গলাত বৰমাল্য

পিন্ধাই দিব।

জয়চন্দ্ৰ পৃথ্বীৰাজক আমন্ত্ৰন নজনায়, পৰিবৰ্তত তেঁওৰ নিচিনা এখন মূৰ্তি নিৰ্মান কৰি স্বয়ম্বৰ সভাৰ দ্বাৰপাল হিচাবে ৰাখে। কিন্তু সংযুক্তা তাইৰ পিতাতকৈও অনেক বেচি চতুৰ আছিল। ৰাজকুমাৰ সকলক পাৰ হৈ সোজা আহি মূৰ্তিৰ গলাত বৰমাল্য পিন্ধায়। সেইসময়ত দৰ্শকসকলৰ মাজত থাকি পৃথ্বীৰাজ ওলাই আহে। সকলো ঘটনা বুজি পোৱাৰ আগতেই সংযুক্তক তুলি লৈ দ্ৰুত অশ্ব চালনা কৰে পৃথ্বীৰাজ।

পৃথ্বীৰাজ আৰু সংযুক্তৰ বিয়া হয় ১১৭৫ চনত। ১১৯২ চনত তুৰ্কী সুলতান মহম্মদ ঘোৰী দিল্লী আক্ৰমন কৰিলে পৃথ্বীৰাজৰ ওচৰত পৰাজিত আৰু বন্দী হয়। পৃথ্বীৰাজ করুনাবশত তেঁওৰ মুক্তি দিয়ে। কিন্তু পাছৰ বছৰতেই ঘোৰী উভতি আহি জয়চন্দ্ৰৰ সহায়তাত পৃথ্বীৰাজক পৰাজিত আৰু হত্যা কৰে।

কিন্তু হায়। ঠিক পাছৰ বছৰতেই ঘোৰী তেঁওৰ সহায়ত কৰা জয়চন্দ্ৰক হত্যা কৰি তেঁওৰ সাম্ৰাজ্য দখল কৰে। আকৌ তাৰ কেইদিনমানৰ পাছত আন বিদ্ৰোহীৰ হাতত মহম্মদ ঘোৰী প্ৰান হেৰুৱায়।

দিল্লীৰ শাসকসকলৰ মাজত মুঘল ৰাজবংশ অধিক প্ৰসিদ্ধ ১৯১১ চনত ইংৰাজসকলে দিল্লীক ৰাজধানীত পৰিবৰ্তন কৰে। ১৯৪৭ চনত দিল্লীত ভাৰতৰ স্বাধীনতা ঘোষিত হয়।

চহৰত বহুতো ঐতিহাসিক ঐতিহ্য বহনকাৰী স্মাৰক স্তম্ভ আছে, যি বৰ আকৰ্ষনীয়।

বৰ্তমান দিল্লী অৰ্থাৎ নতুন দিল্লীৰ আয়তন ১,৪৮৩ কি.মি. লোকসংখ্যা প্ৰায় ৯৫ লাখ। ইয়াত ব্যৱহাৰ হোৱা ভাষাবিলাকৰ মাজত হিন্দী, পাঞ্জাবী, উৰ্দু প্ৰধান, অভিন্ন ইংৰাজী।

দেশৰ ৰাজধানী হিচাবে দিল্লীৰ এটা বিশেষ তাৎপৰ্য আছে। ইয়াত আছে ৭০ সদস্যবিশিষ্ট এখন আইনসভা আৰু এখন মন্ত্ৰীসভাও আছে। দেশৰ ৰাজধানী বাদেও, উত্তৰ ভাৰতৰ ব্যবসাবানিজ্যকেন্দ্ৰ এই দিল্লী, যাক আবৰি গঢ়ি উঠিছে বহুতো সৰুডাঙৰ শিল্প প্ৰতিষ্ঠান।

এই চহৰত আছে বহুতো পুৰনি আৰু নতুন শিক্ষাকেন্দ্ৰ, আছে কেইটামান বিশ্ববিদ্যালয়। ৰাজনৈতিক আৰু সাংস্কৃতিক কাৰ্যক্ৰমৰ এটা পীঠস্থান এই দিল্লী।



ঋণীৰ ভয়

গাঁওৰ অধিকাৰী নৰসিংহ। তেঁও গাঁওৰ মধ্যস্থলত এখন বড়গছৰ তলত বহে আৰু গাঁওৰ মানুহৰ বিবাদৰ বিচাৰ কৰে, মিটাই দিয়ে কাজিয়া পেচাল। নিৰপেক্ষ তে ওৰ বিচাৰ; নিৰপেক্ষ বিচাৰৰ বাবে তেঁওৰ সুনাম ওচৰৰ বহুতো গাঁওত বিয়পি পৰে, প্ৰসিদ্ধ হৈ ওঠে তেঁও। এদিনাখন হীৰালাল নামেৰে এজন সুদৰ ব্যৱসায়ী তেঁওৰ ওচৰত আহি পড়ি যায়, "প্ৰভু! মোৰ সৰ্বস্ব লুট কৰি নিলে। আপোনি বিচাৰ কৰক।"

নৰসিংহ সুধে, "খুলি পেলাই কোৱা, কি হৈছে, কোনে লুটি নিছে?"

হীৰালাল কলে, "কাষৰ গাঁওত শংকৰ নামেৰে এজন আছে। দুই বছৰ মান আগত তেঁও মোৰ পৰা সাত হেজাৰ টকা ধাৰ নিছিলে। তেঁও আজিলৈকে কোনো সুদ দিয়া নাই, আৰু মূলধনও ঘুৰাই দিয়া নাই। যেন লাগিছে, তেঁও মোৰ টকাটো ঘুৰাই দিবলৈ নিবিচাৰে। আপোনি বিচাৰ কৰক প্ৰভু। তেঁওৰ পৰা টকাটো মোক আদায় কৰি দিয়ক প্ৰভু।"

নৰসিংহ তেতিয়াই তেঁওৰ মানুহক হুকুম দিয়ে, শংকৰক ধৰি লৈ অহা হাত-ভড়িত বান্ধি, যিমান সোনকালে সম্ভৱ।

নৰসিংহৰ মানুহে শংকৰক ধৰি গাঁও অধিকাৰীৰ ওচৰত লৈ আহে, সূৰ্যৰ পোহৰৰ বাবে বৰ গৰম। ৰাস্তাত চলিবলৈ বৰ কষ্ট হৈ আছে। আগত এটা বড় গছ দেখা পাই পাহাৰাদাৰ শংকৰক কলে, "বৰ গৰম, বলা আমি সেই গছৰ তলত বহি অলপ সময় বিশ্ৰাম লৈ আকৌ যাত্ৰা কৰিম।"

এইকথা শুনি শংকৰ ভয় খাই যায়। কলে পাহাৰাদাৰক, "এই গছৰ চাৰিওফালে যিমান গাঁও আছে, ইয়াৰ সকলো মানুহৰ পৰা মই টকা ধাৰ লৈছো কিন্তু কাৰোবাক এতিয়ালৈকে এটা পয়চাও শোধ দিয়া নাই। কোনোবা যদি মোক দেখা পায় তেতিয়া হলে আৰু নেৰিব। তাতকৈ ভাল, তুমি মোক তোমাৰ গাঁওৰ অধিকাৰীৰ ওচৰত লৈ বলা। মোক বচোৱা।"

আবিষ্কাৰ কৰা! নিজক প্ৰকাশ

এই সংখ্যাত প্ৰকাশিত প্ৰশ্নাবলীৰ উত্তৰ অহা সংখ্যাত দিয়া হব। এই সময়ৰ মাজত ‘ভাৰত আৱিষ্কাৰ প্ৰশ্নোত্তৰত চান্দমামা বিল্ডিংস, বড়া পালানি, চেন্নাই ৬০০ ০২৬’ ঠিকনাত পঠোৱাৰ বাবে স্বাগত জনোৱা হল। কিন্তু এই, প্ৰশ্নোত্তৰ প্ৰতিযোগিতাত অংশগ্ৰহনৰ বাবে তলত লিখা সৃজনশীল কৃতিত্ব আবশ্যকঃ।

চান্দমামাৰ আগৰ সংখ্যাত প্ৰকাশিত বিষয়সূচীৰ কোনটো সৰ্বপেক্ষা ভাল লাগিছে আৰু কিয়? বিষয়টো বা গল্পৰ নাম আৰু পৃষ্ঠা সংখ্যা দি এশটা শব্দৰ মাজত লিখিব লাগিব, কিয় ভাল লাগিছে। অভিভাবক বা শিক্ষকৰ ওচৰৰ পৰা অনুমোদন আৰু স্বাক্ষৰ কৰাই নিজৰ হাতেৰে লিখা নাম, বয়স, শ্ৰেনী, বিদ্যালয় (ছাত্ৰছাত্ৰীসকলৰ ক্ষেত্ৰত) আৰু নিজৰ সম্পূৰ্ন ঠিকনা লিখি ওপৰত লিখা চান্দমামাৰ ঠিকনাত পঠাব লাগিব।

প্ৰথম পুৰস্কাৰ : ১০০০ টকা
দ্বিতীয় পুৰস্কাৰ : ৫০০ টকা

ইয়াৰ বাহিৰে আছে
পাঁচটা অভিনন্দন পুৰস্কাৰ
প্ৰতিটো ২০০ টকা

ভাৰত আবিষ্কাৰ ৰ প্ৰশ্ন :

দেশৰ ৰজাক এজন আক্ৰমনকাৰী অপহৰন কৰি লৈ যায় : ৰানীৰ ওচৰত খবৰ পঠায় যে ৰজাক তেতিয়াই মুক্ত কৰা যাব যদি ৰানী আক্ৰমনকাৰীক বিয়া কৰিবলৈ সম্মত হয়। ৰানী সম্মতি জনায়। এশ দাসীক লৈ ৰানী পালকিত আৰোহন কৰি অপহৰনকাৰীৰ আস্তানাত আহি পায়। পালকিৰ লগত দাসীৰ বেশত আহিছে বাছাই কৰা সন্য সকল। অপহৰনকাৰীৰ আস্তানা তেঁখেতে ধ্বংস কৰে, বীৰঙ্গনা ৰানী ৰজাক মুক্ত কৰি লৈ প্ৰাসাদত উভতি আহে। এই ঐতিহাসিক আখ্যানৰ ৰজা আৰু ৰানী কোন? আক্ৰমনকাৰী কোন? ঐতিহাসিক দৃষ্টিত এইটো কোন শতাব্দীৰ ঘটনা।

তলত লিখা যুগল চৰিত্ৰৰ মাজত কি সম্পৰ্ক আছে?

বিভিন্ন ভাষাত চান্দমামা

কাৰোবাৰ ! পুৰস্কাৰ জয় কৰি লোৱা !

মামা

১. কোন ভাৰতীয় সাহিত্য-কৃতি পৃথিবীৰ প্ৰথম নীতিকথা সংকলন? ইয়াৰ লেখক কোন?
২. কোন ভাৰতীয় সাহিত্য - ৰচনা পৃথিবীৰ গল্প-সাহিত্যৰ প্ৰথম সংকলন? ইয়াৰ লেখক কোন?
৩. কোন ভাৰতীয় সাহিত্য ৰচনা পৃথিবীৰ সৰ্বপ্ৰথম উপদেশমূলক, অৰ্থাৎ নৈতিক আৰু আধ্যাত্মিক কাহিনী সংগৃহীত হৈছে?
৪. ভাৰতীয় কোন ধৰ্মপুস্তক অধিক পাঠ কৰা হয়?
৫. কোন প্ৰচীনতম ভাৰতীয় সাহিত্য ক্ৰমান্বয়ত চাৰিটা কৰি চৰন বা পঙক্তি আছে?

এই বিষয়ে মনত ৰাখিব লাগিব

শৰ্তাবলী

১. চান্দমামা ইণ্ডিয়া লিমিটেড, লিনটাস, আমিৰাট্ৰি পুৰিস ইণ্ডিয়া লিমিটেড, ইনিসিয়েটেড মিডিয়া আৰু ব্ৰিটানিয়া ইণ্ডাষ্ট্ৰিস, ৰ কৰ্মীবৃন্দ, সিঁহতৰ আলহীসকল বা সিঁহতৰ লগত সম্পৰ্কযুক্ত কোনেও এই প্ৰতিযোগিতাত অংশগ্ৰহন কৰিব নোৱাৰে।
২. এই বিষয়ে নিযুক্তবিচাৰকসকলৰ সিদ্ধান্তই চূড়ান্ত; এই সম্বন্ধে কোনো পত্ৰ লিখা বা যোগাযোগ কৰা নাযাব।
৩. অপাঠ্য বা দুস্পাঠ্য লিখা বাতিল কৰা হব।
৪. 'চান্দমামা' - এপ্ৰিল ২০০০ সংখ্যায় ফলাফল প্ৰকাশিত কৰা হব।
৫. ২৯ ফেব্ৰুয়াৰী ২০০০ ৰ মাজত উত্তৰ - পত্ৰ পঠোৱা অবশ্যই প্ৰয়োজন।

লিখা যুগল মাজত কি

ক.	ভীম -	শিশুপাল
খ.	জৰাসন্ধ -	কংস
গ.	ভীষ্ম -	বিচিত্ৰাবীৰ্য
ঘ.	অশ্বথামা -	কৃপাচাৰ্য
ঙ.	বিদুৰ -	শুকদেব

: এটা সৰ্বজনীন ঐতিহ্য

সঁচা অলৌকিক

এদিনাখন এজন ব্যৱসায়ী দিনৰ শেষত তেওঁৰ দোকান বন্ধ কৰি ঘৰৰ ফালে যাবলৈ আৰম্ভ কৰে। এখন হাতত এটা বেগ, গোটেই দিনত অৰ্জিত অৰ্থ তাত আছে। এজন যুৱক দৌৰি আহি জপিয়াই পৰি দোকানীৰ হাতৰ পৰা বেগটো লৈ পলায়। দোকানী আৰু বেলেগ মানুহে পিছে পিছে যায়। যুৱক এই-বাটেৰে সেই-বাটেৰে এঁকাবেঁকা কৈ দৌৰি থাকে। কিন্তু সফল নহয়, ধৰা পৰে। মানুহে তাক লৈ যায় টানি টানি কোতোয়ালৰ ওচৰত।

সন্ধিয়া হৈ যায়। দিনৰ পোহৰ নোমাই আহে ক্ৰমে ক্ৰমে। দূৰৰ বস্তু অস্পষ্ট হৈ আহে।

যুৱক চোৰ হলেও নীৰিহ দেখিবলৈ। চকু আৰু মুখত অলপও প্ৰকাশ নাই যে, সি এনেধৰনৰ কাম কৰিব পাৰে। অনুতপ্ত সি।

কোতোয়াল ওলাই আহে ঘৰৰ পৰা। তেওঁকেক দেখি যুৱক ছুটি গৈ তেওঁৰ ভৰিত পৰে, ধৰিমেলি ক্ষমা ভিক্ষা কৰে।

কিন্তু, কোতোয়ালৰ উত্তপ্ত মেজাজ, তেওঁৰ উচ্চ পদৰ বাবেই চড়া গলা, বলিষ্ঠ দেহ। যুৱকক মাৰে, জোৰকৈ এটা লাথি। আচমকা অঘাতত যুৱক ছিঁটিকি গৈ পৰে দূৰত, বহু দূৰত। কি কৰিবলগীয়া সেয়া স্থিৰ কৰিবলৈ অলপও দেৰী নকৰে যুৱক। দূৰত ছিঁটিকি পৰাৰ সুযোগ লয়। মাটিৰ পৰা উঠিই দৌৰ মাৰি পলায়।

কোতোয়ালৰ মানুহে যুৱকক ধৰাৰ বাবে পিছা কৰে। কিন্তু নোৱাৰে এইবাৰ। এন্ধাৰ হৈ গৈছে। ইফালে সিফালে কৰি সি অনুসৰন কাৰী সিপাহী সকলৰ চকুত পৰি যায়।

জনবসতি এৰি যুৱক পলাই গুচি আহে নগৰৰ বাহিৰত এক জংগলৰ সীমানাত। দৌৰ থমাই সি জংগলত সুমাবলৈ যাব, সেই সময়ই শুনা পায় পাছফালেই পদচাৰনাৰ শব্দ। ঘুৰি

পেলাই খাড়া হয়। আগত লক্ষ্য কৰা নাই, কিন্তু এতিয়া চকুত পড়ে, আগতেই এটা ঘড়। ঘৰৰ ভিতৰৰ পৰা এটা পোহৰৰ ৰেখা আহি বাহিৰত ৰাস্তাৰ ওপৰত পড়িছে। যুৱক সেইফালে আগুৱাই যাবলৈ চেষ্টা কৰে কিন্তু নোৱাৰে। শ্ৰান্তিক্লান্তি তাৰ সকলো শক্তিকাঢ়ি লৈছে, জ্ঞান হেৰুৱাই পড়ি যায় মাটিত। সিপাই বিলাকে তাৰ দেহৰ কাষেদি যায়, কিন্তু এন্ধাৰত দেখা নেপায়।

ঘৰত এজন তপস্বী আছিল। যুৱকক অচৈতন্য অৱস্থান দেখা পাই তাক তুলি কুটিৰৰ অভ্যন্তৰত লৈ আহি সেবা কৰে। যুৱকৰ চেতনা ঘুৰি আহে। "মোৰ প্ৰাৰ্থনা, ইয়াত থাকি আপোনাৰ সেবা কৰিবলৈ অনুমতি দিয়ক।" যুবক অনুনয় জনায়। তপস্বীৰ ওচৰত থকাই নিৰাপদ যেন লাগে তাৰ, সিপাই সকলে নিশ্চয় তপস্বী বা তাঁৰ শিষ্যসকলক হয়ৰান নকৰিব।

তপস্বীৰ করুনা হয়। যুবকক শিষ্যৰূপে গ্ৰহন কৰে। তপস্বী তাক জ্ঞান আৰু যোগ শিক্ষা দিয়ে, ক্ৰমে যুৱক হৈ ওঠে এজন জ্ঞানালোকিত তপস্বী।

কেইবছৰ মান পাছত গুৰুৰ মৃত্যু হয়। ইতিমধ্যে শিষ্যক তাত এজন প্ৰবুদ্ধ সন্ন্যাসীৰূপে সকলোৱে গম পালে। মানুহে তেঁওক শ্ৰদ্ধাভক্তি সন্মান প্ৰদৰ্শন কৰে। সেই কুটিৰতেই থাকে।

এবাৰ, কেইজনমান ভক্তৰ অনুৰোধত সন্ন্যাসী নগৰত আহে। বহুতো মানুহে তেঁওৰ দৰ্শনপ্ৰাৰ্থী হৈ আহে। বহুতে বহুধৰনৰ প্ৰশ্ন কৰে তেঁওক। সন্ন্যাসীৰ সহজ সুন্দৰ উত্তৰত সিঁহতে সন্তুষ্ট হয়। এজন বৃদ্ধ বহি পেলাই সকলো শুনে। সন্ন্যাসীৰ উত্তৰ তাক কপাই দিয়ে। সন্ন্যাসীৰ ওচৰত আহি তেঁওক প্ৰনাম



কৰি কলে, "হে সন্ন্যাসী, কেতিয়াও যদি মোৰ জীৱনত মই ভগবানৰ করুনা লাভ কৰিব পাৰি তেতিয়াহলে সেয়া হব সঁচাকৈ অলৌকিক এটা কান্ড। এটা নিষ্ঠুৰ জীৱন আছিল মোৰ। মই আছিলো নগৰৰ কোতোয়াল।"

"অলৌকিক ঘটনা কেতিয়াবা কেতিয়াবা নিশ্চয়ই ঘটে। এদিনাখন মই তোমাৰ চৰনত লুটিখাই পড়িছিলো। এতিয়া তুমি আহিছা। এইটো কি অলৌকিক নহয়? এজন তস্কৰ যদি ভগবানৰ কৃপা লাভ কৰিব পাৰে, তেতিয়াহলে তস্কৰক যি গ্ৰেপ্তাৰ কৰে সি কিয় নেপাব?" সন্ন্যাসী হাঁহি উত্তৰ দিয়ে।

হতভম্ব হৈ যায় বৃদ্ধ। সন্ন্যাসী নিঃসঙ্কোচত সেইদিনাখনৰ ঘটনাৰ বিবৰন দি সকলো কলে, কেনেদৰে তেঁও সন্ন্যাসী হলে। বৃদ্ধ কোতোয়াল সন্ন্যাসীৰ চৰনদুটা ধৰি কান্দি থাকে।

তীব্বত পৃথিৱীৰ মনোযোগ অধিকাৰ কৰে - আকৌ এবাৰ

দৈহিক বলে পৃথিৱীৰ বহুতো বস্তু স্থিৰ কৰা বহু বছৰৰ আগত হোৱা নাই। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত (১৯৩৯-১৯৪৫) পৰিস্থিতি পৰিবৰ্তন হয়। ৰাজনৈতিক অৱস্থা বুজপড়াৰ মাজেৰে আৰু আলোচনাৰ মাজেৰে সমাধান হয়।

কিন্তু দৈহিক বল এতিয়ালৈকে চলি আছে। তোমালোকে জানা যে, ভাৰতবৰ্ষত বহুতো ৰাজকীয় ৰাজ্য আছিল। এইবিলাক ৰাজ্যৰ শাসকসকলে ভাৰত আৰু পাকিস্তানক মিলাবলৈ মনোনয়ন বা ইচ্ছা প্ৰকাশ কৰিছিল। যেনে এশটা ৰাজ্যৰ শাসক, কাশ্মিৰৰ শাসক, মহাৰাজ হৰি সিঙ, তেঁখেতৰ ৰাজ্যৰ লগত ভাৰতক মিলাবলৈ স্থিৰ কৰিছিল। কিন্তু পাকিস্তান, কোনো সঠিক নীতি বাদে, ৰাজ্যৰ এটা ডাঙৰ অংশ অধিকাৰ কৰে। ইয়াৰ নাম হ'ল অধিকাৰত ৰখা কাশ্মীৰ।

একেধৰনে চীন দেশে বিংশ শতাব্দীৰ পঞ্চাচত তীব্বত অধিকাৰ কৰে। তীব্বতৰ এটা নিজৰ সংস্কৃতি আৰু চৰকাৰ আছে।

১৪ তম দালাই লামা, তেনজিং গায়েটস' ভাৰতত আশ্ৰয় লয়। তেঁখেতে তেঁখেতৰ প্ৰধান অঞ্চল ধৰ্মশালাৰ পৰা চৰকাৰ চলাইছিল।

দালাই লামাৰ পাছত, পাঞ্চিন লামায় তীব্বতীয়ান মানুহৰ নেতা হয়। চীন দেশে পাঞ্চিন লামাৰ কাৰ্য্যালয় দৃঢ়মুষ্টিত ধাৰন কৰে। চীন দেশে তৃতীয় মূখ্য তীব্বতীয়ান ব্যক্তি কাৰমাপাৰ লগত একেই কৰিব বিচাৰিছিল। বৰ্তমানৰ কাৰমাপা, ১৭ শ্ৰেনীত থকা, যাৰ নাম হ'ল আগিয়ান ট্ৰিনলে ডৰজি, ভাৰতত পলায়ন কৰে আৰু ধৰ্মশালাত জানুয়াৰীৰ প্ৰথম ফালে যায়।



কাৰমাপাৰে বয়স তেতিয়া তেৰৰ পৰা উনৈশৰ ভিতৰত। তেঁখেতে চীন দেশৰ মানুহৰ প্ৰাধন্য উলিয়াইছিল দুঃসহ তীব্বতৰ ওপৰত। কিছুমান লগৰীয়াৰ লগত তেঁখেতে বহু দূৰলৈকে খুঁজকাঢ়ি ভ্ৰমন কৰিছিল, তাৰ ভিতৰত শশ কিল'মিটাৰ বৰফ আৰু দুঃসহ বাঁটেৰে, ভয়ংকৰ তুষাৰ ঝড় আৰু ভয়ংকৰ বতাহৰ সম্মুখীন হয়।

হেৰিটেজক এখন সাক্ষাৎকাৰত (চাঁদমামাৰ এজনী ভনিৰ প্ৰকাশিত গ্ৰন্থত, ১৯৮৫-১৯৮৯) দালাই লামায় চাইনীজ সকলে তীব্বতৰ লগত যি সৰ্বনাশ কৰে সেই বিষয়ে জনায়। তেঁখেতে কয়, "সাংস্কৃতিক পৰিবৰ্তনৰ সময়ত বহুতো ধৰ্মীয় আৰু সাংস্কৃতিক কৃষ্টি সম্পৰ্কীয় কিতাপ ধ্বংস হয়। আৰু সিঁহতে সেই পান্ডলিপি বিলাক সিঁহতৰ জুতাৰ তলি হিচাপে আৰু বহিপাতৰ মোড়ক হিচাপে ব্যৱহাৰ কৰিছিল আৰু গৰ্ত্তত পেলাই দিছিল।"



হেৰিটেজয়ে তেঁখেতক সুধিলে, যদি এই মনোভাব বা চালচলনৰ শ্ৰেনীৰ পৰিবৰ্তন হয়. "হয়, সেইটোৰ পৰিবৰ্তন হৈছে।" দালাই লামায় কলে।

পৃথিবীৰ মানুহে এইটো আশা কৰিছিল যে আগলৈকে ইয়াৰ পৰিবৰ্তন হব আৰু তীব্বত কমেও স্বায়ত্ব শ্বাসন হিচাবে পৰিনত হব। দালাই লামা আৰু কাৰমাপায়ে সিঁহতৰ

ৰাজধানী লাছাত উভতি আহিব পাৰিব।

তীব্বতক কোৱা হয় "পৃথিবীৰ ছাঁদ" কাৰন সমুদ্ৰ পৃষ্ঠৰ পৰা ইয়াৰ উচ্চতা বেছি থকাৰ বাবে। যদিও ইয়াৰ নিম্নতম স্থানটো সমুদ্ৰ পৃষ্ঠৰ পৰা ৪০০০ মিটাৰ উচ্চতাত আছে। কৃষিকাৰ্য আৰু জাহাজ বনোৱা তীব্বতীয়ান সকলৰ প্ৰধান কাম। সিঁহতে পশম, মৃগনাভী সোন, গম আৰু যবৰ ব্যৱসা কৰে। ইয়াক এনে এটা জন্তু যাৰ ওপৰত সিঁহতে বেছি নিৰ্ভৰশীল, এই জন্তুটো খুব ঠান্ডা বৰফৰ ওপৰত ও খাড়া হব পাৰে। বেছিৰ ভাগ তীব্বতীয়ান হ'ল বুদ্ধ ধৰ্মৰ। সিঁহতে বৰ পৰিশ্ৰমী আৰু সাধাৰন চৰিত্ৰৰ।

ফোটো
নামকৰণ প্ৰতিযোগিতা

ফোটো-নামকৰন দুই-তিনিটা শব্দেৰে হ'ব লাগিব।
প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব
লাগিব। ২০০০ চনৰ মাৰ্চ মাহৰ।

ফোটো
নামকৰন
প্ৰতিযোগিতা
চন্দমামা
ৰডপলনী
চেন্নই - ৬০০ ০২৬

২৫ তাৰিখে আমি পোৰাকৈ পঠাব লাগিব। সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। কেৱল প'স্টকাৰ্ডত লিখি যথাসময়ত পোৰাকৈ তলৰ ঠিকনালৈ পঠাৰ লাগিব।

ছবিৰ শিৰোনামৰ পাতা

বিজয়ী প্ৰতিযোগী :
ৰিতা দেবনাথ
ভা : ৰবিন্দ্ৰ চন্দ্ৰ দেবনাথ
ধিং নগাঁও (আসাম) - ৭৮২ ১২৩
বিজয়ী নামকৰন :
পদগ্ৰমী নৈত্ৰকী

(পুৰস্কাৰৰ ধন এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব)

চান্দমামাৰ বছৰেকীয়া বৰঙনি :
ভাৰতত ১২০.০০ টকা মাথোন

Payment should be in favour of CHANDAMAMA INDIA LIMITED. For detail address you can enquire to : Publication Division, Chandamama Buildings, Vadapalani, Chennai-600 026

"I want the very best for my home. Nothing but a Sumeet will do"

payal rajaratnam
corporate executive

Sumeet. loved by millions. worldwide.

"Even my brother in Australia depends on a Sumeet"

aila sharma
fashion designer

"Whatever the task, I know my Sumeet won't let me down"

ritika banker
interior designer

"Sumeet is the best. I recommend it"

tripta khanna
housewife

"The Sumeet is very popular even in Sri Lanka"

sujaya menon
business consultant

Whether it's for grinding chick peas in the West Indies or coffee beans in New Zealand, ice kachang in Malaysia or peanut butter in the U.S. millions of customers trust only a Sumeet. If you want the best the world has to offer, bring home a Sumeet today!

DOMESTIC
India's first mixer grinder

ASIA KITCHEN MACHINE
The world's toughest mixer-grinder

DOMESTIC PLUS
The family mixer-grinder

Sumeet®
STRONG & RELIABLE

Sumeet is the registered trademark of Sumeet Research & Holdings Ltd.

Sumeet Marketing Centre, 571, Anna Salai, Chennai 600 018. Tel : 044-4343316 / 4348123 / 4349755. Fax : 044-4341479 / 4917213

FIFTH ESTATE : 3828

CHANDAMAMA (Assamese) MARCH 2000 Registrar of Newspapers, India RN30278/76

nutrine

Maha Cruise

Nutrine Maha Lacto. The Best Lacto in Town.